# প্ৰাথমিক

# ব্যাকৰণ আৰু ৰচনা

২য়, ৩য়, ৪ৰ্থ আৰু ৫ম শ্ৰেণী

ৰাব্বি মছৰুৰ

গ্ৰন্থিলচ্



# প্ৰাথমিক

# ব্যাকৰণ আৰু ৰচনা

দ্বিতীয়, তৃতীয়, চতুৰ্থ আৰু পঞ্চম শ্ৰেণী

প্ৰণেতা

ৰাব্বি মছৰুৰ

গ্ৰন্থিলচ্ পাব্লিশ্বিং

কমলপুৰ, বৰপেটা (অসম)

*Prathamik Byakaran Aru Rachana* For Class II, III, IV & V by Rabbi Masrur, Published by Growhills Publishing, Kamalpur, Barpeta, (Assam).

First Edition 2016

Published By
Growhills Publishing, Kamalpur, Barpeta

All Rights Reserved

Price Rs. .............. /-

D. T. P. By
Growhills D.T.P. Operators' Board.



# আগকথা

'ব্যাকৰণ' ভাষা এটিৰ সংবিধান স্বৰূপ। ব্যাকৰণত ভাষা এটিৰ শব্দ গঠন, বাক্য গঠন, বাক্য এটিত ব্যৱহাৰ হোৱা শব্দবোৰৰ মাজত থকা সম্পৰ্ক আদিৰ নীতি নিয়ম সন্নিবিষ্ট কৰা থাকে। ভাষা শিকাৰ ক্ষেত্ৰত ব্যাকৰণৰ কোনো বিকল্প নাই। অসমীয়া হৈছে আৰ্যমূলীয় ভাষা। ই এক জটিল ভাষা। ইয়াক শুদ্ধকৈ লিখিবলৈ আৰু ক'বলৈ শিকাৰ বাবে ব্যাকৰণ অধ্যয়ন কৰা অতি জৰুৰী। এই কথা উপলব্ধি কৰিয়েই গ্ৰুহিলচ্ পাব্লিশ্বিং পাঠ্যপুথি গৱেষণা সমিতিৰ নিৰ্দ্দেশমতে আমি **প্ৰাথমিক ব্যাকৰণ আৰু ৰচনা** নামৰ পুথিখন প্ৰণয়ন আৰু প্ৰকাশ কৰি উলিয়ালোঁ।

কিতাপখন দুটা অংশত ভাগ কৰি 'ক' অংশত ব্যাকৰণ আৰু 'খ' অংশত ৰচিদ লিখন, দিনলিপি লিখন, চিঠি লিখন, ৰচনা লিখন, গল্প লিখন আদি সন্নিবিষ্ট কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ মনস্তাত্বিক দিশৰ প্ৰতি বিশেষ লক্ষ্য ৰাখি কিতাপখনৰ বিষয়-বস্তুখিনি যিমান সম্ভৱ সিমান সহজ আৰু সৰলভাৱে উপস্থাপন কৰিবলৈ যত্ন কৰিছোঁ। আমাৰ সফলতাৰ সীমা অভিভাৱক-অভিভাৱিকা, শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে বিচাৰ কৰিব।

কিতাপখন আসোঁৱাহমুক্ত কৰি প্ৰণয়ন আৰু প্ৰকাশ কৰাৰ বাবে আমি যৎপৰোনাস্তি চেষ্টা কৰিছো যদিও আমাৰ অজানিতে কিবা ভুল-ভ্ৰান্তি ৰৈ যোৱাটো নিতান্তই স্বাভাৱিক। সেয়ে সদাশয় ব্যক্তিসকলে অনিচ্ছাকৃতভাৱে থাকি যোৱা ত্ৰুটিবোৰ আঙুলিয়াই দি দিহা পৰামৰ্শ আগবঢ়ালে পৰৱৰ্তী সংস্কৰণসমূহ অধিক নিখুত আৰু সুন্দৰ কৰিবলৈ আমি প্ৰতিশ্ৰুতিবদ্ধ। ইতি

কমলপুৰ, বৰপেটা, ২০১৫ **প্ৰকাশক**
**গ্ৰুহিলচ্ পাব্লিশ্বিং**

# সূচীপত্ৰ

## অংশ- ক

## ব্যাকৰণ


| অধ্যায় | শিৰোনামা | পৃষ্ঠা নং |
|---|---|---|
| প্ৰথম | ধ্বনি, ভাষা আৰু ব্যাকৰণ / ৭ | |
| দ্বিতীয় | বৰ্ণ আৰু বৰ্ণমালা / ১০ | |
| তৃতীয় | স্বৰবৰ্ণ আৰু ব্যঞ্জণ বৰ্ণ / ১২ | |
| চতুৰ্থ | শব্দ আৰু বাক্য / ১৪ | ১২৩ |
| পঞ্চম | উদ্দেশ্য আৰু বিধেয় / ১৭ | |
| ষষ্ঠ | পদ আৰু পদৰ শ্ৰেণী বিভাগ / ১৯ | |
| সপ্তম | কাল আৰু কালৰ শ্ৰেণী বিভাজন / ২২ | |
| অষ্টম | বচন / ২৪ | |
| নৱম | লিঙ্গ / ২৭ | |
| দশম | যতি বা বিৰাম চিনৰ ব্যৱহাৰ / ৩৪ | |
| একাদশ | বাক সংহতি বা এটা শব্দত প্ৰকাশকৰণ / ৪০ | |
| দ্বাদশ | প্ৰতিশব্দ বা সমাৰ্থক শব্দ / ৪৭ | |
| ত্ৰয়োদশ | বিপৰীত অৰ্থবোধক শব্দ / ৫১ | |


## অংশ- খ

## ৰচিদ, দিনলিপি, চিঠি, হাতে লিখা আখৰ, প্ৰাৰ্থনা সংগীত, ৰচনা আৰু সাধু কথা


অধ্যায় শিৰোনামা পৃষ্ঠা নং

প্ৰথম ৰচিদ লিখন ।৬১

দ্বিতীয় দিনলিপি লিখন / ৬৩





তৃতীয় চিঠি লিখন / ৬৪

চতুৰ্থ হাতে লিখা আখৰৰ নমুনা / ৭২

পঞ্চম প্ৰাৰ্থনা সংগীত / ৭৩

**ষষ্ঠ ৰচনা**

১। গৰু / ৭৬

২। মেকুৰী / ৭৬

৩। কুকুৰ / ৭৭

৪। আমাৰ গাওঁ / ৭৮

৫। আমাৰ নগৰ / ৭৮

৬। আমাৰ পঢ়াশালি / ৭৯

৭। ঈদ / ৭৯

৮। বৰদিন / ৮০

৯। সৰস্বতী পূজা / ৮১

১১। কলগছ / ৮২

১২। ধান খেতি / ৮২

১৩। মহাত্মা গান্ধী / ৮৩

১৪। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ / ৮৪

১৫। অসমৰ বানপানী / ৮৬

১৬। অসমৰ জাতীয় উৎসৱ — বিহু / ৮৭

১৭। অসমৰ বয়ন শিল্প / ৮৮

**সপ্তম সাধুকথা**

১। এটা ভালুক আৰু দুজন বন্ধু / ৯০

২। দুজনী মূৰ্খ ছাগলী / ৯০

৩। এজনী বুঢ়ী আৰু এটি শিয়াল / ৯১

৪। ধূৰ্ত শিয়াল আৰু এজনী কাউৰী / ৯২

৫। এজনী বুধিয়ক কাউৰী / ৯২

৬। এজনী লুভীয়া কুকুৰ / ৯৩

৭। কাউৰীৰ ভেম / ৯৩

৮। সিংহ আৰু নিগনি / ৯৪

৯। এটি শিয়াল আৰু এজনী ছাগলী / ৯৪

১০। এটি বান্দৰ আৰু দুজনী মেকুৰী / ৯৫

১১। সোণৰ কণী পৰা হাঁহ / ৯৬

# অংশ- ক

# ব্যাকৰণ

## অধ্যায়- ১

## ধ্বনি, ভাষা আৰু ব্যাকৰণ

**ধ্বনি (Sound)** ঃ দৈনন্দিন জীৱনত জীৱৰ মুখৰ ভিতৰলৈ সোমাই যোৱা বায়ু আৰু মুখৰ ভিতৰৰ পৰা ওলাই অহা বায়ুৰ মাজত মুখ গহ্বৰত হোৱা ঠেকা-ঠেকি বা সংঘৰ্ষৰ ফলত যি মাত বা স্বৰৰ উৎপত্তি হয় তাকে ধ্বনি (Sound) বোলে।

উদাহৰণ স্বৰূপে চৰাইয়ে চিঁ চিঁ কৰা, কুলিয়ে কু-উ, কু-উ কৰা, কাউৰীয়ে কা-কা কৰা, দামুৰিয়ে হেম্বুলিয়া আদি হৈছে কিছুমান ধ্বনিৰ সমষ্টি। ধ্বনি হৈছে কোনো সংকেত বা মাত। ই স্বতঃস্ফূৰ্ত বা ইচ্ছাকৃত হ'ব পাৰে।

**ভাষা (Language)**ঃ ভাষা বুলিলে ধ্বনি সমষ্টিক বুজায়। অৰ্থাৎ জীৱৰ ভাৱ প্ৰকাশ কৰিব পৰা ধ্বনিময় মাধ্যমটোৰ নামেই ভাষা (Language)। উদাহৰণ ঃ অসমীয়া ভাষা, ইংৰাজী ভাষা, বাংলা ভাষা, ফৰাচী ভাষা, জাৰ্মান ভাষা, হিন্দী ভাষা, উৰ্দু ভাষা, পাৰ্চী ভাষা ইত্যাদি। মানুহৰ ভাষাৰ দুটা ৰূপ ঃ কথিত ৰূপ আৰু লিখিত ৰূপ।

**কথিত ভাষা (Colloquial Language)** ঃ মানুহে ধ্বনিৰ সহায়ত মুখেৰে মনৰ ভাৱ-অনুভূতি, আশা-আকাঙ্খা আদি প্ৰকাশ কৰা ভাষাৰ ৰূপটোৱেই কথিত ভাষা (Colloquial Language)।

**লিখিত ভাষা (Written Language)**ঃ মানুহৰ মুখৰ ধ্বনিক প্ৰতিনিধিত্ব কৰা কোনো সাংকেতিক চিন ব্যৱহাৰ কৰি লিখন-সঁজুলিৰ সহায়ত প্ৰকাশ কৰা ভাষাৰ ৰূপটোকেই লিখিত ভাষা (Written Language) বোলে।

**উপভাষা ( Dialect)** ঃ আমি জানো যে অঞ্চল বা দেশ ভেদে ভাষাও ভিনি ভিন হয়। আনকি অঞ্চলভেদে এটা ভাষাৰো সুৰ আৰু আংগিকৰ মাজত পাৰ্থক্য দেখা যায়। এনেদৰে অঞ্চল ভেদে এটি ভাষাৰ ধ্বনিগত, শব্দগত আৰু বাক্য গঠণ প্ৰণালীত কিছু স্বতন্ত্ৰ ৰূপলৈ গঢ় লোৱা ভাষাকে মূল ভাষাটোৰ **উপভাষা (Dialect)**বোলে। উদাহৰণ স্বৰূপে অঞ্চলভেদে অসমীয়া ভাষাটোৰ ইয়াৰ ধ্বনিগত, শব্দগত আৰু বাক্য গঠণ প্ৰণালীত পাৰ্থক্য আছে। অৰ্থাৎ গোটেই অসমত অসমীয়া ভাষাটো প্ৰচলিত যদিও এই ভাষাটো গোৱালপাৰা, বৰপেটা, নলবাৰী, ডিব্ৰুগড় আদি অঞ্চলত মানুহে বেলেগ বেলেগ সুৰ আৰু আংগিকত কয়।

**মান্য ভাষা (Standard Language) ঃ** বৃহৎ অঞ্চল একোটাত বিয়পি পৰা ভাষা এটাৰ কেইবাটাও উপভাষা থাকিব পাৰে। ফলত সকলো উপভাষাতে উমৈহতীয়া কাম-কাজ চলোৱাত অসুবিধাই দেখা দিয়ে। এনে অসুবিধা দূৰ কৰিবলৈ উপভাষাবোৰৰ মাজৰ পৰা এটিক উমৈহতীয়া ভাষা হিচাপে ব্যৱহাৰ কৰা হয় । এনেদৰে উমৈহতীয়া কাম-কাজ চলোৱাৰ উদ্দ্যেশ্যে গ্ৰহণ কৰা উপভাষা এটিক **মান্য ভাষা (Standard Language)** বোলে।

**ব্যাকৰণ (Gramamar)** ঃ মান্য ভাষা এটিক সাৰ্বজনীন ৰূপ দিয়াৰ বাবে ইয়াৰ শব্দ গঠন, বাক্য গঠন, বাক্যত থকা শব্দবোৰৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক, প্ৰকাশ ভঙ্গীৰ নীতি-নিয়ম আদিৰ বিষয়ে যিখন পুথিত বিজ্ঞানসন্মতভাৱে আলোচনা কৰা হয় তাকে ব্যাকৰণ (Grammar) বোলে। প্ৰায় সকলো লিখিত ভাষাৰে ব্যাকৰণ আছে। ভাষা এটিক শুদ্ধকৈ শিকিবলৈ হ'লে সেই ভাষাৰ ব্যাকৰণ অধ্যয়ন কৰা অতি জৰুৰী।

**অসমীয়া ভাষাৰ ব্যাকৰণ (Gramamar)** ঃ যিখন পুথিত অসমীয়া ভাষাৰ শব্দ গঠন, বাক্য গঠন, বাক্যত থকা শব্দবোৰৰ



মাজত থকা পাৰস্পৰিক সম্পৰ্ক, প্ৰকাশ ভঙ্গীৰ নীতি নিয়ম আদিৰ বিষয়ে বিজ্ঞানসন্মতভাৱে আলোচনা কৰা হয় তাকে অসমীয়া ভাষাৰ ব্যাকৰণ বোলে। যেনেঃ সত্যনাথ বৰাৰ 'বহল ব্যাকৰণ', গ্ৰীণ হিলচ লিখক সমিতিয়ে প্ৰণয়ন কৰা 'প্ৰাথমিক অসমীয়া ব্যাকৰণ' আদি।

## অনুশীলনী

(১) ধ্বনি কাক বোলে?
(২) ভাষাৰ ৰূপ কেইটা আৰু কি কি ?
(৩) কথিত ভাষা কাক বোলে?
(৪) লিখিত ভাষা বুলিলে কি বুজা?
(৫) উপভাষা কাক বোলে?
(৬) মান্য ভাষা কাক বোলে?
(৭) ব্যাকৰণ কাক বোলে?
(৮) অসমীয়া ভাষাৰ ব্যাকৰণ কাক বোলে? দুটি অসমীয়া ভাষাৰ ব্যাকৰণৰ উদাহৰণ দিয়া।

000

অধ্যায়- ২

# বৰ্ণ আৰু বৰ্ণমালা

আগৰ অধ্যায়ত পাই আহিছো যে জীৱৰ ভাৱ প্ৰকাশ কৰিব পৰা ধ্বনিময় মাধ্যমটোৰ নামেই ভাষা (Language)। আমি আমাৰ মনৰ ভাৱ-অনুভূতি, আশা-আকাঙ্খা আদি লিখি প্ৰকাশ কৰোতে আমাৰ ধ্বনিক প্ৰতিনিধিত্ব কৰিব পৰাকৈ কিছুমান সাংকেতিক চিন বা প্ৰতীক উদ্ভাৱন কৰা হৈছে ঃ যেনে- অ, আ, ক, খ, গ, ঘ, ঙ ইত্যাদি। এই চিনবোৰকে অসমীয়াত আখৰ বা বৰ্ণ (Letter) বুলি কোৱা হয়। সহজ ভাষাত যি চিন বা প্ৰতীকৰ সহায়ত ভাষা এটিক লিখিত ৰূপ দিয়া হয় সেই চিনবোৰকে **বৰ্ণ বা আখৰ (Letter)** বোলে। যেনে ঃ অ, আ, ক, খ আদি একো একোটা বৰ্ণ বা আখৰ।

প্ৰত্যেক ভাষাৰ বৰ্ণৰ সমষ্টিক একেলগে **বৰ্ণমালা (Alphabet)** বোলে। অসমীয়া ভাষাৰ বৰ্ণৰ সমষ্টিক একেলগে **অসমীয়া বৰ্ণমালা (Assamese Alphabet)** বুলি কোৱা হয়। অসমীয়া ভাষাত মুঠ ৫২ টা বৰ্ণ বা আখৰ আছে, যথা ঃ

| | | | | |
|---|---|---|---|---|
| অ | আ | ই | ঈ | |
| উ | ঊ | ঋ | | |
| এ | ঐ | ও | ঔ | |
| ক | খ | গ | ঘ | ঙ |



| | | | | |
|---|---|---|---|---|
| চ | ছ | জ | ঝ | ঞ |
| ট | ঠ | ড | ঢ | ণ |
| ত | থ | দ | ধ | ন |
| প | ফ | ব | ভ | ম |
| য | ৰ | ল | ৱ | |
| শ | ষ | স | হ | |
| ক্ষ | ড় | ঢ় | য় | |
| ৎ | ং | ঃ | ঁ | |

## অনুশীলনী

(১) বৰ্ণ বা আখৰ কাক বোলে?
(২) বৰ্ণমালা কাক বোলে?
(৩) অসমীয়া বৰ্ণমালাত মুঠ কেইটা বৰ্ণ আছে? অসমীয়া বৰ্ণবোৰ লিখা।

000

অধ্যায়- ৩

# স্বৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণ

ইতিমধ্যে শিকি আহিলা যে মানুহৰ মুখৰ ধ্বনিক প্ৰতিনিধিত্ব কৰিবলৈ উদ্ভাৱন কৰা চিন বা প্ৰতীকবোৰক বৰ্ণ বা আখৰ (Letter) বোলে। অসমীয়া ভাষাত মুঠ ৫২ টা বৰ্ণ আছে। উচ্চাৰণৰ প্ৰকৃতি অনুযায়ী অসমীয়া বৰ্ণসমূহক প্ৰধানকৈ দুটা ভাগত ভাগ কৰা হৈছে, যেনেঃ (১) স্বৰবৰ্ণ আৰু (২) ব্যঞ্জন বৰ্ণ

অসমীয়া বৰ্ণমালাত এনে কিছুমান বৰ্ণ আছে যিবোৰ বৰ্ণ উচ্চাৰণ কৰোতে আন কোনো বৰ্ণৰ সহায় নালাগে বা উচ্চাৰণ কৰোতে অইন কোনো বৰ্ণৰ ধ্বনি উচ্চাৰিত নহয়, সেই বৰ্ণবোৰক **স্বৰবৰ্ণ** (**Vowel**) বোলে। অসমীয়া ভাষাত স্বৰবৰ্ণ মুঠতে ১১ টা, যথা ঃ

অ আ ই ঈ
উ ঊ ঋ
এ ঐ ও ঔ

যিবোৰ বৰ্ণ উচ্চাৰণ কৰোতে স্বৰবৰ্ণৰ সহায় ল'ব লাগে সেইবোৰ বৰ্ণক **ব্যঞ্জনবৰ্ণ** (**Consonant**) বোলে। উদাহৰণ স্বৰূপে অসমীয়া 'ক' বৰ্ণ উচ্চাৰণ কৰোঁতে স্বতঃস্ফূৰ্তভাৱেই 'অ' ধ্বনি উচ্চাৰিত হয়। সেয়ে 'ক' বৰ্ণটো ব্যঞ্জনবৰ্ণ। অসমীয়াত ব্যঞ্জনবৰ্ণৰ সংখ্যা ৩৩ টা, যথা ঃ

ক খ গ ঘ ঙ
চ ছ জ ঝ ঞ
ট ঠ ড ঢ ণ



ত থ দ ধ ন
প ফ ব ভ ম
য ৰ ল ৱ
শ ষ স হ

## অনুশীলনী

(১) উচ্চাৰণৰ প্ৰকৃতি অনুযায়ী অসমীয়া বৰ্ণসমূহক কেই ভাগত ভাগ কৰিব পাৰি ?

(২) স্বৰবৰ্ণ কাক বোলে ?

(২) অসমীয়া ভাষাত স্বৰবৰ্ণ কেইটা আৰু কি কি ?

(৩) ব্যঞ্জনবৰ্ণ কাক বোলে ?

(৫) অসমীয়া বৰ্ণমালাত ব্যঞ্জনবৰ্ণ কেইটা আৰু কি কি ?

০০০

# অধ্যায়- ৪
# শব্দ আৰু বাক্য

## শব্দ

আগতে শিকি আহিছা যে যি চিন বা প্ৰতীকৰ সহায়ত ভাষা এটিক লিখিত ৰূপ দিয়া হয় তাকে বৰ্ণ বা আখৰ বোলে। কিন্তু সদায় এটা বৰ্ণ বা আখৰে কোনো অৰ্থ প্ৰকাশ কৰিব নোৱাৰে। কোনো অৰ্থ প্ৰকাশ কৰিবলৈ হ'লে কেইবাটাও বৰ্ণৰ সমন্বয়ৰ প্ৰয়োজন। উদাহৰণ স্বৰূপে 'ক' এটি বৰ্ণ। বৰ্ণটোৱে আমাৰ মুখৰ ধ্বনিক প্ৰতিনিধিত্ব কৰিছে যদিও আমাৰ মনৰ কোনো ভাৱ স্পষ্টভাৱে প্ৰকাশ কৰিব পৰা নাই। কিন্তু 'ক', 'ল' আৰু 'ম' বৰ্ণ তিনিটা একেলগ কৰিলে এটা অৰ্থ (লিখাৰ সঁজুলি) প্ৰকাশ পায়। এনেদৰে এটা বা ততোধিক বৰ্ণ লগ লাগি কোনো অৰ্থ প্ৰকাশ কৰিলে তাক **শব্দ** (**Word**)বোলে।

এতেকে দেখা গ'ল শব্দ এটা গঠন হ'বলৈ বৰ্ণৰ প্ৰয়োজন। বৰ্ণ এটা বা ততোধিক হ'ব পাৰে। আকৌ বৰ্ণটোৱে বা বৰ্ণ সমষ্টিয়ে এক অৰ্থও প্ৰকাশ কৰিব লাগিব। অৰ্থ প্ৰকাশ নকৰিলে সি শব্দ হ'ব নোৱাৰে।

কিছুমান শব্দৰ উদাহৰণ ঃ কলম, ঘৰ, গছ, মানুহ, মেজ, চকী, বিদ্যালয়, শিক্ষক, মহাশয়, ছাত্ৰ, ছাত্ৰী, ভাৰত, অসম, তৰা, সূৰ্য, নক্ষত্ৰ, ছাতি, আকাশ, পূব, পশ্চিম, উত্তৰ, ল'ৰা, ছোৱালী, নমিতা, হৰি, মাধৱ, ধান, মৰাপাট, বৰপেটা, গুৱাহাটী, শ্বিলং, তেওঁ, তাই, সিহঁত ইত্যাদি।



## বাক্য

ওপৰত শিকিলা যে এটা বা ততোধিক বৰ্ণ লগলাগি কোনো অৰ্থ প্ৰকাশ কৰিলে তাক শব্দ বোলে। কিন্তু সদায় এটা মাত্ৰ শব্দৰ দ্বাৰা আমি আমাৰ মনৰ ভাৱ পৰিপূৰ্ণভাৱে প্ৰকাশ কৰিব নোৱাৰোঁ। মনৰ ভাৱ প্ৰকাশ কৰোঁতে বহু সময়ত এটাতকৈ অধিক শব্দৰ প্ৰয়োজন হয়। উদাহৰণ স্বৰূপে 'কলম' এটা শব্দ। শব্দটোৱে এটা অৰ্থ প্ৰকাশ কৰিছে যদিও ই ভাৱ এটাক পূৰ্ণতা প্ৰদান কৰিব পৰা নাই। কিন্তু 'মোৰ এখন কলম আছে' ঃ এই শব্দকেইটাই এটা ভাৱ সম্পূৰ্ণ কৰিব পাৰিছে। এনেদৰে এটা বা ততোধিক শব্দ লগ লাগি কোনো সম্পূৰ্ণ অৰ্থপূৰ্ণ ভাৱ প্ৰকাশ কৰিলে তাক **বাক্য** (**Sentence**)বোলে। উদাহৰণ ঃ

আমি ভাত খাওঁ।
সিহঁত ভাল ল'ৰা।
কলমটো ৰঙা।
আকাশ নীলা।
ৰাম এজন সাধু লোক। ইত্যাদি।

ওপৰৰ উদাহৰণৰ প্ৰতিটোৱেই একো একোটা বাক্য। ইয়াৰ প্ৰথম বাক্যটো তিনিটা শব্দ লগ লাগি গঠিত হৈছে আৰু এক সম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰিছে।

বিশেষ মন কৰিবলগীয়া যে এটি শব্দই এটা মাথো অৰ্থ প্ৰকাশ কৰে কিন্তু ই ভাৱ এটিক সম্পূৰ্ণ কৰিব নোৱাৰে। আনহাতে বাক্য এটাই কোনো এটা ভাৱ সম্পূৰ্ণ কৰিব পাৰে।

## বাক্য ৰচনা

কোনো এটা শব্দ বা শব্দ সমষ্টি প্ৰয়োগ কৰি কোনো অৰ্থপূৰ্ণ বাক্য গঠন কৰাকে **বাক্য ৰচনা** বোলে। উদাৰহণ স্বৰূপে 'বল' শব্দটোক লৈ আমি এনেদৰে বাক্য গঠন কৰিব পাৰোঁ। যেনে-

ৰামহঁতে <u>বল</u> খেলে।

আমি প্ৰতিদিন আবেলি বল খেলোঁ।
বলটো ৰঙা।
মই ফুট বল খেলি ভাল পাওঁ। ইত্যাদি।

## অনুশীলনী

(১) শব্দ কাক বোলে? সূত্ৰ লিখি উদাহৰণ দিয়া ।
(২) বাক্য কাক বোলে? সূত্ৰ লিখি উদাহৰণ দিয়া।
(৩) বাক্য ৰচনা কাক বোলে? সূত্ৰ লিখি উদাহৰণ দিয়া।
(৪) তলত দিয়া শব্দবোৰ ব্যৱহাৰ কৰি একোটাকৈ বাক্য ৰচনা কৰা ঃ
ঘৰ, গাড়ী, মানুহ, তৰা, আকাশ, বতাহ, সূৰ্য, ভূমি, পেঞ্চিল, ৰবৰ।

০ ০ ০



## অধ্যায়- ৫

# উদ্দেশ্য আৰু বিধেয়

তলত দিয়া বাক্যটো লক্ষ্য কৰা ঃ

যদুৱে বল খেলে।

ওপৰৰ বাক্যটোত দুটা অংশ আছে, যেনে ঃ 'যদু' আৰু 'বল খেলে'। ইয়াত 'যদু' হৈছে কৰ্তা অৰ্থাৎ যদুৱে বল খেলা কামটো কৰে। আনহাতে 'বল খেলে' অংশই ৰামে কৰা কামটোক বুজাইছে। এনেদৰে বাক্য এটিত যি অংশই কাম কৰোঁতা বা কৰ্তাক বুজায় তাকে **উদ্দেশ্য (Subject)**বোলে। আনহাতে বাক্যৰ যি অংশই কৰ্তাই কৰা কামক বুজায় তাকে **বিধেয় (Predicate)** বোলে। উদাহৰণ ঃ

| উদ্দেশ্য | বিধেয় |
|---|---|
| আমি | ভাত খাওঁ |
| সি | ৰামায়ণ পঢ়ে। |
| দিপালীয়ে | পুতলা সাজে। |
| ৰমেনে | বাগিছাত কাম কৰি আছে। |

কেতয়াবা কেতিয়াবা আদেশসূচক বাক্যত উদ্দেশ্য উহ্য থাকিব পাৰে। যেনে ঃ ইয়ালৈ আহা, তালৈ নাযাবা, ৰ'দত দৌৰি নুফুৰিবা। ইত্যাদি। উক্ত বাক্যকেইটাত উদ্দেশ্য 'তুমি' উহ্য আছে।

বাক্য এটিৰ বিধেয় অংশৰ আকৌ দুটা ভাগ থাকে, যথা ঃ কৰ্ম আৰু ক্ৰিয়া। উদাহৰণ ঃ

আমি ভাত খাওঁ।

ওপৰৰ বাক্যটোত 'আমি' পদটো উদ্দেশ্য (কৰ্তা) আৰু 'ভাত খাওঁ' অংশটো বিধেয়। বিধেয় অংশটোত আকৌ দুটা পদ আছে, যেনে- 'ভাত' আৰু 'খাওঁ'। ইয়াৰ 'ভাত' পদটোৱে আমি কৰা কামটোক বুজাইছে। এই 'ভাত' পদটো কৰ্ম আৰু' খাওঁ পদে 'খোৱা' কামটো বুজাইছে। এই 'খাওঁ'

পদটো ক্ৰিয়া।

এতেকে কৰ্তাই যি কাৰ্য কৰে তাকে **কৰ্ম** বোলে। আৰু বাক্য এটিত যি পদৰ দ্বাৰা কৰ্ম এটা কৰা বা হোৱা বুজায় তাকে **ক্ৰিয়া** বোলে। উদাহৰণ ঃ

| **উদ্দেশ্য** | **বিধেয়** | |
|---|---|---|
| | **কৰ্ম** | **ক্ৰিয়া** |
| দেবেনে | বাতৰি কাকত | পঢ়ে। |
| হৰিয়ে | মিঠাই | খায় |
| সিহঁতে | কোৰাণ | পঢ়ে। |
| নীলিমাই | গান | গায়। |
| ৰাজুয়ে | গাড়ী | চলায়। |

## অনুশীলনী

(১) বাক্য এটিত কেইটা অংশ থাকে? সেইবোৰ কি কি?
(২) উদ্দেশ্য কাক বোলে? সূত্ৰ লিখি উদাহৰণ দিয়া।
(৩) বিধেয় কাক বোলে? সূত্ৰ লিখি উদাহৰণ দিয়া।
(৪) বিধেয়ৰ ভাগ কেইটা আৰু কি কি?
(৫) বাক্য এটিত কৰ্ম কাক বোলে?
(৬) ক্ৰিয়া কাক বোলে?
(৭) তলত দিয়া বাক্যবোৰৰ উদ্দেশ্য আৰু বিধেয় নিৰ্ণয় কৰা ঃ
(ক) ইয়ালৈ আহা।
(খ) অকলেশে চিঠি লিখে।
(গ) মেঘে গিৰ্ গিৰ্ কৰে।
(ঘ) ৰহমানে নামাজ পঢ়ে।
(ঙ) দিলীপে নাম গায়।

০০০



## অধ্যায়- ৬

# পদ আৰু পদৰ শ্ৰেণী বিভাগ

তলত দিয়া বাক্যটো মন কৰা ঃ

ৰেজিনা এজনী ভাল ছাত্ৰী।

উক্ত বাক্যটো চাৰিটা অৰ্থপূৰ্ণ শব্দৰে গঠিত। যেনে ঃ 'ৰেজিনা', 'এজনী', 'ভাল' আৰু 'ছাত্ৰী'। এনেদৰে বাক্যত ব্যৱহাৰ হোৱা অৰ্থব্যঞ্জক প্ৰতিটো শব্দক **পদ (Parts of Speech)** বোলে।

অসমীয়া ভাষাৰ পদবোৰক মুঠতে পাঁচ ভাগত ভাগ কৰা হৈছে, যথা ঃ

(১) বিশেষ্য (Noun), (২) সৰ্বনাম (Pronoun), (৩) বিশেষণ (Adjective), (৪) ক্ৰিয়া (Verb) আৰু (৫) অব্যয় (Indeclinables)

তলত এইবোৰৰ বিষয়ে আলোচনা কৰা হ'ল।

(১) **বিশেষ্য (Noun)** ঃ যি পদে কোনো ব্যক্তি, বস্তু, ঠাই, গুণ, অৱস্থা আদিৰ নাম বুজায় তাকে বিশেষ্য পদ বোলে। সহজ ভাষাত নাম মাত্ৰেই বিশেষ্য। উদাহৰণ ঃ

**ৰেজিনা** এজনী ছোৱালী।

**সোণ** উজ্জ্বল ধাতু।

**কলকাতা** ডাঙৰ চহৰ।

**বদান্যতা** মহান গুণ।

উক্ত বাক্যবোৰত 'ৰেজিনা', 'সোণ', 'কলকাতা', 'বদান্যতা' আদি শব্দই ক্ৰমে মানুহৰ নাম, ধাতুৰ নাম, ঠাইৰ নাম আৰু গুণৰ নাম বুজাইছে। এইবোৰেই একো একোটা বিশেষ্য।

কিছুমান বিশেষ্য পদৰ উদাহৰণ হ'ল ঃ ৰাম, ৰহিম, বৰপটো, নলবাৰী, গছ, গৰু, ছাগলী, হাতী, ঘৰ, নদী, আকাশ, বতাহ, সাগৰ, পৰ্বত ইত্যাদি।

(২) **সৰ্বনাম (Pronoun)** ঃ বিশেষ্য পদৰ সলনি ব্যৱহাৰ হোৱা পদকে সৰ্বনাম পদ বোলে। উদাহৰণ ঃ

হৰেন মোৰ ভাই।

**তেওঁ** এজন ভাল খেলুৱৈ।

ওপৰৰ দুটা বাক্যৰ প্ৰথমটোত ব্যৱহাৰ হোৱা 'হৰেন' পদটো বিশেষ্য। দ্বিতীয় বাক্যটোত ব্যৱহাৰ হোৱা 'তেওঁ' পদটি সৰ্বনাম। কিয়নো 'তেওঁ' পদটি 'হৰেন' পদৰ সলনি ব্যৱহাৰ কৰা হৈছে।

কিছুমান সৰ্বনাম পদৰ উদাহৰণ হ'ল ঃ আমি, তেওঁ, তাই, সিহঁত, তেওঁলোক, আমালোক, আপোনালোক, তই , তহঁত, তেখেত, তেখেতসকল ইত্যাদি।

(৩) **বিশেষণ (Adjective)** ঃ যি পদে কোনো বিশেষ্য বা সৰ্বনাম পদৰ গুণ, দোষ, অৱস্থা, সংখ্যা, পৰিমাণ আদিক বুজায় তাকে বিশেষণ বোলে। উদাহৰণ ঃ

অৰূপ হাজৰিকা এজন **ভাল** শিক্ষক।

আপেলটো **বেয়া**।

ইয়াত **পাঁচখন** মেজ আছে।

ভিক্ষাৰীটোক **এক** টকা দিয়া ।

গিলাচটোত **তিনি লিটাৰ** পানী আছে।

ওপৰৰ বাক্যবোৰত ব্যৱহাৰ হোৱা 'ভাল' 'বেয়া, ' পাঁচখন', 'এক', 'তিনি লিটাৰ' আদি শব্দবোৰে ক্ৰমে গুণ, অৱস্থা, সংখ্যা, পৰিমাণ আদিক বুজাইছে। এইবোৰেই বিশেষণ পদ।

কিছুমান বিশেষণ পদৰ উদাহৰণ হ'ল ঃ ভাল, বেয়া, গুণী, দুষ্ট, সৰু, ডাঙৰ, কেঁচা, পকা, এক, দুই ইত্যাদি।

(৪) **ক্ৰিয়া (Verb)** ঃ যি পদে কোনো কাৰ্য কৰা বা নকৰা অৰ্থ বুজায় তাকে ক্ৰিয়া বোলে।

মই বল **খেলোঁ**।

সিহঁতে **দৌৰিছে**।

নলিনীয়ে অংক **কৰিছে।**

সি **নপঢ়িলে।**

ওপৰৰ বাক্যবোৰত 'খেলোঁ', 'দৌৰিছে', 'কৰিছে', নপঢ়িলে' আদি পদে কোনো কাম কৰা বা হোৱা বা নোহোৱা বুজাইছে। এইবোৰেই ক্ৰিয়া।

কিছুমান ক্ৰিয়া পদৰ উদাহৰণ ঃ অহা, যোৱা, কন্দা, খেলা, পঢ়া, দিয়া, নিদিয়া, দৌৰা, মাৰা, শুৱা, বহা ইত্যাদি।

(৫) **অব্যয় (Indeclinables)** ঃ যি পদে বাক্যত ব্যৱহাৰ হওঁতে কোনো বিভক্তি গ্ৰহণ নকৰে অৰ্থাৎ কোনো অৱস্থাত ৰূপৰ সলনি নকৰে তাকে অব্যয় বোলে। উদাহৰণ ঃ



ৰাম **অথবা** ৰহিম ইয়ালৈ আহা।

জাকিৰ **আৰু** দিলীপ দুয়ো ভাল বল খেলুৱৈ।

হেৰা ৰাম, কিতাপ পঢ়া **নাইবা** ছবি আঁকা।

উক্ত বাক্য দুটাত 'অথবা' 'আৰু', 'নাইবা' - আদি পদবোৰ অব্যয়। কাৰণ এইবোৰ সকলো পুৰুষ, লিঙ্গ আৰু কালভেদে সলনি নহৈ একে ৰূপতে থাকে।

কিছুমান অব্যয় পদৰ উদাহৰণ ঃ নাইবা, যদিও, যদি, তথাপি, যি, যে, যেনে, যিহেতু, কিন্তু, যেতিয়ালৈকে, আৰু ইত্যাদি।

## অনুশীলনী

(১) পদ কাক বোলে?

(২) অসমীয়া পদক কেই শ্ৰেণীত ভাগ কৰা হৈছে?

(৩) বিশেষ্য কাক বোলে? উদাহৰণসহ বুজাই লিখা।।

(৪) সৰ্বনাম পদ কাক বোলে? উদাহৰণসহ বুজাই লিখা।

(৫) বিশেষণ কাক বোলে? উদাহৰণসহ বুজাই লিখা।

(৬) ক্ৰিয়া কাক বোলে? উদাহৰণসহ বুজাই লিখা।

(৭) অব্যয় কাক বোলে? উদাহৰণসহ বুজাই লিখা।

(৯) তলত দিয়া বাক্যবোৰৰ পদ নিৰ্ণয় কৰা ঃ

(ক) তাজিনা এজনী ভাল খেলুৱৈ।

(খ) সিহঁতৰ বিদ্যালয়টো পৰিস্কাৰ।

(গ) ৰাতি মই বাতৰি কাকত নপঢ়োঁ।

(ঘ) মৃগেন মোৰ ভাল বন্ধু।

(ঙ) তেখেত আমাৰ শিক্ষক।

000

## অধ্যায়- ৭

# কাল আৰু কালৰ শ্ৰেণী বিভাগ

'কাল' শব্দই বাক্যত ব্যৱহাৰ হোৱা ক্ৰিয়া পদৰ কাৰ্য কৰা সময়ক নিৰ্দ্দেশ কৰে। অৰ্থাৎ ক্ৰিয়াৰ সময়কে **কাল (Tense)** বুলি কোৱা হয়। অসমীয়াত কাল তিনিটা, যথা ঃ (১) বৰ্তমান কাল (Present Tense), (২) অতীত কাল বা ভূত কাল (Past Tense) আৰু (৩) ভৱিষ্যত কাল (Future Tense)।

তলত এইবোৰৰ বিষয়ে চমু ধাৰণা দিয়া হ'ল।

(১) **বৰ্তমান কাল (Present Tense)** ঃ যি ক্ৰিয়াই বৰ্তমান সময়ত কোনো কাম কৰা, হোৱা বা চলি থকা বুজায় তাকে বৰ্তমান কাল বোলে। উদাহৰণ ঃ

বেলি পূৱ পিনে উদয় হয়।

আমি ভাত খাওঁ

তপনে বল খেলে।

হৰেনে প্ৰতিদিন স্কুললৈ যায়। ইত্যাদি।

(২) **অতীত কাল বা ভূত কাল (Past Tense)** ঃ যি ক্ৰিয়াৰ কাম আগতে শেষ হৈ গৈছে তাকে অতীত বা ভূত কাল বোলে। উদাহৰণ ঃ

ৰাকেশে ছবি আঁকিছিল।

ৰঞ্জনহঁতে ক্ৰিকেট খেলিছিল।

সিহঁতে ইয়ালৈ আহিছিল।

তোমাৰ বাবে আমি অপেক্ষা কৰি আছিলোঁ। ইত্যাদি।

(৩) **ভৱিষ্যত কাল (Future Tense)** ঃ যি ক্ৰিয়াৰ কাৰ্য ভৱিষ্যতে কৰা হ'ব বুলি প্ৰকাশ কৰে তাকে ভৱিষ্যত কাল বোলে। উদাহৰণ ঃ

আমি ৰামায়ণ পঢ়িম।

তুমি নিয়মিত পঢ়িবা।

মই বৰপেটালৈ যাম।



তুমি অহাকালি খেলি থাকিবা।

তেওঁ আহিলে মই যাম।

## অনুশীলনী

(১) কাল বুলিলে কি বুজা ?

(২) কাল কেইপ্ৰকাৰৰ আৰু কি কি ?

(৩) বৰ্তমান কাল কাক বোলে ? উদাহৰণসহ বুজাই লিখা।

(৪) অতীত কাল কাক বোলে ? উদাহৰণসহ বুজাই লিখা।

(৫) ভৱিষ্যত কাল কাক বোলে ? উদাহৰণসহ বুজাই লিখা।

(৬) তলত দিয়া বাক্যবোৰৰ কোনটো কি কাল বাছি উলিওৱা ঃ

(ক) আমি প্ৰতিদিন ৰাতিপুৱা চাহ খাওঁ।

(খ) তুমি যোৱাকালি শ্ৰেণীত অনুপস্থিত আছিলা।

(গ) ৰাতি আকাশত তৰা ওলায়।

(ঘ) শিক্ষকে আমাক অংক শিকাব।

(ঙ) যোৱাকালি নিতিশ ইয়ালৈ আহিছিল।

(চ) তুমি বৰ দুষ্ট।

(ছ) তুমি নাহিলে মই যাম।

(জ) মই এজন ছাত্ৰ।

(ঝ) তুমি কেৰম খেলিছিলা।

(ঞ) সিহঁতে কাজিয়া কৰিছিল।

000

## অধ্যায়- ৮

# বচন

তলত দিয়া বাক্য দুটা মন কৰা ঃ

ৰবিৰে পঢ়ি আছে।

ছোৱালীবোৰে খেলি আছে।

ওপৰৰ বাক্য দুটাৰ প্ৰথমটোৱে এজন ব্যক্তি 'ৰবি'ক বুজাইছে। আনহাতে দ্বিতীয় বাক্যটিয়ে বহুতো ছোৱালী অৰ্থাৎ এজনীতকৈ অধিক ছোৱালীক নিৰ্দেশ কৰিছে। এনেদৰে পদৰ যি ৰূপৰ দ্বাৰা কোনো ব্যক্তি বা বস্তুৰ এক বা একাধিক বোধ জন্মে তাকে অসমীয়াত **বচন** (**Number**) বোলে। অসমীয়া ভাষাত বচন দুটা, যথা ঃ (১) এক বচন ( Singular Number) আৰু (২) বহু বচন (Plural Number)

পদৰ যি ৰূপৰ দ্বাৰা কোনো বস্তুৰ এটা সংখ্যাৰ বোধ জন্মে তাকে **এক বচন** (**Singular Number**) বোলে। এক বচনে এটা বস্তু বা প্ৰাণীক নিৰ্দেশ কৰে। উদাহৰণ ঃ

তাইৰ এডাল পেঞ্চিল আছে।

ল'ৰাজনে খেলি আছে।

মোৰ এখন কিতাপ আছে।

ৰমেনা এজনী ছাত্ৰী।

আনহাতে পদৰ যি ৰূপৰ দ্বাৰা কোনো বস্তু বা প্ৰাণীৰ এটাতকৈ অধিক সংখ্যাৰ বোধ জন্মে তাকে **বহু বচন** (**Plural Number**) বোলে। বহু বচনে এটাতকৈ অধিক বস্তুক নিৰ্দ্দেশ কৰে। উদাহৰণ ঃ

শিশুহঁত পথাৰত খেলি আছে।

ভেড়াবোৰে বেঁ বেঁ কৰি আছে।

শিক্ষকবৃন্দ বিদ্যালয়লৈ যাব।

সাধাৰণতে বিশেষ্য বা সৰ্বনামৰ লগত কিছুমান প্ৰত্যয় যোগ কৰি একবচনৰ পৰা বহু বচন কৰা হয়। বহু বচন বুজোৱা প্ৰত্যয়বোৰ হ'ল ঃ পাল, পুঞ্জ, ৰাজি, মণ্ডলী, হঁত বোৰ, সকল, বৃন্দ, জাক, দল, থোক, মখা, থুপি, বৰ্গ, গণ, ইত্যাদি।



তলত এইবোৰৰ প্ৰয়োগ আলোচনা কৰা হ'ল।

(১) বিশেষ্য (সংজ্ঞা ) পদৰ পিছত *বোৰ* যোগ কৰি একবচনৰ পৰা বহু বচন কৰা হয়। উদাহৰণ ঃ

কিতাপবোৰ মেজৰ ওপৰত আছে।

আঙুৰবোৰ কেঁচা।

গৰুবোৰ পথাৰত ঘাঁহ খাইছে।

(২) থুপ বা সমষ্টি বুজোৱা অৰ্থত *পাল, মণ্ডলী, পুঞ্জ, মখা, জাক, দল, থোক, থোপা, থুপি, ৰাজি* আদি প্ৰত্যয় যোগ কৰি এক বচনৰ পৰা বহু বচন কৰা হয়। উদাহৰণ ঃ

ভেড়াপাল পথাৰতে আছে।

আকাশত বহুত নক্ষত্ৰপুঞ্জ আছে।

গ্ৰন্থৰাজি পঢ়া হ'ল।

বিচাৰকমণ্ডলী যথাসময়ত উপস্থিত হৈছে।

ফুলথোপা মৰহি গৈছে।

গৰুজাক দৌৰি আছে।।

(৩) মান্য অৰ্থত আৰু অপ্ৰাণী বাচক বিশেষ্য পদৰ লগত *বিলাক* প্ৰত্যয় যোগ কৰি একবচনৰ পৰা বহু বচন কৰা হয়। উদাহৰণ ঃ

গছবিলাকে ৰূপ সলাইছে।

ঘৰবিলাক নতুন।

মানুহবিলাক কেতিয়াবাই উপস্থিত হৈছে।

(৪) মানুহ বুজোৱা পদৰ লগত মান্য অৰ্থত *সকল* যোগ কৰি একবচনৰ পৰা বহু বচন কৰা হয়। উদাহৰণ ঃ

তেখেতসকল আহিবৰ সময় হৈছে।

সভাৰ সদস্যসকল নীৰৱ।

নেতাসকল এতিয়াও আশাবাদী।

ছাত্ৰসকল শ্ৰেণীকোঠাৰ ভিতৰত আছে।

(৫) মানুহ বুজোৱা সৰ্ব্বনাম পদৰ লগত *লোক* যোগ কৰি একবচনৰ পৰা বহু বচন কৰা হয়। উদাহৰণ ঃ

আপোনালোক ভালে আছে নে?

আমালোক তালৈ যাম।

তোমালোক ক'ৰ পৰা আহিলা?

(৬) মান্যাৰ্থত মানুহ বুজোৱা শব্দৰ লগত *গণ, বৃন্দ, বৰ্গ* আদি যোগ কৰি একবচনৰ পৰা বহু বচন কৰা হয়। উদাহৰণ ঃ

শিক্ষক বৃন্দই আমাক ভালদৰে পঢ়ুৱায়।
প্ৰহৰীগণ গুচি গ'ল।
পাঠকবৰ্গই পুথিভঁৰালতে আছে।

(৭) মানুহ বুজোৱা পদৰ লগত হঁত যোগ কৰি একবচনৰ পৰা বহু বচন কৰা হয়। উদাহৰণ ঃ

খুড়াহঁত আজিয়েই আহি পাব।
খুড়ীহঁত ঘৰতে থাকিব।
তোমাৰ ককায়েকহঁত বৰ ভাগ্যবান।

(৮) প্ৰাণী বা অপ্ৰাণী বাচক শব্দৰ লগত *শ্ৰেণী, ৰাশি* আদি যোগ কৰি একবচনৰ পৰা বহু বচন কৰা হয়। উদাহৰণ ঃ

সংখ্যাৰাজি যুগ্ম ।
দৰ্শকশ্ৰেণী জাঙুৰ খাই উঠিল।
হিমালয় পৰ্ব্বতশ্ৰেণী ভাৰতৰ উত্তৰ দিশত।

(৯) বিশেষ্য পদৰ লগত *সংখ্যাবাচক শব্দ* যোগ কৰি একবচনৰ পৰা বহু বচন কৰা হয়। উদাহৰণ ঃ

ত্ৰিশ দিনত এক মাহ।
তেওঁ পাঁচডাল কলম কিনিলে।
আমাৰ দুজন ভাল বন্ধু আছে।
নজন ল'ৰা কাজিয়াটোৰ লগত জড়িত।
সি দুটা আপেল খাইছিল।

## অনুশীলনী

(১) বচন কাক বোলে ?

(২) অসমীয়া ভাষাত বচন কেইবিধ আৰু কি কি ?

(৩) অসমীয়া সংজ্ঞা পদক এক বচনৰ পৰা বহু বচনলৈ পৰিবৰ্তন কৰোতে কি কি প্ৰত্যয় যোগ কৰা হয় ? উদাহৰণসহ বুজাই লিখা।

(৪) তলত দিয়া পদবোৰৰ বচন পৰিবৰ্তন কৰা।

সি, পৰ্বত, সিহঁত, গছ, দাদা, তুমি, ছাত্ৰসকল, গৰু, চৰাই, গছবোৰ, চন্দ্ৰ, তলা, পৰ্ব্বত, নক্ষত্ৰ, নদী, দ্বীপ, মেজ, চকী, ছোৱালী।

000



# অধ্যায়- ৯

# লিঙ্গ

শব্দৰ যি ৰূপ বা চিনৰ দ্বাৰা প্ৰাণী বা বস্তুৰ মতা, মাইকী বা মতা-মাইকী নথকা আদি বুজিব পাৰি বা চিনাক্ত কৰিব পাৰি তাকে **লিঙ্গ (Gender)** বোলে। উদাহৰণ ঃ

ল'ৰা ————— ছোৱালী
গাই————— ষাঁড়
মানুহজন ——— মানুহজনী।

অসমীয়া ভাষাত লিঙ্গক চাৰি ভাগত ভাগ কৰা হৈছে, যথা ঃ

(১) পুংলিঙ্গ (Mascsuline Gender), (২) স্ত্ৰীলিঙ্গ (Feminine Gender), (৩) ক্লীবলিঙ্গ (Neuter Gender) আৰু (৪) উভয় লিঙ্গ (Common Gender)

তলত এইবোৰৰ বিষয়ে আলোচনা কৰা হ'ল।

(১) **পুংলিঙ্গ (Masculine Gender)** ঃ পুৰুষ বা মতা বুজোৱা শব্দবোৰক পুংলিঙ্গ বোলে। উদাহৰণ ঃ

ৰজা, মামা, ককা, দাদা, দেউতা, ভাই ইত্যাদি।

(২) **স্ত্ৰীলিঙ্গ (Feminine Gender)** ঃ স্ত্ৰী বা মাইকীক বুজোৱা শব্দবোৰক স্ত্ৰীলিঙ্গ বোলে। উদাহৰণ ঃ

আই, ভনী, খুৰী, মাহী, আইতা, ৰাণী, লেখিকা, ভালুকী, তাই ইত্যাদি।

(৩) **ক্লীবলিঙ্গ (Neuter Gender)** ঃ যিবোৰ শব্দই মতা বা মাইকী একোকে নুবুজায় সেইবোৰ শব্দক ক্লীবলিঙ্গ বোলে। সাধাৰণতে নিৰ্জীৱ বস্তু বা পদাৰ্থবোৰক ক্লীৱলিঙ্গ বুলি ধ'ৰা হয়। উদাহৰণ ঃ

কলম, কিতাপ, মেজ, চকী, কটাৰী, দা, বিচনী, গছ, কাগজ ইত্যাদি।

(৪) **উভয় লিঙ্গ (Common Gender)** ঃ যিবোৰ শব্দই মতা-মাইকী উভয়ক বুজায় সেইবোৰ শব্দক উভয় লিঙ্গ বোলে। উদাহৰণ ঃ

শিশু, মানুহ, গৰু, ছাগলী, কুকুৰ, ঘোঁৰা, হাঁহ, পাৰ, কাউৰী ইত্যাদি।

অসমীয়া পুংলিঙ্গবাচক শব্দবোৰক স্ত্রীলিঙ্গবাচক শব্দলৈ পৰিণত কৰাৰ কিছুমান নিয়ম আছে। তলত সেইবোৰ উদাহৰণসহ আলোচনা কৰা হ'ল।

(১) অ-কাৰান্ত পুংলিঙ্গবাচক শব্দৰ পাছত 'আ' প্রত্যয় যোগ কৰি স্ত্রীলিঙ্গ কৰা হয়। যেনেঃ

| **পুংলিঙ্গ** | **স্ত্রীলিঙ্গ** |
|---|---|
| সভ্য | সভ্যা |
| পৰিত্যক্ত | পৰিত্যক্তা |
| অশিক্ষিত | অশিক্ষিতা |
| বিশিষ্ট | বিশিষ্টা |
| প্রসিদ্ধ | প্রসিদ্ধা |
| কৃশ | কৃশা |
| পূজনীয় | পূজনীয়া |
| নিষ্ঠুৰ | নিষ্ঠুৰা |
| নিপুন | নিপুনা |
| প্রিয় | প্রিয়া |
| বৃদ্ধ | বৃদ্ধা |
| শ্রদ্ধেয় | শ্রদ্ধেয়া |
| শিষ্য | শিষ্যা। |

(২) জাতি বুজোৱা অ-কাৰান্ত শব্দৰ পাছত 'ঈ' প্রত্যয় যোগ কৰি স্ত্রীলিঙ্গ কৰা হয়। যেনেঃ

| **পুংলিঙ্গ** | **স্ত্রীলিঙ্গ** |
|---|---|
| পাত্ৰ | পাত্ৰী |
| হৰিণ | হৰিণী |
| ব্রাহ্মণ | ব্রাহ্মণী |
| সিংহ | সিংহী |
| ৰাক্ষস | ৰাক্ষসী |
| ভালুক | ভালুকী |
| বৈষ্ণৱ | বৈষ্ণৱী |
| দেৱ | দেৱী |
| গোপ | গোপী |
| ময়ূৰ | ময়ূৰী |
| ছাগল | ছাগলী |
| পাগল | পাগলী |
| কাউৰ | কাউৰী |
| বান্দৰ | বান্দৰী। |



(৩) স্ত্রীলিঙ্গত 'আ' প্রত্যয়যুক্ত 'অক' ভাগান্ত শব্দৰ 'অক'ৰ ঠাইত 'ইক' হৈ স্ত্রী লিঙ্গ হয়। যেনেঃ

| **পুংলিঙ্গ** | **স্ত্রীলিঙ্গ** |
|---|---|
| বালক | বালিকা |
| পাঠক | পাঠিকা |
| লেখক | লেখিকা |
| গ্রাহক | গ্রাহিকা |
| অধ্যাপক | অধ্যাপিকা |
| সেৱক | সেৱিকা |
| নায়ক | নায়িকা |
| গায়ক | গায়িকা |
| সম্পাদক | সম্পাদিকা |
| সাধক | সাধিকা |

(৪) আ-কাৰান্ত পুংলিঙ্গবাচক শব্দত (গুণ, জাতি, সম্বন্ধবাচক শব্দৰ ক্ষেত্রত) 'ঈ' প্রত্যয় যোগ কৰি স্ত্রীলিঙ্গ কৰা হয়। যেনেঃ

| **পুংলিঙ্গ** | **স্ত্রীলিঙ্গ** |
|---|---|
| বেটা | বেটী |
| মামা | মামী |
| কণা | কাণী |
| ঠেঙুলা | ঠেঙুলী |
| ক'লা | ক'লী |
| মহা | মাহী |
| পঠা | পাঠী |
| বৰা | বৰানী |
| কান্দুৰা | কান্দুৰী |
| বেঙা | বেঙী |
| অজলা | আজলী |
| বগা | বগী |
| লোধোমা | লুধুমী |
| আঁকৰা | আঁকৰী |

(৫) পদবী, জাতি, সম্প্রদায়সূচক শব্দত 'অনী' প্রত্যয় যোগ কৰি স্ত্রীলিঙ্গ

কৰা হয়। যেনে ঃ

| পুংলিঙ্গ | স্ত্ৰীলিঙ্গ |
|---|---|
| বৰুৱা | বৰুৱানী |
| শইকীয়া | শইকীয়ানী |
| মাষ্টৰ | মাষ্টৰনী |
| কলিতা | কলিতানী |
| মেতৰ | মেতৰনী |
| আহোম | আহোমনী |
| বাঢ়ৈ | বাঢ়ৈয়নী |
| নাপিত | নাপিতনী |
| চাকৰ | চাকৰনী |
| কায়স্থ | কায়স্থনী |
| ফুকন | ফুকননী |
| ডাক্তৰ | ডাক্তৰনী |

(৬) কিছুমান পদবী, জাতি, সম্প্ৰদায়সূচক পুংলিঙ্গ শব্দত 'অনী'ৰ পৰিবৰ্তে 'ইনী' প্ৰত্যয় যোগ কৰি স্ত্ৰীলিঙ্গ কৰা হয়। যেনে ঃ

| পুংলিঙ্গ | স্ত্ৰীলিঙ্গ |
|---|---|
| গোপ | গোপিনী |
| নাগ | নাগিনী |
| হাঁহ | হাঁহিনী |
| বাঘ | বাঘিনী |
| ৰাক্ষস | ৰাক্ষসিনী |
| শিয়াল | শিয়ালী |

(৭) পুংলিঙ্গ শব্দৰ পৰৱৰ্তী অংশত 'ৱন্ত', 'ৱান', 'মন্ত', 'মান', আৰু 'ইয়স' থাকিলে ক্ৰমে 'ৱতী', 'ৱন্তী', 'মতী', আৰু 'ঈয়স' যোগ কৰি স্ত্ৰীলিঙ্গ কৰা হয়। যেনে ঃ

| পুংলিঙ্গ | স্ত্ৰীলিঙ্গ |
|---|---|
| শ্ৰীমান | শ্ৰীমতী |
| ভাগ্যৱান | ভাগ্যৱতী |
| গুণৱান | গুণৱতী |
| গুণৱন্ত | গুণৱন্তী |
| মহীয়স | মহীয়সী |
| ৰূপৱান | ৰূপৱতী |
| ৰূপৱন্ত | ৰূপৱন্তী |
| গৰিয়স | গৰিয়সী |
| প্ৰেয়স | প্ৰেয়সী |
| পুত্ৰৱান | পুত্ৰৱতী। |



(৮) লিঙ্গসূচক শব্দৰ আগত 'মতা' আৰু 'মাইকী' শব্দ বহুৱাই পুংলিঙ্গ আৰু স্ত্ৰীলিঙ্গ কৰা হয়।। যেনে ঃ

| পুংলিঙ্গ | স্ত্ৰীলিঙ্গ |
|---|---|
| মতা গৰু | মাইকী গৰু |
| মতা কুকুৰ | মাইকী কুকুৰ |
| মতা হাতী | মাইকী হাতী |
| মতা মানুহ | মাইকী মানুহ |
| মতা সন্তান | মাইকী সন্তান |
| মতা হাঁহ | মাইকী হাঁহ |
| মতা বন্ধু | মাইকী বন্ধু |
| মতা সিংহ | মাইকী সিংহ |
| মতা বাঘ | মাইকী বাঘ |
| মতা ঘোঁৰা | মাইকী ঘোঁৰা। |

(৯) লিঙ্গসূচক শব্দৰ পাচত 'টো' আৰু 'জন' শব্দ বহুৱাই পুংলিঙ্গ আৰু 'জনী' যোগ কৰি স্ত্ৰীলিঙ্গ কৰা হয়। যেনে ঃ

| পুংলিঙ্গ | স্ত্ৰীলিঙ্গ |
|---|---|
| মানুহজন | মানুহজনী |
| গৰুটো | গৰুজনী |
| ঘোঁৰাটো | ঘোঁৰাজনী |
| হাঁহটো | হাঁহজনী |
| কুকুৰটো | কুকুৰজনী। |

(১০) হ্ৰস্ব ই-কাৰান্ত শব্দ দীৰ্ঘ ঈ- কাৰান্ত কৰি স্ত্ৰীলিঙ্গ কৰা হয়। যেনে ঃ

| পুংলিঙ্গ | স্ত্ৰীলিঙ্গ |
|---|---|
| শিপিনি | শিপিনী |
| ৰান্ধনি | ৰান্ধনী |
| সখি | সখী |
| মঙ্গলতি | মঙ্গলতী। |

(১১) কিছুমান লিঙ্গসূচক শব্দৰ লগত 'আনী' প্ৰত্যয় যোগ কৰি স্ত্ৰীলিঙ্গ কৰা হয়। যেনে ঃ

| পুংলিঙ্গ | স্ত্রীলিঙ্গ |
|---|---|
| ক্ষত্রিয় | ক্ষত্রিয়ানী |
| মাতুল | মাতুলানী |
| হিম | হিমানী |
| ডাঙৰীয়া | ডাঙৰীয়ানী |
| উপাধ্যায় | উপাধ্যায়ানী |
| ৰুদ্ৰ | ৰুদ্ৰানী |
| আচাৰ্য | আচাৰ্যানী |
| ইন্দ্ৰ | ইন্দ্ৰানী |

(৮) কিছুমান ক্ষেত্ৰত বেলেগ বেলেগ শব্দ ব্যৱহাৰ কৰি পুংলিঙ্গ আৰু স্ত্ৰীলিংগ কৰা হয়। যেনে ঃ

| পুংলিঙ্গ | স্ত্রীলিঙ্গ |
|---|---|
| নেতা | নেতৃ |
| মুনিহ | তিৰোতা |
| পতি | পত্নী |
| পুৰুষ | স্ত্ৰী, মহিলা |
| ভাই | ভনী, ভগ্নী |
| ঘোঁৰা | ঘোঁৰী |
| বন্দী | বেটী |
| সভাপতি | সভানেত্ৰী |
| মোমাই | মামী |
| বিয়ৈ | বিয়নী |
| নৰ | নাৰী |
| পৈ | ঘৈনী |
| বোন্দা | জাঁই |
| চাহাব | মেম |
| আতা | আবু |
| ল'ৰা | ছোৱালী |
| পুতেক | জীয়েক |
| ডেকা | গাভৰু |
| দমৰা | চেউৰী / দামুৰী। |
| ভিনীহি | বাইদেউ |
| ককাই | বৌ |
| পিতা | মাতা |
| শৰ | ভেলেঙী |
| গিৰিয়েক | ঘৈনীয়েক |
| পিতৃ | মাতৃ |
| ককা | আইতা |
| মৰদ | তিৰী |
| দতাঁল | মাখুন্দী |
| শহুৰ | শাহু |
| তাৱৈ | আমৈ |
| স্বামী | স্ত্ৰী |
| সি | তাই |
| দেওৰ | ননদ |
| গঁগৈ | আইচু |
| বলদ | গাই |
| পুথাও | এনাই |
| দৰা | কন্যা। |



## অনুশীলনী

(১) লিঙ্গ কাক বোলে ?

(২) লিঙ্গ কেইবিধ আৰু কি কি ?

(৩) তলত দিয়া শব্দবোৰৰ লিঙ্গ পৰিবৰ্তন কৰা ঃ

মতা, লেখক, কণা, দৰা, সি, পত্নী, সাধু, পাগলী, সৎ, নায়িকা, গায়ক, শহুৰ, ৰাণী, ভাই, খুৰী, মহা, সভাপতি, মৰদ, আচাৰ্য, দতাঁল, তাৱৈ, চাহাব, ভিনীহ, সখী, শিপিনী।

০ ০ ০

## অধ্যায়- ১০

# যতি বা বিৰাম চিনৰ ব্যৱহাৰ

আমি কথা কওঁতে বা লিখোতে বাক্যৰ ভাব বা অৰ্থ অধিক বোধগম্য কৰি তুলিবৰ বাবে মাজে মাজে বিৰতি লওঁ। সেই বিৰতি কেতিয়াবা কম সময় লওঁ আৰু কেতিয়াবা বেছি সময় লওঁ। লিখিত ৰূপত সেই বিৰতি বুজাবলৈ কিছুমান চিন ব্যৱহাৰ কৰা হয় তাক **যতি চিন (Punctuation)** বুলি কোৱা হয়। যতি চিনে বাক্য এটিক অধিক বোধগম্য, স্পষ্ট, সাৱলীল আৰু অৰ্থপূৰ্ণ কৰি তোলে। যতি চিন কেইবাটাও আছে, যেনে ঃ

(১) দাঁৰি ( । )
(২) কমা (,)
(৩) ছেমি কলন (;)
(৪) কলন (:)
(৫) প্ৰশ্নবোধক চিন ( ? )
(৬) ভাববোধক চিন (!)
(৭) হাইফেন (-)
(৮) ড্যাচ (—)
(৯) উৰ্দ্ধকমা ( “—” )
(১০) বন্ধনী () ।

তলত এইবোৰৰ ব্যৱহাৰ আলোচনা কৰা হ'ল।

### (১) দাঁৰি ( । )

কোনো এটি বাক্য সম্পূৰ্ণ হোৱাৰ পিছত দাঁৰি ( । ) ব্যৱহাৰ কৰা হয়। ই হৈছে আটাইতকৈ দীৰ্ঘ সময় বিৰতিৰ চিন। যেনে ঃ

মই কামটো কৰিলোঁ।
সিহঁতে আজি তালৈ নাযায়।
ৰাণীয়ে কিতাপ পঢ়িছে।
সি এতিয়াই আহিব।



### (২) কমা (,)

পঢ়োতে বা লিখোতে এটা বৰ্ণ উচ্চাৰণ কৰিবলৈ আৱশ্যক হোৱা সময় বিৰতিৰ ক্ষেত্ৰত কমা (,) ব্যৱহাৰ কৰা হয়। কমাক লঘু যতি বুলিও কোৱা হয়। ই সদায় বাক্য এটাৰ ভিতৰত আবদ্ধ থাকে। ই হৈছে আটাইতকৈ কম সময় বিৰতিৰ চিন। তলত দিয়া ক্ষেত্ৰত এই চিন ব্যৱহাৰ কৰা হয়।

(ক) একে জাতীয় শব্দৰ তিনিটা বা তাতকৈ বেছি শব্দক এটাক আনটোৰ পৰা পৃথক কৰিবলৈ কমা ব্যৱহাৰ হয় আৰু শেষৰ শব্দ দুটাক ‘আৰু’ ৰে সংযোগ কৰা হয়। যেনে —

হৰেন, নগেন আৰু মৃগেন বন্ধু।
ইংলণ্ড, জাপান, জাৰ্মান আৰু ইৰাক চহকী দেশ।

(খ) ‘আৰু’ ৰ দ্বাৰা সংযোগ হোৱা কেইবাটাও শব্দ সমষ্টিৰ (pair of words) মাজত কমা বহে। যেনে —

উচ্চ আৰু নীচ, জ্ঞানী আৰু মূৰ্খ, ধনী আৰু দুখীয়া সকলোৱে এদিন মৰিব লাগিব।

উক্ত বাক্যটোত (i) উচ্চ আৰু নীচ, (ii) জ্ঞানী আৰু মূৰ্খ (iii) ধনী আৰু দুখীয়া এইবোৰ হৈছে যোৰ শব্দ (pair of words) ।

(গ) সম্বোধন পদ (Nominative of Address ) ‘কমা’ৰে পৃথক কৰা হয়। যেনে —

হে ৰাম অকন, ইয়ালৈ আহা।
বন্ধু, তোমাৰ কলম কোনখন ?

(ঘ) একেলগে বহা এটাতকৈ বেছি বিশেষণ বা বিশেষণীয় শব্দ (Adverb or Adverbials )ৰ মাজত কমা বহে। যেনে —

তেতিয়া, অৱশেষত সিদ্ধান্ত লোৱা হ'ল।
সৰ্বশেষত, যদিও সন্ধিয়া হ'ল, মই যাবলৈ ওলালো।

(ঙ) উদ্ধৃতিৰ আগত কমা বহুৱাব লাগে। যেনে —

কনকে ক'লে, “মই স্কুললৈ নাযাওঁ।”
প্লেটোৱে কৈছিল, “পোহৰ ঈশ্বৰৰ ছাঁ।”

(চ) কিছুমান নিৰ্দিষ্ট শব্দ বা শব্দ সমষ্টি যেতিয়া এটা বাক্যত একেলগে বহে তেতিয়া সিহঁতৰ আগত আৰু পিছত কমা বহে। তেনেকুৱা শব্দ কিছুমান হৈছে — *অৱশ্যে, সম্প্ৰতি, সামৰণিত ক'বলৈ গ'লে, প্ৰথমতে, দ্বিতীয়তে, সঁচা কথা ক'বলৈ গ'লে, মুঠতে* ইত্যাদি। যেনে —

মই তোমাক অনুৰোধ কৰো, সঁচা কথা ক'বলৈ গ'লে, তুমি দ্বিতীয়বাৰ ইয়ালৈ নাহিবা।

তেওঁৰ আচৰণ, অৱশ্যে, সন্তোষজনক নাছিল।

(ছ) ব্যক্তি এজনৰ নাম উল্লেখ কৰি পিছত তেওঁৰ বিষয়ে সংক্ষিপ্ত কিছু বৰ্ণনা দি বাক্য এটা সম্পূৰ্ণ কৰিলে সেই ব্যক্তিৰ নামৰ পিছত কমা বহে। যেনে-

কালিদাস, সংস্কৃত কবি, য়ে 'শকুন্তলা' মহাকাব্যখন ৰচনা কৰিছিল।

ছাদ্দাম হুছেইন, ইৰাকৰ প্ৰাক্তন প্ৰেচিডেন্ট, বিংশ শতাব্দীৰ সাহসী একনায়ক আছিল।

(জ) 'হয়', আৰু 'নহয়' ক বাক্যৰ বাকী অংশৰ পৰা পৃথক কৰিবলৈ ইয়াৰ পিছত কমা বহে। যেনে —

হয়, মই তোমাক সহায় কৰিব পাৰোঁ।

নহয়, তুমি আহিব নোঁৱাৰা।

(ঝ) মিশ্ৰ বাক্যত সৰু সৰু খণ্ডবাক্য থাকিলে সিবোৰৰ মাজত কমা বহে। যেনে —

আমি গৈছিলোঁ, ৰামে গৈছিল, আমি আটায়ে গৈছিলোঁ।

মই আহিছিলোঁ, দেখিছিলোঁ, জয় কৰিছিলোঁ।

(ঞ) কোনো বাক্যৰ প্ৰথমতে থকা দীঘল কৰ্তাক ইয়াৰ ক্ৰিয়াৰ পৰা পৃথক কৰিবলৈ কমা ব্যৱহাৰ কৰা হয়। যেনে —

মানুহজন, যিজন যোৱাকালি আহিছিল, মোৰ ককাইদেউ।

সুন্দৰ উপহাৰখন, যিটো ৰাকেশে বিয়াত দিছিল, আটায়ে প্ৰশংসা কৰিছিল।

## (৩) ছেমি কলন (;)

দাৰি (।) তকৈ কম আৰু কমাত (,) তকৈ অলপ বেছি সময় ৰবলৈ ছেমি কলন ( ; ) ব্যৱহাৰ কৰা হয়। ছেমি কলন তলত দিয়া নিয়মানুসৰি ব্যৱহাৰ হয়।

(ক) দুটা বাক্যৰ মাজত পৰস্পৰ সম্পৰ্ক বুজাবলৈ ছেমি কলন ব্যৱহাৰ কৰা হয়। যেনে —

মানুহে পাঙে; ঈশ্বৰে ভাঙে।

আশা আছে; জীৱন আছে।

(খ) একে বিষয়ৰ বিভিন্ন বাক্যক একেলগে সংযোগ কৰিবলৈ ছেমি কলন বহে। যেনে-

তুমি হাস্য ৰসিক; তোমাৰ দাদা গম্ভীৰ।



## (৪) কলন (ঃ)

ছেমি কলনতকৈ বেছি সময় বিৰতি ল'ব লাগিলে কলন (ঃ) ব্যৱহাৰ হয়। তলত উল্লেখ কৰা স্থানত কলনৰ যথাযথ প্ৰয়োগ কৰা হয়। যেনে —

(ক) কিছুমান ঘটনা বা নাম গণনা কৰিবলৈ কলন ব্যৱহাৰ হয়। যেনে-

লক্ষ্মীনাথ বেজবৰুৱাৰ কিছুমান পুথি হ'ল ঃ *সুৰভি, জোন বেলি, কেহোঁকলি, বুঢ়ী আইৰ সাধু* আদি।

(খ) তালিকা (List) উল্লেখ কৰোতে । যেনে —

মোৰ কিছুমান বস্তু লাগে যথা ঃ কিতাপ, কাগজ, কলম, পেঞ্চিল ।

(গ) উদাহৰণ (Example) উল্লেখ কৰিবলৈ। যেনে-

বাক্যত সাধাৰণতে কৰ্তাটো আগত বহে, যেনে ঃ মই ভাত খাওঁ।

(ঘ) আগত উল্লেখ কৰা কোনো ঘটনাৰ ব্যাখ্যা দিবলৈ । যেনে —

তেওঁ আহিব নোৱাৰে, কাৰণ ঃ তেওঁৰ অসুখ।

কোনেও পৰিপূৰ্ণ সাধু নহয় ঃ সকলোৱে ভুল কৰে।

(ঙ) উদ্ধৃতি (Quotation) দিবলৈ । যেনে —

চক্ৰেটিছে কৈছিল ঃ " মানুহ যুক্তিৰ দ্বাৰা পৰিচালিত হ'ব লাগে।"

প্লেটোৱে কৈছিল ঃ "পোহৰ হ'ল ঈশ্বৰৰ ছাঁ।"

(চ) পৰস্পৰ বিৰোধী দুটা ভাবৰ বাক্যৰ মাজত সংযোজক অব্যয় নাথাকিলে। যেনে —

নানা মুনি ঃ নানা মত।

মানুহে পাঙে ঃ ঈশ্বৰে ভাঙে।

(ছ) কোনো কিতাপৰ নামৰ সৈতে লিখকৰ নাম লিখিবলৈ হ'লে লিখকৰ নামৰ পিছত ঃ যেনে —

ৰঘুনাথ চৌধাৰী ঃ *সাদৰি*।

মিল্টন ঃ *পেৰেডাইজ লষ্ট*।

## (৫) প্ৰশ্নবোধক চিন (?)

প্ৰশ্ন সুধিবলৈ প্ৰশ্নবোধক চিন ( '?' ) ব্যৱহাৰ কৰা হয়। যেনে —

ল'ৰাজনৰ নাম কি?

সি কি কৰি আছে?

তাই কোন?

## (৬) ভাববোধক চিন (!)

মনৰ উচ্ছ্বাস, আবেগ বা বিস্ময় প্ৰকাশ কৰিবলৈ ভাববোধক চিন (ঙ্গ)

ব্যৱহাৰ হয়। যেনে —

কি প্ৰকাণ্ড জীৱ!

হায়! তোমাৰ সৰ্বনাশ হ'ল।

বা! আমি খেলত জিকিলোঁ।

কেতিয়াবা সম্বোধন কৰিবলৈ সম্বোধন কৰা ব্যক্তিৰ পিছত ভাববোধক চিন ব্যৱহাৰ কৰা হয়। যেনে -

হেৰি ডাঙৰীয়া! আপোনাৰ ভালনে?

হেৰ বোপাই! অনাই-বনাই ঘূৰি নুফুৰিবা।

জোনমণি! তুমিনো কি কৰিলা?

## (৭) হাইফেন (-)

তলত দিয়া স্থানত হাইফেন (-) ব্যৱহাৰ কৰা হয়।

(ক) কেইবাটাও শব্দৰ যোগত এটা শব্দ (Compound Word) হ'লে হাইফেন (-) ব্যৱহাৰ কৰা হয়। যেনে --

তামোল-পান, খোৰা-লোৰা, ঘৰ-দুৱাৰ, কাঁহি-বাটি, খাল-বিল, কাপোৰ-কানি।

(খ) অনুৰূপ আৰু অনুকাৰ শব্দতো হাইফেন (-) ব্যৱহাৰ কৰা হয়।। যেনে --

মাতা-পিতা, ল'ৰা-ছোৱালী, ভাত-চাত, মাছ-তাচ। ইত্যাদি।

## (৮) ড্যাচ (—)

(ক) হঠাতে বিৰতি বা চিন্তাৰ হঠাৎ পৰিবৰ্তন নিৰ্দ্দেশ কৰিবলৈ ড্যাচ (---) ব্যৱহাৰ কৰা হয়। যেনে-

তোমাৰ কেনে - সি দেখোন কান্দি আছে।

দিবা, নিশি, নিনা -- সকলোৱে তালৈ গৈছে।

(খ) গণনা কৰাৰ আগতে বস্তু সমূহৰ তালিকা দিবলৈ ড্যাচ (----) ব্যৱহাৰ কৰা হয়। যেনে —

মোৰ সকলো আছে - কলম, কাগজ, পেঞ্চিল, ডাষ্টাৰ আদি।

(গ) কথাৰ মাজত উত্তেজনা বা ইতঃস্তত বোধ প্ৰকাশ কৰিবলৈ ড্যাচ (---) ব্যৱহাৰ কৰা হয়। যেনে —

মই চাহ খালোঁ - মই গান গালোঁ - মই ওভতি আহিছিলোঁ।

## (৯) উৰ্দ্ধকমা ("—")



(ক) বক্তাৰ কথাৰ হুবহু বৰ্ণনা দিবলৈ বা উদ্ধৃতি দিবলৈ উৰ্দ্ধকমা ("-") ব্যৱহাৰ হয়। যেনে --

মহাত্মা গান্ধীয়ে কৈছিল, " মানৱ সেৱাই পৰম ধৰ্ম।"

## (১০) বন্ধনী ()

সাধাৰণতে বাক্যৰ ভিতৰত কোনো ভাঙনি, অপৰিচিত শব্দৰ ব্যাখ্যা আদিৰ বাবে বন্ধনী চিন ব্যৱহাৰ কৰা হয়। যেনে ঃ

উপমহাদেশত (বিশেষকৈ ভাৰতত ) বৰ্ণ বৈষম্য অধিক।

তোমাৰ বন্ধু (দেবেন, ৰমেন আৰু হৰেনে) য়ে মোক দেখা কৰিছিল।

## অনুশীলনী

(১) যতি চিন কাক বোলে?

(২) যতি চিনবোৰৰ ব্যৱহাৰ আলোচনা কৰা।

(৩) তলত দিয়া বাক্যবোৰত যতি চিন ব্যৱহাৰ কৰা।

মোৰ নাম নুমান

সিহঁত ভাল ল'ৰা

মোৰ সকলো আছে কিতাপ কলম কাগজ বহী

তেওঁলোকে বল খেলি আছে

বা কি সুন্দৰ বাগিছা

হায় আমাৰ সৰ্বনাশ হ'ল

হেৰা এইপিনে আহা

000

## অধ্যায়- ১১

# বাক সংহতি বা এটা শব্দত প্ৰকাশকৰণ

আমি কথা পাতোঁতে বা লিখোতে ব্যৱহাৰ কৰা বাক্য বা বাক্যৰ অংশক সংক্ষেপ কৰি একোটা শব্দতে প্ৰকাশ কৰিব পাৰোঁ। এনেদৰে বাক্য সংক্ষেপ কৰি এটা শব্দত প্ৰকাশ কৰাকে **বাক সংহতি বা বাক্য সংক্ষেপকৰণ** বোলে। তলত কিছুমান বাক-সংহতিৰ উদাহৰণ দিয়া হ'ল।

যি বিধি সন্মত ঃ বৈধ।
যি বিধি সন্মত নহয় ঃ অবৈধ।
যি ধৰ্ম প্ৰচাৰ কৰে ঃ ধৰ্মপ্ৰচাৰক।
যি ঠাই অতি ঠাণ্ডাও নহয়, গৰমো নহয় ঃ নাতিশীতোষ্ণ।
যি যন্ত্ৰৰ সহায়ত হাতেৰে সূতা কটা হয় ঃ যঁতৰ।
যি একে গোত্ৰৰ ঃ সগোত্ৰ।
যি ক্ষয় হ'বলৈ ধৰিছে ঃ ক্ষয়িষ্ণু।
যি ভৱিষ্যত চিন্তা কৰিব পাৰে ঃ দূৰদৰ্শী।
যি ভৱিষ্যত চিন্তা কৰিব নোৱাৰে ঃ অদূৰদৰ্শী।
যি বাঢ়িবলৈ ধৰিছে ঃ বৰ্দ্ধিষ্ণু।
যি নানা অভাৱত থাকে ঃ অভাৱগ্ৰস্ত, অভাৱী।
যি অলপতে শুনে ঃ শহাকণীয়া।
যি নিয়মমতে খৰচ নকৰে ঃ অমিতব্যয়ী।
যি মানুহ দেশৰ ভক্ত ঃ দেশভক্ত।
যি আনৰ বস্তু বলেৰে কাঢ়ি লয় ঃ ডকাইত।
যি লোকে বিশ্বাস ৰাখিব নোৱাৰে ঃ অবিশ্বাসী।
যি দুয়োটা চকুৰে দেখা নাপায় ঃ অন্ধ।
যি ঈশ্বৰক বিশ্বাস নকৰে ঃ নাস্তিক।
যি ঈশ্বৰক বিশ্বাস কৰে ঃ আস্তিক।
যি পৰৰ ঠাইত বাস কৰে ঃ প্ৰবাসী।
যি মানুহে দেশক ভাল পায় ঃ দেশপ্ৰেমিক।



যি মাটিৰ উৎপাদিকা শক্তি নাই ঃ অনুৰ্বৰ।
যি তিৰোতাই কাপোৰ বব জানে ঃ শিপিনী।
যি মাগি খায় ঃ মগনীয়াৰ।
যি দীৰ্ঘকাল জীয়াই থাকে ঃ দীৰ্ঘজীৱি।
যি নিজৰ ওপৰত নিৰ্ভৰশীল ঃ স্বাৱলম্বী, আত্মনিৰ্ভৰশীল।
যি পৰৰ ওপৰত নিৰ্ভৰশীল ঃ পৰনিৰ্ভৰশীল।
যি বস্তু দিব পৰা নাযায় ঃ অদেয়।
যি কথা জনা নাযায় ঃ অজ্ঞাত, অজানিত।
যি গুণীৰ গুণ বুজিব পাৰে ঃ গুণগ্ৰাহী।
যি বিদেশৰ পৰা আহে ঃ বিদেশী।
যি জন সাহিত্যত সম্ৰাট ঃ সাহিত্য সম্ৰাট।
যি মাটিত সাৰ নাই ঃ অসাৰুৱা।
যি কথাৰ অৰ্থ নাই ঃ অৰ্থহীন, নিৰৰ্থক।
যি জন কৰ্মত বীৰৰ তুল্য ঃ কৰ্মবীৰ।
যি আনৰ অধীন নহয় ঃ স্বাধীন।
যিজনে আনৰ ভাল দেখিব নোৱাৰে ঃ চকু-চৰহা, পৰশ্ৰীকাতৰ।
যি আনৰ অধীন ঃ পৰাধীন।
যি আনৰ মুখলৈ বাট চাই থাকে ঃ পৰমুখাপেক্ষী।
যি পথৰ পৰা বিচলিত হৈছে ঃ পথভ্ৰষ্ট।
যি দেশৰ বাবে মৃত্যু বৰণ কৰে ঃ শ্বহীদ।
যি জন্তু ঘৰত পোহা হয় ঃ পোহনীয়া।
যি অতিশয় দীঘল নহয় ঃ নাতিদীৰ্ঘ।
যি জুইত পুৰি নাযায় বা দাহ নহয় ঃ অদাহ্য।
যি আগেয়ে শুনা নাই ঃ অশ্ৰুতপূৰ্ব।
যি ঘটনা আগেয়ে ঘটা নাই ঃ অভূতপূৰ্ব।
যি চিঠি বিলায় ঃ পিয়ন।
যি জনে বিয়া কৰোৱা নাই ঃ আবিয়ৈ, অবিবাহিত।
যি উপকাৰীৰ উপকাৰ স্বীকাৰ কৰে ঃ কৃতজ্ঞ।
যি উপকাৰীৰ উপকাৰ স্বীকাৰ নকৰে ঃ কৃতঘ্ন, অকৃতজ্ঞ।
যি কষ্ট সহিব পাৰে ঃ কষ্টসহিষ্ণু।
যি সহজতে লাভ কৰিব পাৰি ঃ সহজলব্য, সুলভ, অনায়াসলব্ধ।
যি মাতৃৰ মাত্ৰ এটাহে সন্তান ঃ কাকবন্ধা।
যি অনুষ্ঠান শৰৎ কালত হয় ঃ শাৰদীয়।

যি মিছা কথা কয় ঃ মিছলীয়া।
যি কৰ্তব্য স্থিৰ কৰিব নোৱাৰে ঃ হতবুদ্ধি, কিংকৰ্তব্যবিমূঢ়।
যি নিজক নিজে পণ্ডিত বুলি ভাবে ঃ পণ্ডিতমন্য।
যি পুৰুষৰ ঘৈনীয়েক মৰিছে ঃ বৰলা, বিপত্নীক।
যি তিৰোতাৰ স্বামী মৰিছে ঃ বাঁৰী, বিধৱা।
যি ইন্দ্ৰিয় জয় কৰিব পাৰে ঃ জিতেন্দ্ৰিয়।
যি সহজতে জীণ নাযায় ঃ দুষ্পাচ্য, গুৰুপাকী।
যি তিৰোতাই ধান ৰোৱে ঃ ৰোৱনী।
যি তিৰোতাই ধান ধায় ঃ দাৱনী।
যি সঁচা কথা কয় ঃ সত্যবাদী।
যি নিশাহে চৰে ঃ নিশাচৰ।
যি ঠাই অতি কষ্টেৰে লংঘন কৰা যায় ঃ দুৰ্লংঘ।
যি এটা চকুৰে নেদেখে ঃ কণা।
যি দুই হাত সমানে চলাব পাৰে ঃ সব্যসাচী।
যি আনফালে মন দিয়ে ঃ অন্যমনস্ক।
যি নিজে নিজে হয় ঃ স্বয়ম্ভূ।
যি ততালিকে বুদ্ধি উলিয়াব পাৰে ঃ প্ৰত্যুৎপন্নমতি।
যি বিপ্লৱ কৰে ঃ বিপ্লৱী।
যি কথা লগাই ফুৰে ঃ টুটকীয়া /খলুৱা।
যি গাড়ী চলায় ঃ গাড়োৱান।
যি কোনো কাম কৰিব নোৱাৰে ঃ অকৰ্মণ্য, অসাঁঠন।
যি কথা কোৱা উচিত নহয় ঃ অকথনীয়, অকথ্য।
যি যোগৰ পৰা ভ্ৰষ্ট হৈছে ঃ যোগভ্ৰষ্ট।
যি অলপতে ভয় খায় ঃ ভয়াতুৰ।
যি একো নাজানে ঃ অজ্ঞ।
যি ভাষাত পাৰ্গত ঃ ভাষাবিধ।
যি শিৱক উপাসনা কৰে ঃ শৈৱ।
যি শক্তিক উপাসনা কৰে ঃ শাক্ত।
যি বিষ্ণুক উপাসনা কৰে ঃ বৈষ্ণৱ।
যি সহ্য কৰিব পাৰে ঃ সহিষ্ণু ।
যি গোচৰ তৰে ঃ গোচৰীয়া।
যি নিয়ম মতে খৰচ কৰে ঃ মিতব্যয়ী।
যি মৰে মৰো অৱস্থা হৈছে ঃ মুমূৰ্ষু।



যি মাছ-মাংস নাখায় ঃ নিৰামিষাহাৰী।
যি মাছ-মাংস খায় ঃ আমিষাহাৰী।
যি ধন খৰচ নকৰে ঃ কৃপণ।
যি মাটি ফুটি ওলায় ঃ উদ্ভিদ।
যি পৰিণাম চিন্তা কৰি কাম কৰে ঃ পৰিণামদৰ্শী।
যি জানিব খোজে বা জানিবলৈ আগ্ৰহী ঃ জিজ্ঞাসু।
যি কাৰো পক্ষৰ বা ফলীয়া নহয় ঃ নিৰপেক্ষ।
যি অনাই-বনাই ঘূৰি ফুৰে ঃ যাযাবৰ।
যি সমাপ্ত হোৱা নাই ঃ অসমাপ্ত।
যি নিজৰ পেটলৈহে চিন্তা কৰে ঃ আপোনপেটীয়া, স্বাৰ্থপৰ।
যি কণীৰ পৰা জন্মে ঃ অণ্ডজ।
যি একেলগে পঢ়ে ঃ সহপাঠী।
যি কথা বিশ্বাস কৰিব নোৱাৰি ঃ অবিশ্বাস্য।
ঘাঁহেৰে ভৰা ঠাই ঃ ঘাঁহনি।
য'লৈ যোৱা কষ্টসাধ্য ঃ দুৰ্গম।
গোটেই জীৱন জুৰি ঃ আজীৱন।
য'ত বহুত মানুহ বাস কৰে ঃ জনবহুল।
যাৰ ওচৰত গোচৰ তৰে ঃ পদকীয়া ।
মেলত যি পাৰ্গত ঃ মেলেকী।
যাক সহজতে লাভ কৰিব নোৱাৰি ঃ দুৰ্লভ।
নোহোৱা বস্তু উদ্ভাৱন কৰোতা ঃ আৱিষ্কাৰক, উদ্ভাৱক।
যাৰ বল আছে ঃ বলী।
চেলেকি খোৱা বস্তু ঃ লেহ্য
যাক সহজে ভেদ কৰিব নোৱাৰি ঃ দুৰ্ভেদ্য।
পি খোৱা বস্তু ঃ পেয়।
যাৰ কথাৰ সাঁচ নাই ঃ লপা।
খাবলৈ অনা কল পুলি ঃ পচলা।
কলেৰে ভৰা ঠাই ঃ কলনি।
কাণেৰে নুশুনা মানুহ ঃ কলা।
গৰু বন্ধা ঠাই ঃ গোহালি।
ম'হ বন্ধা ঠাই ঃ খুঁটি।
ঠেং নোহোৱা ভেকুলী পোৱালি ঃ লালুকী।
মাটিৰ নিচেই সৰু টেকেলি ঃ ভুৰুকা।

আনৰ দোষ দেখা স্বভাৱ ঃ অসূয়া।
খাৰণি মৰা সৰিয়হ গুৰি ঃ খাঁৰলি, বেহুৰা।
বিজুৰ আগদিনা ঃ উৰুকা।
যাক লংঘন কৰিব নোৱাৰি ঃ অলংঘ্যনীয়।
বৰষুণ নোহোৱা বতৰ ঃ খৰাং।
বনত থকা জন্তু বা বস্তু ঃ বনৰীয়া।
গধূলি চকুৰে যি নেদেখে ঃ কুকুৰীকণা ।
যাৰ একোৱেই নাই ঃ নিঃস্ব, অকিঞ্চন।
যাৰ নাম ৰাতিপুৱাই স্মৰণ কৰা উচিত ঃ প্ৰাতঃস্মৰণীয়।
যাক সহজে বুজিব পৰা যায় ঃ সহজবোধ্য।
যাক বুজিব পাৰি ঃ বোধগম্য।
ঘৰত থকা জন্তু ঃ ঘৰচীয়া।
এক ঠাইতে থিতাপি নথকা মানুহ ঃ অঘৰী।
হঠাতে হোৱা ঘটনা ঃ আকস্মিক ।
ৰং আছে য'ত ঃ ৰঙালী।
বটা সৰিয়হৰে কৰা চাটনি ঃ কাহুঁদী।
সাহ আছে যাৰ ঃ সাহসী, সাহিয়াল।
লোকৰ পৰা পোৱা নিন্দা ঃ লোকনিন্দা।
লোকক দেখি পিছে পিছে যোৱা ঃ অনুসৰণ।
লোকক দেখি পাছত যি কৰা হয় ঃ অনুকৰণ।
যাৰ পিতৃ-মাতৃ দুয়ো মৰিছে ঃ ঘাট- মাউৰা।
য'ত বহুতো ল'ৰা-ছোৱালী পঢ়ে ঃ বিদ্যালয়, পঢ়াশালি।
স্বামী থকা তিৰোতা ঃ আয়তী, সধবা।
একে সময়তে হোৱা ঃ সমসাময়িক।
এবাৰ গুটি লাগি মৰা গছ ঃ ওখধি।
একে মাকৰ সন্তান ঃ সোদৰ, সহোদৰ।
মাটিৰে যি নিৰ্মিত ঃ মৃণ্ময়।
জুই ৰখা ঠাই ঃ জুহাল।
সোণৰ দৰে বৰণ যাৰ ঃ সোণালী, সোণোৱালী।
ৰূপৰ দৰে বৰণ যাৰ ঃ ৰূপালী, ৰূপোৱালী।
ভোগ আছে য'ত ঃ ভোগালী।
ৰন্ধা-বঢ়া কৰা ঠাই ঃ ৰান্ধনি-শাল।
মিহি নোহোৱা আধাখুন্দা গুড়ি ঃ খৰচি।



বাঁহ-গাজ খুন্দি তৈয়াৰ কৰা খাদ্য ঃ খৰিচা।
পনীয়া গাখীৰ দিয়া গাই ঃ জলাহী।
যাৰ হাত আঁঠুৰ তললৈকে পৰা ঃ আজানুলম্বিত।
যাৰ মৰণ নাই ঃ অমৰ।
যাৰ আশ্ৰয় নাই ঃ নিৰাশ্ৰয়া।
য'ত কোনো মানুহ নাই ঃ জনশূন্য।
যাৰ সীমা আছে বা যি সীমাবদ্ধ ঃ সসীম।
যাৰ অন্ত নাই ঃ অনন্ত।
যাৰ আগমন আহ্বান কৰা হয় ঃ স্বাগত।
যাক বধ কৰা অনুচিত ঃ অবধ্য।
একেজন গুৰুৰ শিষ্য ঃ সতীৰ্থ, হৰিভকত।
কোনো কথাৰ নিশ্চয় কৰিবলৈ পঠোৱা মানুহ ঃ সঁজাতী।
মাগিলেও ভিক্ষা নোপোৱা সময় ঃ দুৰ্ভিক্ষ।
যিটো সুধিবলগীয়া ঃ জিজ্ঞাস্য।
নাম নিদিয়াকৈ দিয়া চিঠি ঃ বেনামী।
যাৰ নাম নাই ঃ অনামী।
জন্তুৰ নিচিনা ঃ জান্তৱ।
ধান থোৱা ঘৰ ঃ ভঁৰাল।
যাৰ পূৰ্বজন্মৰ কথা মনত আছে ঃ জাতিস্মৰ।
যাৰ মূৰত চুলি নাই ঃ তপা।
যাক নিবাৰণ কৰিব নোৱাৰি ঃ অনিবাৰ্য।
যাৰ ধৰ্মলৈ ভয় আছে ঃ ধৰ্মভীৰু।
যাক সহজে ভাঙিব পাৰি ঃ ভংগুৰ।
দৰ্মহা নোলোৱাকৈ কৰা কাম ঃ অবৈতনিক।
কোনো কাৰ্য কৰিবলৈ স্থিৰ কৰা ঃ কৃতসংকল্প।
কাৰো নাম নধৰাকৈ পৰা গালি ঃ গুৱাল-গালি।
যাৰ ধাৰ আছে ঃ ধৰুৱা।
যাক বধ কৰা উচিত ঃ বধ্য।
নাও চলোৱা লোক ঃ নাৱৰীয়া।
বাটেদি যোৱা লোক ঃ বাটৰুৱা।
গৰুৰে টনা গাড়ী ঃ গৰুগাড়ী।
শাক-পাচলিৰ খেতি কৰা স্থান ঃ শাকনি।
য'ত তিনিটা আলি লগ লাগে ঃ তিনিআলি।

যাৰ বল আছে ঃ বলী।
ধানৰ বাকলি ঃ তুঁহ।
গাৱঁৰ মুৰব্বীঃ গাওঁবুঢ়া।
যাৰ আত্মা মহান ঃ মহাত্মা।
কাঁহৰ বাচন গঢ়োতা ঃ কঁহাৰ।
মাটিৰ বাচন গঢ়োতা ঃ কমাৰ।
পানী আৰু বাম উভয়তে চৰা জীৱ ঃ উভচৰ।
পুৰণি বস্তু সংগ্ৰহ কৰি ৰখা ঠাই ঃ সংগ্ৰহালয়।
শাৰীৰিক আৰু মানসিকভাবে বাধাপ্ৰাপ্ত লোক ঃ প্ৰতিবন্ধী।
গৰুৰ গাড়ী চলোৱা মানুহ ঃ গাড়োৱান।
যাক দমন কৰিব নোৱাৰি ঃ অদমনীয়।
সোণৰ অলংকাৰ গঢ়োতা ঃ সোণাৰী।
গছত উঠিবলৈ ব্যৱহাৰ কৰা সঁজুলি ঃ জখলা।
কথা ক'ব নোৱাৰা ঃ মূক।
জীৱনী শক্তি দান কৰা ঔষধ ঃ সঞ্জীৱনী।
কাপোৰ চিলাই কৰা মানুহ ঃ দৰ্জী।
সিংহৰ ডিঙিৰ দীঘল নোম ঃ কেশৰ।
চালৰ পৰা পানী পৰা ঠাই ঃ পানীপতা।
প্ৰাণক পণ কৰি ঃ প্ৰাণপণে।
চোবাই খোৱা যি বস্তু ঃ চৰ্ব্য।
যাৰ সকলো বস্তু আঁটাকৈ আছে ঃ আটন্তিয়াৰ।
যাৰ ঋণ আছে ঃ ঋণী।
এটা সন্তান জন্ম হোৱাৰ পৰা আন এটা জন্ম হোৱালৈ সময় ঃ আনজ।
যাক মূল্য দি কিনিব নোৱাৰি ঃ অমূল্য।
যাৰ বিবেচনা শক্তি নাই ঃ অবিবেচক।
যাক কল্পনা কৰিব নোৱাৰি ঃ কাল্পনাতীত, অকল্পনীয়।
বধ কৰিবৰ ইচ্ছা ঃ জিঘাংসা।
যাক পৰিত্যাগ কৰিব নোৱাৰি ঃ অপৰিহাৰ্য, অপৰিত্যাজ্য।
যাক বৰ্ণনা কৰিব নোৱাৰি ঃ অবৰ্ণনীয়।
যাৰ আদি নাই ঃ অনাদি।
লোৰ সঁজুলি গঢ়োতা ঃ কমাৰ।

000



## অধ্যায়- ১২

# প্ৰতিশব্দ বা সমাৰ্থক শব্দ

অসমীয়া ভাষাত এনে বহুতো শব্দ আছে যিবোৰ অৰ্থৰ পিনৰ পৰা প্ৰায় সমধৰ্মীয়। এনে সমধৰ্মীয় অৰ্থ থকা শব্দবোৰক প্ৰতিশব্দ বা সমাৰ্থক শব্দ (Synonyms) বোলে।

তলত কিছুমান সমাৰ্থক শব্দৰ তালিকা দিয়া হ'ল।

**অমৃত** ঃ পীযুষ, সুধা আদি।
**অন্ধকাৰ** ঃ নিশি, তমঃ, তিমিৰ, আন্ধাৰ আদি।
**আৰ্হি** ঃ চানেকী, আদৰ্শ, উদাহৰণ, পটন্তৰ আদি।
**আকাশ** ঃ গগন, নীলিমা, শূন্য, বেয়াম, দিগন্ত আদি।
**আধুনিক** ঃ নতুন, অৰ্বাচীন আদি।
**ইচ্ছা** ঃ হাবিয়াস, আগ্ৰহ, অভিপ্ৰায়, আকাঙ্খা, অভিলাস, কামনা, বাঞ্ছা, স্পৃহা আদি।
**ইন্দ্ৰ** ঃ শশীপতি, বাসৱ, দেৱৰাজ, সহস্ৰলোচন,আদি।
**ঈশ্বৰ** ঃ ঈশ, পতিত-পাৱন, নাৰয়ণ, হৰি, বিষ্ণু, পৰম পিতা, জগত স্ৰষ্টা, ইলা, বিধাতা, ভগৱান, প্ৰভু, পৰমেশ্বৰ, জগতপতি, ধাতা, কৰুণাময়, দীনবন্ধু, পৰাৎপৰ, দয়াময় আদি।
**উত্তম** ঃ শ্ৰেষ্ঠ, উৎকৃষ্ট, ভাল, সুন্দৰ আদি।
**উষা** ঃ ৰাতিপুৱা, প্ৰাতঃ আদি।
**জুই** ঃ বহ্নি, অনল, অগ্নি, হুতাশন, পাৱক আদি।
**মেঘ** ঃ ডাৱৰ, জলধৰ, নীৰদ, জলদ, বাৰিদ আদি।
**চকু** ঃ নেত্ৰ, নয়ন, অক্ষি, লোচন আদি।
**বতাহ** ঃ সমীৰ, সমীৰণ, পৱন, অনিল, মলয়া, বায়ু, আদি।
**লাঠি** ঃ টোকোন, টাঙোন, লাখুটি আদি।
সূৰ্য ঃ দিবাকৰ, দিননাথ, অৰুণ, ভানু, ভাস্কৰ, আদিত্য, মিহিৰ, তপন, অংশুমালী, প্ৰভাকৰ, দিনবন্ধু, সবিতা, মাৰ্কণ্ড, ৰবি, বেলি, দিনকৰ আদি।

| | | |
|---|---|---|
| **বন** | ঃ হাবি, জঙ্গল, অৰণ্য আদি। |
| **হাতী** | ঃ ঐৰাৱত, মাতঙ্গ, কৰী, গজ, কুঞ্জৰ, হস্তী আদি। |
| **ছিদ্ৰ** | ঃ বিন্ধা, ফুটা, জলঙা আদি। |
| **বন্ধু** | ঃ মিত্ৰ, মিতা, লগৰীয়া, সহচৰ, সুহৃদ, বান্ধৈ, বান্ধৱ, সখা, আদি। |
| **ঘৰ** | ঃ গৃহ, ভৱন, নিলয়, আলয় আদি। |
| **নদী** | ঃ নৈ, তটিনী, স্ৰোতস্বিনী, তৰঙ্গিনী, প্ৰৱাহিনী, সৰিৎ আদি। |
| **পৰ্ব্বত** | ঃ অচল, গিৰি, অদ্ৰি, শৈল আদি। |
| **প্ৰতিজ্ঞা** | ঃ পণ, অঙ্গীকাৰ, সংকল্পবদ্ধ আদি। |
| **পদ্ধতি** | ঃ প্ৰথা, নিয়ম, প্ৰণালী আদি। |
| **প্ৰাচীৰ** | ঃ দেৱাল, বেৰ আদি। |
| **পদ্ম** | ঃ অব্জ, সৰজিত, সৰোজ, নীৰজ, কমলিনী, নলিনী, অৰবিন্দ, পঙ্কজ, শতপত্ৰ, শতদল, পদুম, কমল, উৎপল আদি। |
| **পণ্ডিত** | ঃ বিজ্ঞ, সুধী, মনীষী, বিদ্বান, প্ৰাজ্ঞ আদি। |
| **পতি** | ঃস্বামী, নাথ, ভতৰা, ভাতাৰ, দৰা, প্ৰভু, কান্তা, অধীশ্বৰ, কৰ্ত্তা আদি। |
| **পৃথিৱী** | ঃ ধৰিত্ৰী, বসুমতী, ধৰণী, মহী, মেদিনী, বসুন্ধৰা, ক্ষিতি, অৱনী, ভূ, ধৰা আদি। |
| **পটু** | ঃ নিপুণ, কৌশলী, পাৰ্গত, পাকৈত আদি। |
| **প্ৰকাণ্ড** | ঃ ডাঙৰ, বৃহৎ, বৰ আদি। |
| **প্ৰসিদ্ধ** | ঃ খ্যাতিমান, জনাজাত, বিখ্যাত, প্ৰখ্যাত, সুখ্যাত আদি। |
| **চন্দ্ৰ** | ঃ শশী, শশধৰ, নিশাপতি, জোন, জোনবাই, নিশাকৰ, সুধাকৰ, শুধাংসু আদি। |
| **ৰাতি** | ঃ নিশা, ৰজনী, যামিনী, বিভাৱৰী আদি। |
| **তেজ** | ঃ শোণিত, ৰক্ত আদি। |
| **ঐশ্বৰ্য** | ঃ বৈভৱ, সম্পদ, ধন, বিভূতি আদি। |
| **শঙ্কৰ** | ঃ শিৱ, ভোলানাথ, মহাদেৱ, ত্ৰিনয়ন, ত্ৰিলোচন, চন্দ্ৰশেখৰ, দিগম্বৰ, হৰ, গিৰীশ আদি। |
| **লোহিত** | ঃ মহাবাহু, পদ্মা, লুইত, ব্ৰহ্মপুত্ৰ, বৰনদী, আদি। |
| **ললিত** | ঃ সুন্দৰ, ধুনীয়া, শুৱনি, মনোমোহা, সুৱদি আদি। |
| **ৰং** | ঃ আনন্দ, বিনোদ, হৰ্ষ, স্ফূৰ্তি, সন্তোষ, পুলক, উল্লাস, বিনন্দ, বিনন্দীয়া আদি। |
| **ৰমনী** | ঃ তিৰোতা, বণিতা, অঙ্গনা, অৱলা, নাৰী, স্ত্ৰী, মহিলা, আদি। |
| **শ্ৰীকৃষ্ণ** | ঃ কানাই, দৈৱকীনন্দন, যদুপতি, বাসুদেৱ, যাদৱ, মাধৱ, ভগৱান, নাৰায়ণ, হৰি আদি। |
| **গঙ্গা** | ঃ জাহ্নবী, ভাগিৰথী, পদ্মা আদি। |
| **ঠগী** | ঃ শৰাই, নৈবেদ্য আদি। |
| **জননী** | ঃ আই, মাতৃ, মা আদি। |
| **দুৰ্গা** | ঃ কমলা, ভগৱতী, পদ্মাৱতী, বিষহৰি, মিনাক্ষী, সন্তোষী, মাতঙ্গী, বাসন্তী, ভবানী, জগদ্মা, তাৰিনী, মঙ্গলচণ্ডী, কাত্যায়নী, কৌশিকী, পাৰ্ব্বতী, গৌৰী, উমা, মনসা, ভৈৰবী, দশভুজা, ইন্দ্ৰানী, শিৱানী, ভদ্ৰানী, কল্যাণী, গৌৰবৰ্ণা, মুণ্ডমালিনী, চামুণ্ডা, মহিষমৰ্দ্দিনী আদি। |
| **দিন** | ঃ দিবা, দিবস আদি। |
| **ৰজা** | ঃ সম্ৰাট, চুলতান, খলিফা, মহাপতি, নৃপতি, ভূপাল, মহীপাল, ক্ষিতিশ, ৰাজন, নৰেশ্বৰ, নৰপতি, আদি। |
| **মৃত্যু** | ঃ মৰণ, ইহলোক, পৰলোক, তিৰোধান, স্বৰ্গী, দেহান্তৰ, শেষ নিশ্বাস, চিৰ বিদায়, স্বৰ্গগামী আদি। |
| **ঋণ** | ঃ ধাৰ, কৰ্জ, দেনা আদি। |
| **কিৰণ** | ঃ পোহৰ, দীপ্তি, জেউতি, বন্তী আদি। |
| **তৰঙ্গ** | ঃ ঢৌ, উৰ্মি, হিল্লোল, লহৰ আদি। |
| **কথা** | ঃ বাণী, বচন, উক্তি, শব্দ, বাক্য আদি। |
| **কুসুম** | ঃ পুষ্প, ফুল আদি। |
| **হানি** | ঃ ক্ষতি, অনিষ্ট, লোকচান, অপকাৰ আদি। |
| **গোলাম** | ঃ ভৃত্য, চাকৰ, দাস আদি। |
| **কল্যাণ** | ঃ কুশল, মঙ্গল আদি। |
| **জোলোঙা** | ঃ মোনা, বেগ, থৈলা আদি। |
| **চেষ্টা** | ঃ কাম, যত্ন, অধ্যাৱসায় আদি। |
| **চিত্ৰ** | ঃ ফটো, ছবি আদি। |
| **দৃঢ়** | ঃ স্থায়ী, অটল, গজগজীয়া আদি। |
| **কপাল** | ঃ ভাগ্য, ললাট আদি। |
| **দক্ষতা** | ঃ পাকৈত, ক্ষমতা, পটুতা আদি। |
| **খ্যাতি** | ঃ যশ, কীৰ্তি আদি। |

**কৰুণা** ঃ দয়া, কৃপা আদি।
**বড়গুণি** ঃ অৰিহনা, মূল্য, দাম আদি।
**দৈনিক** ঃ সদায়, নিতৌ, প্রতিদিন আদি।
**বাট** ঃ আলি, আলিবাট, পথ, ৰাস্তা আদি।
**মেধাৱী** ঃ জ্ঞানী, বুদ্ধিমান আদি।
**সভ্য** ঃ উন্নত, ভদ্র, শিষ্ট, সদস্য আদি।
**জিভা** ঃ ৰসনা, জিহ্বা আদি।
**নিদ্রা** ঃ টোপনি, তন্দ্রা, ঘুমটি আদি।
**তুষাৰ** ঃ হিম, বৰফ আদি।
**নিয়ম** ঃ কানুন, প্রথা আদি।
**বৃক্ষ** ঃ গছ, বিৰিষ, তৰু, বিটপ আদি।
**মৰম** ঃ স্নেহ, ভালপোৱা আদি।
**সংগ্রাম** ঃ যুদ্ধ, যুঁজ, ৰণ, সমৰ আদি।
**সোণ** ঃ স্বৰ্ণ, কাঞ্চন, হেম, সুৱৰ্ণ আদি।
**সাগৰ** ঃ সমুদ্র, সিন্ধু আদি।
**সৰস্বতী** ঃ ভাৰতী, বাকদেৱী, বীনাপাণি, বিদ্যাৰতী আদি।
**শুকুলা** ঃ বগা, শুক্ল আদি।
**সৌম্য** ঃ শান্ত, ধীৰ, স্থিৰ আদি।
**হুবহু** ঃ একে, সদৃশ, অবিকল আদি।

০ ০ ০



## অধ্যায়- ১৩

# বিপৰীত অৰ্থবোধক শব্দ

যিবোৰ শব্দই পৰস্পৰে পৰস্পৰৰ বিপৰীত অৰ্থ প্রকাশ কৰে তাক বিপৰীত অৰ্থবোধক শব্দ (Antonym) বুলি কোৱা হয়। তলত কিছুমান শব্দ আৰু ইয়াৰ সম্পূৰ্ণ বিপৰীত অৰ্থ বুজোৱা শব্দৰ তালিকা দিয়া হ'ল।

| **শব্দ** | **বিপৰীতাৰ্থক শব্দ** |
|---|---|
| অলপ | বেছি |
| অনুগ্রহ | নিগ্রহ |
| অণু | বৃহৎ |
| অভাৱ | উভৈনদী |
| অনুৰাগ | বিৰাগ |
| অনুকূল | প্রতিকূল |
| অস্থায়ী | স্থায়ী |
| অন্ধ | চাক্ষুষ, দৃষ্টিসম্পন্ন |
| অক্ষম | সক্ষম |
| অহংকাৰ | নিৰহংকাৰ |
| অমৃত | গৰল, বিষ |
| অতিবৃষ্টি | অনাবৃষ্টি |
| অসীম | সসীম |
| আকাশ | পাতাল |
| আদান | প্রদান |
| আৱাহন | বিসৰ্জন |
| আন্ধাৰ | পোহৰ |
| আবৃত | অনাবৃত |
| আচল | নকল |
| আৰ্য | অনাৰ্য |
| আকৰ্ষণ | বিকৰ্ষণ |

| | |
|---|---|
| আনন্দ | নিৰানন্দ, বিষাদ |
| আৱির্ভাৱ | তিৰোভাৱ, অৰ্ন্তদ্ধান |
| আদি | অন্ত, শেষ |
| আয় | ব্যয় |
| আস্থা | অনাস্থা, অবিশ্বাস |
| আদৰ | অনাদৰ |
| আস্তিক | নাস্তিক |
| আগ | পাছ, গুৰি |
| আগমন | নিগমন, প্ৰত্যাগমন, প্ৰস্থান |
| আপোন | পৰ |
| আচাৰ | অনাচাৰ |
| আৰ্শীবাদ | অভিশাপ |
| আয়তী | বিধবা |
| আচামী | ফৰিয়াদী |
| আশা | নিৰাশা |
| আৰম্ভ | সমাপ্ত, শেষ |
| আৰোহণ | অৱৰোহণ |
| আত্মনিৰ্ভৰশীল | পৰনিৰ্ভৰশীল |
| আধুনিক, অৰ্বাচীন | প্ৰাচীন |
| আগুৱা | পিছুৱা |
| আসক্ত | অনাসক্ত |
| ইষ্ট | অনিষ্ট |
| ইচ্ছা | অনিচ্ছা |
| ইচ্ছুক | অনিচ্ছুক |
| ইহলোক | পৰলোক |
| উত্তম | অধম |
| উদ্যম | অনুদ্যম |
| উক্ত | অনুক্ত |
| উৰ্বৰ | অনুৰ্বৰ |
| উপকাৰ | অপকাৰ |
| উচ্চ | নীচ |
| উদ্বিগ্ন | অনুদ্বিগ্ন |
| উপস্থিত | অনুপস্থিত |



| | |
|---|---|
| উদাৰ | সংকীৰ্ণ |
| উত্থান | পতন |
| উন্নতি | অৱনতি |
| উদয় | অস্ত |
| উপযুক্ত | অনুপযুক্ত |
| উৎকৃষ্ট | নিকৃষ্ট |
| উত্তমৰ্ণ | অধমৰ্ণ |
| উত্তৰ | দক্ষিণ |
| উৰ্দ্ধ | অধঃ |
| উচিত | অনুচিত |
| এতিয়া | তেতিয়া |
| ওপৰত | তলত |
| ওখ | চাপৰ |
| কীৰ্তি | অপকীৰ্তি |
| কোমল | কঠিন |
| কৃশ | স্থূল |
| কাতৰ | অকাতৰ |
| কৃতজ্ঞ | কৃতঘ্ন, অকৃতজ্ঞ |
| গ্ৰহণ | বৰ্জন, ত্যাগ |
| গহীন | চঞ্চল |
| গোপন | প্ৰকাশ, স্পষ্ট |
| গৰিষ্ঠ | লঘিষ্ঠ |
| গধূৰ | পাতল |
| গৃহস্থী | সন্ন্যাসী |
| গভীৰ | তৰাং, অগভীৰ |
| গোচৰীয়া | পদকীয়া |
| ঘন | পাতল |
| ঘৰচীয়া | বনৰীয়া |
| চৰম | নৰম |
| চহকী | দুখীয়া |
| চল | আচল |
| চিনাকী | অচিনাকী |
| খাদ্য | অখাদ্য |

| | |
|---|---|
| খাল | বাম |
| গুৰু | শিষ্য |
| গুণ | দোষ |
| গুণী | নিৰ্গুণী |
| দ্রুত | মন্থৰ |
| দেশপ্রেমিক | দেশদ্রোহী |
| ধৰ্ম | অধৰ্ম |
| ধনী | দৰিদ্র, দুখীয়া |
| নতুন | পুৰণি |
| নিৰ্দোষী | দোষী |
| নিৰ্মল | মলিন |
| নিৰাপদ | বিপদজনক |
| নিৰাকাৰ | সাকাৰ |
| নিৰ্ভীক | ভীৰু |
| ন্যায় | অন্যায় |
| পণ্ডিত | মূৰ্খ |
| পৰিষ্কাৰ | লেতেৰা, অপৰিষ্কাৰ |
| পৰিপাটি | অপৰিপাটি |
| পৰিশ্ৰমী | এলেহুৱা |
| পৱিত্ৰ | অপৱিত্ৰ |
| প্রতিহত | অপ্রতিহত |
| প্রয়াস | অপ্রয়াস |
| প্রিয় | অপ্রিয় |
| প্রস্তুত | অপ্রস্তুত |
| প্রীতিকৰ | অপ্রীতিকৰ |
| পদস্থ | পদচ্যুত |
| পৌৰুষ | অপৌৰুষ |
| পৰিমেয় | অপৰিমেয় |
| পৈণত | অপৈণত |
| পাতল | ডাঠ, গধুৰ |
| পৰিমিত | অপৰিমিত |
| চেতন | অচেতন |
| চিনাকী | অচিনাকী |



| | |
|---|---|
| জমা | খৰচ |
| জন্ম | মৃত্যু |
| জয় | পৰাজয় |
| জাগৰণ | নিদ্রা |
| জ্ঞানী | মূৰ্খ, অজ্ঞানী |
| জীৱন | মৰণ |
| জোখ | বিজোখ |
| ডেকা | বুঢ়া |
| তপত | চেঁচা |
| দ' | বাম |
| দাতা | কৃপণ |
| দয়ালু | নিষ্ঠুৰ, নিৰ্দয় |
| দিন | ৰাতি |
| দীঘল | চুটি |
| দীৰ্ঘ | হ্ৰস্ব |
| দেৱতা | অসুৰ |
| বাদী | বিবাদী, প্রতিবাদী |
| বাজ / বাহিৰ | ভিতৰ |
| বিধি | নিষেধ, অবিধি |
| বিখ্যাত | কুখ্যাত, অখ্যাত |
| বিপদ | নিৰাপদ, সম্পদ |
| বিশ্বাসী | বিশ্বাসঘাতক, অবিশ্বাসী |
| বিদ্যা | অবিদ্যা |
| বিৰহ | মিলন |
| বিফলতা | সফলতা |
| বশ | অবশ, অবাধ্য |
| বুকু | পিঠি |
| বিৰল | সুলভ |
| ব্যক্ত | অব্যক্ত |
| বৰ্ণনীয় | অবৰ্ণনীয় |
| বিদিত | অবিদিত, অজানা |
| বিদ্যমান | অবিদ্যমান |
| বৈতনিক | অবৈতনিক |

| | |
|---|---|
| বিচ্ছেদ | অবিচ্ছেদ, মিলন |
| যুগ্ম | অযুগ্ম |
| গঢ়া | ভঙা |
| বিভক্ত | অবিভক্ত |
| বিনীত | উদ্ধত, অহংকাৰী |
| বিস্তৃত | সংক্ষিপ্ত |
| বিনয় | গৰ্ব |
| বৈধ | অবৈধ |
| ভাল | বেয়া |
| ভক্তি | ঘৃণা |
| ভীৰু | সাহসী, নিৰ্ভীক |
| পাপ | পুণ্য |
| পুৰস্কাৰ | শাস্তি, তিৰস্কাৰ |
| প্ৰকৃত | অপ্ৰকৃত, কাল্পনিক |
| প্ৰচুৰ | অপ্ৰচুৰ, অল্প |
| প্ৰবেশ | প্ৰস্থান |
| প্ৰভু | ভৃত্য |
| পুৱা | গধূলি, সন্ধ্যা |
| প্ৰত্যক্ষ | পৰোক্ষ |
| প্ৰাচ্য | পাশ্চাত্য |
| প্ৰশ্ন | উত্তৰ |
| প্ৰকাশ | গোপন, অপ্ৰকাশ |
| প্ৰাচীন/ প্ৰবীন | নবীন |
| প্ৰেৰণা | নিৰুৎসাহ |
| বহল | ঠেক |
| বগা | ক'লা |
| বন্ধু | শত্ৰু |
| শকত | ক্ষীণ |
| শান্তি | অশান্তি |
| শান্ত | অশান্ত |
| শুক্ল | কৃষ্ণ |
| শুদ্ধ | ভুল |
| সভ্য | অসভ্য |



| | |
|---|---|
| সজ | অসজ |
| সৎ | অসৎ |
| সজীৱ | নিৰ্জীৱ |
| সৰল | জটিল |
| সঁচা | মিছা |
| সদয় | নিৰ্দয় |
| সংযোগ | বিয়োগ |
| সন্ধি | বিগ্ৰহ |
| সহযোগী | প্ৰতিযোগী |
| সধবা | বিধবা |
| সশ্ৰম | বিনাশ্ৰম |
| সঞ্চয় | অপচয় |
| সমষ্টি | ব্যষ্টি |
| ভোতা | চোকা |
| ভূত | ভৱিষ্যত |
| মান | অপমান |
| মানুহ /মানৱ | চয়তান, দানৱ |
| মিত্ৰ | শত্ৰু |
| মুখ্য | গৌণ |
| মুক্ত | আবদ্ধ, বন্ধ |
| মিতব্যয়ী | অপব্যয়ী |
| মিলন | বিৰহ |
| যশ | অপযশ |
| যত্ন | অযত্ন, আওকাণ |
| যোগ | বিয়োগ |
| ৰজা | প্ৰজা |
| ৰোগী | নিৰোগী |
| লঘু | গুৰু |
| লাভ | লোকচান |
| স্বাধীন | পৰাধীন |
| স্থাৱৰ | অস্থাৱৰ, জংগম |
| সুখ | দুখ |
| সুৰ | অসুৰ, বেসুৰ |

| | |
|---|---|
| সুগম | দুৰ্গম |
| সুবিধা | অসুবিধা |
| সুন্দৰ | কুৎসিত |
| সুশ্ৰী | বিশ্ৰী, কুশ্ৰী |
| সুখ্যাতি | অখ্যাতি |
| সুকৃতি | দুষ্কৃতি |
| সুযোগ | দুৰ্যোগ |
| সুলভ | দুৰ্লভ |
| সুগন্ধ | দুৰ্গন্ধ |
| স্থিৰ | অস্থিৰ |
| সৃষ্টি | বিনাশ, ধ্বংস |
| সোঁ | বাওঁ |
| হৰণ | পূৰণ |
| হৰ্ষ | বিষাদ |
| হাঁহা | কন্দা |
| হৰা | জিকা |
| হিংসা | প্ৰেম, অহিংসা |
| হ্ৰাস | বৃদ্ধি |
| সন্মান | অপমান, অসন্মান |
| সপক্ষ | বিপক্ষ |
| সুস্থ | অসুস্থ |
| স্পষ্ট | অস্পষ্ট |
| স্বৰ্গ | নৰ্ক, মৰ্ত্য |
| সাধু | দুৰ্জন, অসাধু |
| ক্ষয় | বৃদ্ধি |
| ক্ষমা | প্ৰতিশোধ |
| ভৈয়াম | পাহাৰ |
| ফৰকাল | ডাৱৰীয়া |
| পণ্ডিতালী | মূৰ্খালি |
| সবল | দুৰ্ব্বল |
| পোহৰ | আন্ধাৰ |
| দেশী | বিদেশী |
| প্ৰতিবাদ | সমৰ্থন |



| | |
|---|---|
| উষ্ণতা | শীতলতা |
| নিয়মিত | অনিয়মিত |
| বাধ্য | অবাধ্য |
| নিমজ | খহটা |
| বিকশিত | অবিকশিত |
| সাদৃশ্য | বৈসাদৃশ্য |
| স্বাভাৱিক | অস্বাভাৱিক |
| দিন | ৰাতি |
| নিশা | দিবা |
| নিস্তব্দতা | হাহাকাৰ, গণ্ডগোল |
| ৰুচি | অৰুচি |
| যুগুত | অযুগুত। |

000

# অংশ- খ
# ৰচিদ, দিনলিপি, পকোঁৱা আখৰ, প্ৰাৰ্থনা সংগীত, সাধু কথা আৰু ৰচনা



## অধ্যায়- ১
# ৰচিদ লিখন

কোনো বস্তু , জীৱ-জন্তু আদি ক্ৰয়-বিক্ৰয় কৰোঁতে বিক্ৰিদাৰে ক্ৰয় কৰোঁতাক বিক্ৰি কৰা বস্তুৰ বিৱৰণ, তাৰিখ, মূল্য, বিক্ৰেতাৰ ঠিকনা আদি লিখি যিখন কাগজ দিয়ে তাকে **ৰচিদ** বোলে।

জীৱ-জন্তু যেনে ঃ গৰু, ম'হ, ভেড়া, ছাগলী আদি বেচা- কিনা কৰিলে আৰু তাৰ দাম এক হাজাৰ টকাতকৈ অধিক হ'লে ৰচিদৰ ওপৰত এক টকাৰ ৰেভিনিউ টিকট লগাব লাগে।

জীৱ-জন্তুৰ বাহিৰে অন্যান্য বস্তু যেনে - কিতাপ-পত্ৰ, চাউল, দাইল, কাপোৰ-কানি আদি বিক্ৰি কৰিলেও ৰচিদ দিয়া হয় যদিও সেইৰচিদৰ ওপৰত ৰেভিনিউ টিকট লগোৱাৰ প্ৰয়োজন নহয়। এইবোৰ সাধাৰণতে পুৰ্বে প্ৰস্তুত কৰি লোৱা এক আৰ্হিমূলক পেডত লিখা হয়। এনে ৰচিদবোৰতো বিক্ৰি কৰা বস্তুৰ বিৱৰণ থাকে।

তলত ৰচিদ লিখাৰ আৰ্হি দেখুওৱা হ'ল।

১। ম'হ বিক্ৰি কৰাৰ ৰচিদ।

টিকট
তাৰিখ
১৭ মাৰ্চ, ২০১৬।

মই, নিম্ন স্বাক্ষৰকাৰীয়ে, মোৰ নিজ ঘৰত ওপজা ম'হ এজনী ৰহা গাওঁৰ শ্ৰীমান অনন্ত হাজৰিকাৰ ওচৰত ২০,০০০.০০ (বিশ হাজাৰ টকা) ত বিক্ৰি কৰিলোঁ। বিক্ৰিৰ সমূদায় টকা নগদ হাতত বুজি পাই এই ৰচিদ প্ৰদান ক ৰিলোঁ।

ম'হৰ বিৱৰণ ঃ

শিং ঃ দুটা (২১ ইঞ্চি)।
বৰণ ঃ পখৰা।
ওখ ঃ ২ মিটাৰ।

বয়স ঃ ১০ বছৰ।
বিক্ৰিদাৰ (লিখোতা) ৰ ঠিকনা ঃ
নাম ঃ
গাওঁ ঃ
ডাক ঘৰ ঃ
জিলা আৰু থানা ঃ
পিন ঃ চহী

.....................................

সাক্ষী
১। -------------------
২। -------------------

**(২) কিতাপ-পত্ৰ বিক্ৰিৰ ৰচিদ**

**গ্ৰহিলচ্ পাব্লিশ্বিং**
**কমলপুৰ, বৰপেটা**
**জিলা-বৰপেটা (অসম)**
**পিন- ৭৮১৩৫২**

ক্ৰেতাৰ নাম ঃ..................................
ঠিকনা ঃ .............................................

| ক্ৰঃনং | কিতাপ /বস্তুৰ নাম | পৰিমাণ | দাম |
|---|---|---|---|
| ১ | Readers' English-III | ২ | ২৫.০০ |
| ২ | Readers' English Grammar: I-V | ১ | ৩৫.০০ |
| ৩ | সাধাৰণ বিজ্ঞান- ৩য় | ২ | ২০.০০ |
| ৪ | ছবি আঁকা-২ | ১০ | ৩০.০০ |
| ৬ | অংকৰ যাদু -৩ | ১০ | ৯০.০০ |

মুঠ দাম ২০০.০০ টকা।

বিক্ৰয় মেনেজাৰ

..........................
(এম. আৰ. মছৰুৰ)।
তাৰিখ ঃ --------



## অধ্যায়- ২

# দিনলিপি লিখন

ব্যক্তি এজনে প্ৰতিদিনৰ কাম-কাজৰ চমু বিৱৰণী লিখি ৰখাকেই দিনলিপি (Diary) বোলে। দিনলিপি লিখি ৰখাটো এটা ভাল অভ্যাস। ছাত্ৰ অৱস্থাৰ পৰাই দিনলিপি লিখাৰ অভ্যাস গঠন কৰা উচিত।

দিনলিপি লিখাৰ কিছুমান গুৰুত্ব আছে। যেনে ঃ প্ৰথমতে, নিয়মিত দিনলিপি লিখাৰ অভ্যাসে মানুহক কৰ্তব্যপৰায়ণ কৰি তোলে। কাৰণ কাম-বন নকৰি এলাহত দিন অতিবাহিত কৰা ব্যক্তি এজনে দিনলিপি লিখাৰ মানসিকতা গঠন কৰিব নোৱাৰে। দ্বিতীয়তে, দিনলিপি লিখাৰ অভ্যাসে মানুহক নিয়মানুৱৰ্তিতা হ'বলৈ শিকায়। তৃতীয়তে, নিয়মিত দিনলিপি লিখাৰ অভ্যাসে স্মৃতি শক্তি বৃদ্ধি কৰে।

নিজৰ দিনলিপিখন সময়ে সময়ে পঢ়ি চাব লাগে আৰু ইচ্ছাকৃত বা অনিচ্ছাকৃত ভুলবোৰ সংশোধন কৰাৰ প্ৰতি যত্নৱান হ'ব লাগে।

দিনলিপি প্ৰতিদিনেই লিখি ৰাখিব লাগে। দিনলিপিত তাৰিখ আৰু সময় উল্লেখ কৰি দিন এখনৰ কাৰ্যাৱলী যিমান সম্ভৱ চমুকৈ লিখিব লাগে।

তলত দিনলিপি লিখাৰ এক আৰ্হি দেখুৱা হ'ল ঃ

*নাম ঃ ৰাব্বি মছৰুৰ । তাৰিখ ঃ ১, জানুৱাৰী, ২০১৬*

*ৰাতিপুৱা ৪.৩০ বজাত বিছনাৰ পৰা উঠি ঈশ্বৰক প্ৰাৰ্থনা কৰি প্ৰাতঃভ্ৰমণ কৰিলোঁ। ৰাতিপুৱা মহাত্মা গান্ধীৰ আত্মজীৱনী 'মোৰ সত্য অন্বেষণৰ কাহিনী' পঢ়িলোঁ। ১০ বজাৰ পৰা ১২ বজালৈ পথাৰত কাম কৰিলোঁ।*

*ভাটিবেলা গ্ৰীণ হিলচ্ ক্লাবৰ উদ্যোগত আয়োজিত 'নতুন বছৰৰ নতুন দিন' অনুষ্ঠানত ভাগ ললোঁ। কুইজ প্ৰতিযোগীতাত প্ৰথম হ'লোঁ। এ. পি. জে. আব্দুল কালামৰ আত্মজীৱনীমূলক গ্ৰন্থ 'অগ্নিৰ ডেউকা' পুৰস্কাৰ হিচাপে পালোঁ।*

*সন্ধিয়া সময়ত মেদিনীপুৰত থকা মাহীৰ ঘৰত নিমন্ত্ৰণ খাবলৈ গ'লোঁ। ৰাতি ৭ বজাত উভতি আহি দহ বজালৈ পঢ়ি ভাত-পানী খাই শুই থাকিলোঁ।*

*বিঃ দ্ৰঃ কুইজত অংশ গ্ৰহণ কৰা সময়খিনি আছিল আজিৰ দিনটোৰ অতি আনন্দৰ আৰু উপভোগৰ সময়।* **০০০**

# অধ্যায়- ৩
# চিঠি লিখন

যোগাযোগৰ এক জনপ্ৰিয় মাধ্যম হ'ল Letter (চিঠি) । চিঠিৰ জৰিয়তে এজন ব্যক্তিয়ে আন এজন ব্যক্তিৰ লগত বা এটি অনুষ্ঠানে আন এটি অনুষ্ঠানৰ লগত তথ্যৰ আদান-প্ৰদান বা যোগাযোগ কৰিব পাৰে ।

চিঠিক প্ৰধানকৈ দুই ভাগত ভাগ কৰিব পাৰি, যথা- (1) ব্যক্তিগত চিঠি (Personal Letter) আৰু (2) আনুষ্ঠানিক চিঠি (Formal Letter)।

যিবোৰ চিঠি পিতা-মাতা, ভাই-ভনী, আত্মীয়-স্বজন, বন্ধু-বান্ধবীৰ মাজত লিখা হয় সেইবোৰ চিঠিক **ব্যক্তিগত চিঠি** (**Personal Letter** ) বুলি কোৱা হয়।

যিবোৰ চিঠি আনুষ্ঠানিক ভাবে কোনো চৰকাৰী বা বেচৰকাৰী আনুষ্ঠানৰ মাজত আদান-প্ৰদান হয় সেইবোৰক **আনুষ্ঠানিক চিঠি** (**Formal Letter**) বুলি কোৱা হয়।

প্ৰত্যেক চিঠিৰ আকৌ ছয়টা অংশ থাকে, যথা -

(১) ইষ্ট দেৱতাৰ নাম বা মংগলাচৰণ, (২) লিখোতাৰ ঠিকনা আৰু তাৰিখ, (৩) সম্বোধন, (৪) গৰ্ভ বা মূল বিষয়, (৫) সামৰণি আৰু (৬) শিৰোনাম।

তলত এই অংশবোৰৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল।

(১) চিঠিৰ ঠিক সোঁমাজত হিন্দুমতে 'ওম শান্তি', শ্ৰীহৰি, শ্ৰী নাৰায়ন আদি ইষ্ট দেৱতাৰ নাম স্মৰণ কৰি লিখা হয়। মুছলমান সকলে 'ইলাহি ভৰষা, ইয়া আল্লাহ, আল্লাহ হাফিজ, আদি লিখে। আজিকালি আনুষ্ঠানিক চিঠিত এইবোৰ লিখা নহয়।

(২) ইষ্ট দেৱতাৰ নাম লিখি তাৰ তলত সোঁফালে চিঠি লিখোতাৰ নাম আৰু তাৰিখ লিখা হয়।

(৩) চিঠি লিখোঁতাৰ নাম লিখি তাৰ তলত বাওঁফালে margin ৰ কাষত স্বতন্ত্ৰ শাৰীত যি ব্যক্তিলৈ চিঠিখন লিখা হয় তাক সম্বোধন কৰি ডাঙৰলৈ লিখা



চিঠিত মাননীয়, শ্ৰদ্ধেয়, পূজনীয়, শ্ৰী চৰণেষু, শ্ৰদ্ধাভাজনেষু আদি লিখা হয়। মহিলা হ'লে পূজনীয়া, পৰম পূজনীয়া, প্ৰিয়া আদি লিখা হয়।

পিতা-মাতা, ভাই-ভনী, বন্ধু বান্ধৱী আৰু ঘনিষ্ঠতা থকা ব্যক্তিলৈ চিঠি লিখিবলৈ 'মৰমৰ' লিখা হয় । যেনে ঃ

মৰমৰ বন্ধু, মৰমৰ ভাইটি, মৰমৰ ভন্টি আদি।

আচিনাকী ব্যক্তিলৈ আনুষ্ঠানিক চিঠিত 'মহাশয়' আৰু মহিলা হ'লে সাধাৰণতে 'মহাশয়া', 'বাইদেউ' আদি লিখা হয়।

(৪) সম্বোধনসূচক শব্দ লিখাৰ পিছত নতুন অনুচ্ছেদেৰে চিঠিখনৰ মূল বক্তব্য বিষয় লিখিব লাগে। বিষয় বস্তুখিনি সদায় উদ্দেশ্য ধৰ্মী হ'ব লাগে। আনুষ্ঠানিক চিঠিত ব্যক্তিগত বা ওপৰুৱা কোনো বিষয় বৰ্ণনা কৰিব নালাগে। চিঠিৰ মূল বিষয় প্ৰয়োজন অনুসাৰে একাধিক দঁফাত ভগাই ল'ব পাৰি।

চিঠিৰ সামৰণিটো মূল বিষয়ৰ তলত সোঁফালে লিখিব লাগে। ব্যক্তিভেদে চিঠিৰ সামৰণি বেলেগ বেলেগ ধৰণে লিখা হয়।

বন্ধু বান্ধবীলৈ লিখা ব্যক্তিগত চিঠিত 'তোমাৰ মৰমৰ', 'তোমাৰ আশীৰ্বাদপ্ৰাৰ্থী ', 'তোমাৰ বন্ধু', 'আপোনাৰ সেৱক' আদি লিখা হয়।

পিতা, মাতা, ভাই-ভনী আদিলৈ লিখা চিঠিত সম্বন্ধটো প্ৰকাশ কৰিব লাগে। যেনে ঃ

আপোনাৰ মৰমৰ পুত্ৰ,
আপোনাৰ মৰমৰ ছোৱালী,
আপোনৰ মৰমৰ ভাইটি,
তোমাৰ দাদা,
তোমাৰ মৰমৰ ভন্টি আদি।

আনুষ্ঠানিক চিঠিত 'আপোনাৰ বিশ্বস্ত', 'আপোনাৰ বিশ্বাসী', আপোনাৰ একান্ত বাধ্য', আপোনাৰ বাধ্য' আদি লিখা হয়।

(৬) চিঠি এখনৰ অতি আৱশ্যকীয় অংশটো হ'ল ইয়াৰ শিৰোনাম। ই লেফাফা বা কাৰ্ডৰ ওপৰত লিখা হয়। ইয়াত চিঠিখন যি ব্যক্তিলৈ লিখা হয় তেওঁৰ সম্পূৰ্ণ নাম আৰু ঠিকনা লিখা হয়। ইয়াত চিঠি প্ৰাপকৰ নাম, গাঁও ডাকঘৰ, জিলা, পিনকোড আদি বেলেগ বেলেগ শাৰীত লিখিব লাগে।

নামৰ আগত মিষ্টাৰ, শ্ৰী, শ্ৰীমান আদি দিয়া হয় যেনে ঃ

মিষ্টাৰ দেৱজিত দত্ত
শ্ৰী পুতুল নাথ
শ্ৰীমান অভিশেষ দাস আদি।

তলত কিছুমান চিঠিৰ আৰ্হি (Specimen) দিয়া হ'ল।

## ১। টকা খুজি দেউতাকলৈ লিখা চিঠি।

গ্ৰহিলচ একাডেমী হোষ্টেল
২৩ মাৰ্চ, ২০১৭

পূজনীয় দেউতা

মোৰ শ্ৰদ্ধা ল'ব আৰু ভন্টি লীলিমালৈ মোৰ মৰম জনাব। মই ভালে আছোঁ। আশা ৰাখিছোঁ আপোনালোক ঘৰৰ আটায়ে ভালে আছে।

মোৰ হোষ্টেলৰ দিনকেইটা ভালেই চলি আছে। সন্মুখত গোট পৰীক্ষা আছে। সেয়ে পঢ়া-শুনাৰ চাপ বাঢ়িছে। বিশেষ কথা হ'ল মোৰ কেইটামান নতুন কিতাপৰ প্ৰয়োজন হৈছে। তাৰোপৰি মই বিজ্ঞান বিষয়ত টিউচন লৈছো। গতিকে কিতাপ ক্ৰয় আৰু টিউচনৰ ফিচ বাবদ মোক ১৫০০.০০ (এক হাজাৰ পাঁচশ টকা) অতি সোনকালে বেংক ড্ৰাফ্‌ট যোগে পঠাব।

পুনৰ শ্ৰদ্ধা জনাই আজিলৈ সামৰিছোঁ। ইতি,

বিনীত
আপোনাৰ মৰমৰ পুত্ৰ
দেবেন নাথ।

প্ৰতি,
মহিম চন্দ্ৰ নাথ
গাওঁ ঃ কলিতাকুছি
জিলা ঃ ধুবুৰী
ডাক ঃ হাটনগৰ
পিনঃ ৭৮৪৩৫১

## ২। বনভোজলৈ নিমন্ত্ৰণ জনাই বন্ধুলৈ লিখা চিঠি।

বঙাইগাওঁ,
১৪ মাৰ্চ, ২০১৭

মৰমৰ বন্ধু কমল,

লিখনিৰ বুলনিতে তোমালৈ মোৰ ভালপোৱা থাকিল। মই ভালে আছো। আশা ৰাখিছো তুমিও ভালে আছা।

বিশেষ কথা হ'ল আমি গ্ৰীণ হিলচ ক্লাৱৰ পৰা অহা ১১ মাৰ্চ, ২০১৭ ত কাজিৰঙা ভ্ৰমণলৈ যোৱাৰ সিদ্ধান্ত লৈছোঁ। আমি ৰাতিপুৱা ৪ বজাত আমাৰ যাত্ৰা আৰম্ভ কৰিম। তাত আমি হিমালয় পৰ্বত, পাহাৰী নিজৰা, গছ-গছনি আৰু আপুৰুগীয়া জন্তুবোৰ চাই আমাৰ বহুদিনীয়া কৌতুহল নিবৃত কৰিম। আমি সকলোৰে তুমি আমাৰ লগত থকাটো বিচাৰিছো। গতিকে আমি আটায়ে



তোমাক আমাৰ লগত যাবলৈ আমন্ত্ৰণ আৰু অনুৰোধ জনালোঁ।

আশা ৰাখিছোঁ তুমি ভ্ৰমণৰ আগদিনাখন আহি আমাৰ আলহী হ'বা।

ইতি
তোমাৰ বন্ধু
ৰকিব

প্ৰতি,
কমল দাস
পিতা ঃ হৰেন দাস
গাওঁ ঃ নুমাটি
জিলা ঃ বঙাইগাওঁ
ডাক ঃ বঙাইগাওঁ
পিনঃ ৭৮৪৩৫১

## ৩। ভোজ মেললৈ নিমন্ত্ৰণ জনাই বন্ধুলৈ লিখা চিঠি।

আমবাৰী, গুৱাহাটী ১
৫ জানুৱাৰী, ২০১৭

মৰমৰ প্ৰীতি,

মোৰ মৰম লবা। তোমাৰ মা-দেউতালৈ মোৰ শ্ৰদ্ধা থাকিল। বহু দিন তোমাৰ খবৰ পোৱা নাই। তুমি চাগে পৰীক্ষাৰ বাবে পঢ়া-শুনাত ব্যস্ত আছাঙ্গ

যোৱা কালি আমাৰ পৰীক্ষা শেষ হ'ল। মই এতিয়া সম্পূৰ্ণ মুক্ত। যদিহে তোমাৰ পৰীক্ষা শেষ হৈছে তেন্তে অহা বৃহস্পতিবাৰে তোমাক আমাৰ ঘৰলৈ নিমন্ত্ৰণ জনালো। তুমি আহিলে আমি আটায়ে সন্ধিয়াৰ আহাৰ খুব স্ফুৰ্তিৰে খাম। আয়ে পিঠা-পনাও বনাব। তোমাৰ ভাইটি বিজুকো লগত লৈ আহিবা।

আমি ঘৰৰ আটায়ে তুমি অহালৈ বাট চাই থাকিম।

ইতি,
তোমাৰ বান্ধৱী
অলকা

প্ৰতি,
নাম ঃ ..............................
পিতা ঃ ...........................
গাওঁ ঃ ...........................
জিলা ঃ ..........................
ডাক ঃ .............
পিন ঃ ...........

## ৪। কিতাপ খুজি কোনো প্ৰকাশনলৈ লিখা চিঠি।

বজালী
২১ মাৰ্চ, ২০১৭

বিক্ৰয় পৰিচালক,
গ্ৰীণ হিলচ্ ইনফ' পাব্লিশ্বিং, বৰপেটা
মহাশয়,

মোৰ নিম্ন লিখিত কিতাপৰ প্ৰয়োজন হৈছে। অনুগ্ৰহ কৰি আপোনাৰ নতুন সংস্কৰণৰ নিম্ন লিখিত কিতাপবোৰ তুৰন্তে পঠাব। ইতিমধ্যে মই বেংক ড্ৰাফট যোগে ৫০০.০০ (পাঁচশ টকা) অগ্ৰিম পঠালো।

কিতাপৰ নাম
(১) অসমীয়া ব্যাকৰণ আৰু ৰচনা, অষ্টম শ্ৰেণী। (কপি-১)
(২) অসমীয়া সাহিত্য সোপান, তৃতীয় শ্ৰেণী। (কপি-৩)
(৩) সৰ্বাধুনিক জানানে (কপি-৪)

ইতি,
আপোনাৰ বিশ্বাসী
মৃগেন ডেকা
মানস কুটিৰ, বজালী
জিলা ঃ বৰপেটা, অসম
ডাকঃ পাঠশালা
পিন ঃ ৭৮১৩১৬

## ৫। ভনীয়েকৰ বিয়ালৈ নিমন্ত্ৰণ জনাই বন্ধুলৈ লিখা চিঠি।

গোৱালপাৰা
৬ এপ্ৰিল, ২০১৭

প্ৰিয় বন্ধু,

চলিত মাহৰ ১৭ তাৰিখে মোৰ বাইদেউ ৰুবী দত্তৰ শুভ বিবাহৰ দিন ধাৰ্য কৰা হৈছে। গতিকে মই উক্ত শুভ দিনলৈ তোমাৰ লগতে তোমাৰ পৰিয়ালৰ সকলোকে নিমন্ত্ৰণ জনালোঁ।

আশা ৰাখিছো বিয়াৰ দিনা আমাৰ বিয়া বাহৰত দেখা দি বাইদেউক আশীৰ্বাদ দানে সুখী কৰিবা। ইতি

তোমাৰ বন্ধু
ৰবিন

প্ৰতি,
নাম ঃ .............................
পিতা ঃ ...........................



গাওঁ ঃ ...........................
জিলা ঃ .........................
ডাক ঃ ............
পিন ঃ ..........

## ৬। বছৰেকীয়া পৰীক্ষাৰ বিষয়ে জনাই বন্ধুলৈ লিখা চিঠি।

সেউজ নগৰ, বৰপেটা
১১ এপ্ৰিল, ২০১৭

মৰমৰ বন্ধু, দুলাল

প্ৰথমতে মোৰ আন্তৰিক প্ৰীতি সম্ভাষণ জনালোঁ। যোৱা কালি তোমাৰ চিঠিখন পাই বৰ ভাল লাগিল। চিঠিত জানিব পাৰিলোঁ যে তুমি মোৰ পৰীক্ষাৰ বিষয়ে জানিবলৈ কৌতুহলী হৈ আছা। সেয়ে আজি মই মোৰ পৰীক্ষাৰ বিষয়ে দুই এষাৰ কথা তোমাক জনাই আছোঁ।

যোৱা ২৭ ডিচেম্বৰত মোৰ পৰীক্ষা শেষ হ'ল। মই ইংৰাজীৰ বাহিৰে সকলো বিষয়তে ভাল কৰিছো। তুমি জানা যে মই ইংৰাজীত দুৰ্বল। সেয়ে এই বছৰ ইংৰাজী বিষয়ত টিউচন লোৱাৰ সিদ্ধান্ত লৈছোঁ। মই জানো যে তুমি ইংৰাজীত ভাল । সেয়ে মোক কিছু পৰামৰ্শ আগবঢ়াবা যাতে মই বিষয়টোত মোৰ দক্ষতা বৃদ্ধি কৰিব পাৰোঁ।

তোমাৰ বহুমূলীয়া পৰামৰ্শৰে পৰিপূৰ্ণ চিঠিলৈ বাট চাই আজিলৈ সামৰিছো। ইতি,

তোমাৰ বন্ধু
তপন

প্ৰতি,
নাম ঃ .............................
পিতা ঃ ...........................
গাওঁ ঃ ...........................
জিলা ঃ .........................
ডাক ঃ ............
পিন ঃ ...................

## ৭। সাময়িক ছুটি খুজি প্ৰধান শিক্ষকলৈ লিখা চিঠি।

বৰবালা
৪ এপ্ৰিল, ২০১৭

প্ৰতি,
মাননীয় প্ৰধান শিক্ষক
জে. কে. হাই স্কুল।

বিষয় ঃ সাময়িক ছুটি পোৱাৰ আবেদন।

মহাশয়,

সন্মানপূৰ্ব্বক বিনীত নিবেদন এই যে মই আপোনাৰ স্কুলৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী। মই নিয়মিত শ্ৰেণীত উপস্থিত আছো যদিও আজি মই পেটৰ অসুখত ভূগি আছোঁ। শৰীৰটো বৰ দুৰ্ব্বল হৈছে। এনে অৱস্থাত শ্ৰেণীত উপস্থিত থাকি ক্লাচ কৰি থকাটো বৰ অস্বস্তিকৰ অনুভৱ হৈছে।

গতিকে দয়ালু মহোদয়ৰ ওচৰত মোৰ আবেদন এই যে মোক যেন তৃতীয় পেৰিয়দৰ পিছত সাময়িক ছুটি দি বাধিত কৰে। ইতি

আপোনাৰ একান্ত বাধ্য ছাত্ৰ<br>
দীপিকা<br>
চতুৰ্থ শ্ৰেণী<br>
ৰোল নং - ২

## ৮। বনভোজলৈ যোৱাৰ অনুমতি বিচাৰি প্ৰধান শিক্ষকলৈ লিখা চিঠি।

প্ৰতি,<br>
মাননীয় প্ৰধান শিক্ষক — ১৫ জানুৱাৰী, ২০১৭<br>
কয়াকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়

মহাশয়,

উপৰি উক্ত বিষয় প্ৰসঙ্গত, সন্মানপূৰ্ব্বক বিনীত নিবেদন এই যে আমি পঞ্চম, ষষ্ঠ আৰু সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে শিৱসাগৰ ভ্ৰমণলৈ যাম বুলি সিদ্ধান্তত উপনীত হৈছো।

আমি কিতাপত পাইছো যে ঠাই ভ্ৰমণ হৈছে শিক্ষাৰ এক অংগ। সৰুৰে পৰা শিক্ষক-শিক্ষয়িত্ৰীৰ মুখৰ পৰা শুনিবলৈ পাইছোঁ যে শিৱসাগৰ হৈছে অসমৰ এক ইতিহাস প্ৰসিদ্ধ ঠাই। ইয়াত আহোম ৰজাসকলৰ কীৰ্তিচিহ্নবোৰ আছে। যদি আপুনি অনুগ্ৰহ কৰি অনুমতি দিয়ে তেন্তে আমি অহা ২১ জানুৱাৰীত তালৈ গৈ ইতিহাস প্ৰসিদ্ধ ঠাইখন চাই আমাৰ কৌতুহল নিবৃত কৰিম। আমাৰ যাত্ৰাৰ পৰিচালক আৰু পথ নিৰ্দেশক হিচাপে দুজন শিক্ষকক আমাৰ লগত পঠিয়াবলৈ অনুৰোধ জনালোঁ। আমি সকলো ধৰণৰ শৃঙ্খলা বজাই ৰখাৰ প্ৰতিশ্ৰুতি দিলোঁ।

আশা কৰিছো দয়ালু মহোদয়ে আমাৰ আবেদন মঞ্জুৰ কৰি আমাক বাধিত কৰিব। ইতি

বিনীত<br>
আপোনাৰ একান্ত বাধ্য ছাত্ৰ<br>
ৰকিব ছাহ<br>
শ্ৰেণী প্ৰতিনিধি<br>
পঞ্চম শ্ৰেণী।

## ৯। পৰীক্ষাত বহাৰ পৰা নিবৃতি বিচাৰি প্ৰধান শিক্ষকলৈ লিখা চিঠি।

প্ৰতি, — কমলপুৰ<br>
মাননীয় প্ৰধান শিক্ষক — ২ অক্টোবৰ, ২০১৩<br>
জ্ঞানোদয় জাতীয় বিদ্যালয়।

বিষয় ঃ পৰীক্ষাত বহাৰ পৰা নিবৃতি বিচাৰি আবেদন।

মহাশয়,

সন্মানপূৰ্ব্বক বিনীত নিবেদন এই যে মই আপোনাৰ স্কুলৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰ। মই কেইবাদিন ধৰি পেটৰ অসুখত ভূগি আছো। বৰ্তমান মোৰ অৱস্থা গুৰুতৰ হৈছে। চিকিৎসা চলি আছে। ডাক্তৰে মোক কেইদিনমান জিৰণিত থাকিবলৈ পৰামৰ্শ দিছে। তাৰোপৰি মই যথেষ্ট দুৰ্বল অনুভৱ কৰি আছো। গতিকে এনে অৱস্থাত আগন্তুক পৰীক্ষাত বহাটো মোৰ পক্ষে অসম্ভৱ।

সেয়ে দয়ালু মহোদয়ৰ ওচৰত মোৰ আবেদন এই যে মোক যেন অহা পৰীক্ষাত বহাৰ পৰা নিবৃতি দিয়ে। ।ইতি

বিনীত<br>
আপোনাৰ একান্ত বাধ্য ছাত্ৰ<br>
ৰবিন নাথ<br>
পঞ্চম শ্ৰেণী<br>
ক শাখা<br>
ৰোল নং - ১

০০০

অধ্যায়- ৪

# হাতে লিখা আখৰৰ নমুনা

মহাত্মা গান্ধীয়ে কৈছিল, "হাতৰ আখৰ শিক্ষাৰ এক অবিচ্ছেদ্য অংগ।" শিক্ষাবিদসকলেও ভাল হাতৰ আখৰৰ গুৰত্ব স্বীকাৰ কৰিছে। সেয়ে ছাত্ৰ অৱস্থাৰ পৰাই ভাল হাতৰ আখৰৰ অধিকাৰী হ'বলৈ চেষ্টা কৰা উচিত। অসমীয়া আখৰ সাধাৰণতে দুই ধৰণৰ হয়, যথা ঃ ছপা আখৰ আৰু হাতে লিখা আখৰ। হাতে লিখা আখৰৰ আৰ্হি ছপা আখৰতকৈ সামান্য বেলেগ হয়। হাতে লিখা আখৰৰ আৰ্হি ব্যক্তি ভেদে ভিন ভিন হয় যদিও হাতেৰে লিখা ভাল আখৰৰ কিছুমান বৈশিষ্ট্য আছে, যথা ঃ

(১) হাতে লিখা আখৰ ছাফ-চিকুনকৈ লিখিব লাগে যাতে সকলোৱে সহজতে বুজিব পাৰে।

(২) হাতৰ আখৰ লিখা শিকাৰ সময়ত সদায় এটি আৰ্হি অনুসৰণ কৰিব লাগে আৰু সদায় সেই আৰ্হিত লিখিব লাগে।

(৩) হাতে লিখা আখৰ সামান্য সোঁফালে বেকাঁ বা হেলনীয়া হ'ব লাগে।

(৪) হাতে লিখা আখৰ বেছি ডাঙৰ আৰু বেছি সৰু নহৈ মজলীয়া বিধৰ হ'ব লাগে।

তলত হাতে লিখা আখৰৰ আৰ্হি দেখুওৱা হ'ল ঃ

*"এই বিশ্বব্ৰহ্মাণ্ডৰ একমাত্ৰ সৃষ্টিকৰ্তাজন হ'ল ঈশ্বৰ। তেওঁক আমি বিভিন্ন নামেৰে মাতোঁ, যেনে — সংস্কৃতত ঈশ্ব, ইংৰাজীত 'গড' হিব্ৰুত যিহোৱা, আৰবীত আল্লাহ ইত্যাদি। আমি তেওঁক যি নামেৰেই নামোতো কিয়, তেওঁ শুনিবলৈ পায়। ঈশ্বৰে আমাক অতি মৰম কৰে। তেওঁ মানৱ জাতিক সৃষ্টিৰ সৰ্বশ্ৰেষ্ঠ কৰি সৃষ্টি কৰিছে। তেওঁৰ প্ৰভাৱ সৰ্বত্ৰ বিৰাজমান। তেওঁ আমাক তেওঁৰ একান্ত অনুগত হোৱাটো বিচাৰে।"* ০ ০ ০



অধ্যায়- ৫

# প্ৰাৰ্থনা সংগীত

## প্ৰাৰ্থনা (নামঘোষাৰ পৰা)

-শ্ৰীশ্ৰী মাধৱদেৱ

তুমি চিত্ত বৃত্তি মোৰ প্ৰৱৰ্তক নাৰায়ণ
তুমি নাথ মঞিঃ নাথৱন্ত,
চৰণ ছত্ৰৰ ছায়া দিয়া দূৰ কৰা মায়া
কৰা দয়া প্ৰভু ভগৱন্ত।
তুমি মোৰ অন্তৰ্য্যামী তযু ভৃত্য ভৈলো আমি
জানি কৃপা কৰা হৃষিকেশ,
দান্তে তৃণ তুলি লওঁ যিমতে সেৱাত ৰওঁ
দিয়া মোক সেহি উপদেশ।
তুমি ভক্ত-কল্পতৰু বাহিৰে ভিতৰে গুৰু
তুমি বিনে নাহি মোৰ আৰ,
কৃপা কৰা হে হৰি চৰণত ৰক্ষা কৰি
দিয়া মোক সেৱা-ৰস-সাৰ।
নজানোহো আৱাহন নজানোহো বিসৰ্জন
পূজা মন্ত্ৰ নজানো কিঞ্চিত,
এতেকে পৰমেশ্বৰ দাস ভৈলো চৰণৰ
মোৰ গতি সাধিবে উচিত।

# অসমৰ জাতীয় সংগীত

-লক্ষ্মীনাথ বেজবৰুৱা

অ' মোৰ আপোনাৰ দেশ।
অ' মোৰ চিকুণী দেশ।
এনেখন শুৱলা,
এনেখন সুফলা,
এনেখন মৰমৰ দেশ।
অ' মোৰ সুৰীয়া মাত।

অসমৰ সুৱদি মাত।
পৃথিৱীৰ ক'তো
বিচাৰি জনমটো
নোপোৱা কৰিলেও পাত।

অ' মোৰ ওপজা ঠাই।
অ' মোৰ অসমী আই।
চাই লওঁ এবাৰ
মুখনি তোমাৰ
হেঁপাহ মোৰ পলোৱা নাই।






# ভাৰতৰ ৰাষ্ট্ৰীয় সংগীত

-ৰবীন্দ্ৰনাথ ঠাকুৰ

জন-গণ-মন অধিনায়ক জয়হে
ভাৰত- ভাগ্য- বিধাতাঙ্গ
পঞ্জাৱ-হিন্দু-গুজৰাট-মাৰাঠা
দ্ৰাবিড়-উৎকল-বঙ্গ
বিন্ধ্য-হিমাচল-যমুনা-গঙ্গা
উচ্ছল-জলধি-তৰঙ্গ,
তবশুভ নামে জাগে,
তবশুভ আশিস মাগে,
গাহে তব জয় গাঁথা।
জন-গণ-মঙ্গল দায়ক জয়হে
ভাৰত ভাগ্য বিধতাঙ্গ
জয় হে, জয় হে, জয় হে
জয়, জয়, জয়, জয় হে।।



# বন্দে মাতৰম্

-বংকিম চন্দ্ৰ চেটাৰ্জি

সুজলাম্ সুফলাম্ মলয়জ শীতলাম্
শস্য শ্যামলাম্ মাতৰম্।
শুভ্ৰ জ্যোৎস্না পুলকিত যামিনীম্
ফুল্ল কুসুমিত দ্ৰুমদল শোভিনীম্
সুভাসিনীম্ সুমধুৰ ভাষিণীম্
সুখদাম্ বৰদাম্ মাতৰম্। ০ ০ ০



# অধ্যায়- ৬

# ৰচনা

## গৰু



**আৰম্ভণি** ঃ গৰু এবিধ চাৰিঠেঙীয়া উপকাৰী জন্তু। ভাৰতৰ সৰহভাগ কৃষক পৰিয়ালে গৰু পোহে।

**বিৱৰণ** ঃ গৰুৰ দুখন কাণ, দুখন চকু আৰু দুখন শিং আছে। কিছুমান গৰুৰ শিং নাই. শিং নথকা গৰুক লাওমূৰা বোলে। মহ- মাখি খেদাবৰ বাবে ইয়াৰ এখন দীঘল নেজ আছে। ইয়াৰ গোটেই শৰীৰত মিহি নোম আছে। ইয়াৰ ভৰিৰ খুৰাবোৰ ফটা। গৰু বিভিন্ন বৰণৰ আছে, যথা ঃৰঙা, বগা, কলা, কজলা, পখৰা ইত্যাদি। গৰুৱে ঘাঁহ, খেৰ, গছৰ পাত আদি খাই জীয়াই থাকে।

**উপকাৰিতা** ঃ গৰু মানুহৰ বাবে অতি উপকাৰী জন্তু। গাই গৰুৱে প্ৰতিবছৰ এটাকৈ পোৱালি দিয়ে। গৰুৰ গাখীৰ বৰ পুষ্টিকৰ খাদ্য। গাখীৰৰ পৰা আমি ঘি, মাখন আদি পাওঁ। কৃষকে ইয়াৰ সহায়ত পথাৰত হাল বায়। বলধ গৰুৰ দ্বাৰা গাড়ী চলোৱা হয়। গৰুৰ উপকাৰিতালৈ চাই হিন্দুসকলে গৰুক মাতৃ বুলি পূজা কৰে।

গৰুৰ গোবৰ খেতিৰ বাবে উত্তম সাৰ। ইয়াৰ হাড়ৰ পৰা ৰাসায়নিক সাৰ আৰু ঔষধ তৈয়াৰ কৰা হয়। ইয়াৰ ছালৰ পৰা বেগ, মোনা, বেল্ট, জোতা, আদি বনোৱা হয়।

সামৰণি ঃ গৰু বৰ উপকাৰী জীৱ। আমি গৰুৰ উপযুক্ত যত্ন লোৱা উচিত।

## মেকুৰী



**পৰিচয়** ঃ মেকুৰী এবিধ উপকাৰী চাৰিঠেঙীয়া জন্তু। মেকুৰী সহজতে পোহ মানে। আফ্ৰিকাৰ হাবিত বনৰীয়া মেকুৰীও পোৱা যায়।

**আকৃতি**ঃ মেকুৰী দেখিবলৈ প্ৰায় বাঘৰ দৰে। ইয়াৰ ঠেং চাৰিখন।



ইয়াৰ চকু দুটি বৰ উজ্জ্বল। ইয়াৰ গাটো মিহি নোমেৰে ঢকা। ইয়াৰ দাঁতবোৰ অতি চোকা। মেকুৰী নানা বৰণৰ আছে যেনে - কলা, বগা, কজলা, পখৰা ইত্যাদি। ইয়াৰ মুখত দীঘল দীঘল কেইডালমান গোঁফ আছে।

**প্ৰকৃতি** ঃ মেকুৰী এবিধ চিকাৰী জন্তু। ই এন্দুৰ, নিগনি, সাপ আদি সহজে চিকাৰ কৰিব পাৰে। ই এক মাংসহাৰী জীৱ যদিও ই মানুহে খোৱা প্ৰায় সকলো বস্তুৱেই খাব পাৰে। ইয়াৰ দৃষ্টি শক্তি বৰ তীক্ষ্ণ। ই আন্ধাৰত স্পষ্টকৈ দেখে। গাখীৰ মেকুৰীৰ প্ৰিয় খাদ্য। মাইকী মেকুৰীয়ে এবাৰতে তিনি-চাৰিটাকৈ পোৱালিৰ জন্ম দিয়ে। মেকুৰীয়ে ঘৰত থকা অনিষ্টকাৰী জীৱ যেনে - এন্দুৰ, নিগনি, পইতাঁচোৰা, সাপ আদি চিকাৰ কৰি আমাৰ উপকাৰ কৰে।

**সামৰণি** ঃ মেকুৰী মানুহৰ বৰ উপকাৰী জন্তু। আমি পোহনীয়া মেকুৰীৰ যত্ন লোৱা উচিত।

## কুকুৰ



**আৰম্ভণি** ঃ কুকুৰ এবিধ চাৰিঠেঙীয়া উপকাৰী জন্তু।

**বিৱৰণ** ঃ কুকুৰৰ দুখন কাণ, দুখন চকু, এডাল নেজ আছে। নেজডাল বেঁকা। ই এবাৰতে তিনি-চাৰিটাকৈপোৱালিৰ জন্ম দিয়ে। ইয়াৰ চোকা দাঁত আৰু নখ আছে।

কুকুৰৰ বহুতো প্ৰজাতিৰ আছে যেনে ঃ গ্ৰে-হাউণ্ড, ষ্টৈ হাউণ্ড, বুল ডগ, স্পানিয়েল, এলচাটিয়ান, মাষ্টিফ ইত্যাদি। এলচাটিয়ান কুকুৰ বৰ হিংস্ৰ।

কুকুৰ বহুতো বৰণৰ আছে, যেনে ঃ কলা, বগা, পখৰা, কজলা ইত্যাদি। ইউৰোপৰ কুকৰ ডাঙৰ আকাৰৰ । কিন্তু ভাৰতীয় কুকুৰ আকাৰত চুটি-চাপৰ। কুকুৰ মাংসহাৰী জীৱ যদিও ই আন আন খাদ্যও খায়।

কুকুৰ মানুহৰ অতি বিশ্বস্ত বন্ধু। চিকাৰীসকলে কুকুৰৰ সহায়ত হাবিত জীৱ-জন্তু চিকাৰ কৰে। ঘৰত পোহা কুকুৰে কোনো বাহিৰা মানুহক ইয়াৰ গৰাকীৰ ঘৰৰ ভিতৰত প্ৰৱেশ কৰিবলৈ নিদিয়ে।

কুকুৰে ভাল প্ৰশিক্ষণ ল'ব পাৰে। ভালদৰে প্ৰশিক্ষিত কুকুৰে নানা ধৰণৰ খেল দেখুৱাব পাৰে। কেতিয়াবা কেতিয়াবা কুকুৰ বলিয়া হোৱাও দেখা যায়। বলিয়া কুকুৰে মানুহক কামোৰে। বলিয়া কুকুৰৰ পৰা মানুহ বৰ সাৱধানে থাকিব লাগে।

**সামৰণি** ঃ পোহনীয়া কুকুৰ হৈছে ইয়াৰ গৰাকীৰ অতি বিশ্বস্ত বন্ধু। আমি পোহনীয়া কুকুৰৰ যত্ন লোৱা উচিত।

# আমাৰ গাওঁ

**আৰম্ভণি** ঃ আমাৰ গাওঁখনৰ নাম বৰ পথাৰ। ই শোণিতপুৰ নগৰৰ পৰা প্ৰায় বিশ কিলোমিটাৰ পূৱত অৱস্থিত। ই এখন কৃষি প্ৰধান গাওঁ।

**বিৱৰণ** ঃ আমাৰ গাওঁত প্ৰায় দুইশমান পৰিয়াল আছে। আমৰ গাওঁৰ সৰহভাগ মানুহ বৈষ্ণৱপন্থী হিন্দু সম্প্ৰদায়ৰ। কৃষিয়েই হৈছে গাওঁখ নৰ অধিবাসীসকলৰ জীৱিকাৰ মূল উপায়। ইয়াৰ কিছুসংখ্যক লোক ব্যৱসায় বাণিজ্যৰ লগত জড়িত।

আমাৰ গাওঁখন এটি অনুন্নত গাওঁ বুলি ক'ব পাৰি। যোগাযোগ ব্যৱস্থাও অতি দুখঃজনক। ৰাস্তা-ঘাটৰ ক্ষেত্ৰত গাওঁখন অতি পিছ পৰি আছে। গাওঁখনৰ সোঁমাজেদি এটি ৰাস্তা অলপতে নিৰ্মাণ হৈছে। অতি দুখৰ বিষয় যে গাওঁখনত আজিলৈকে কোনো বিজুলী বাতিৰ ব্যৱস্থা হোৱা নাই।

আমাৰ গাওঁখনত এটি প্ৰাথমিক বিদ্যালয় আৰু এখন মাত্ৰ মজলীয়া বিদ্যালয় আছে। গাওঁখন শিক্ষাৰ দিশতো পিছ পৰি আছে। গাওঁখনত চৰকাৰী চাকৰিয়াল নাই বুলিয়েই ক'ব পাৰি।

**সামৰণি** ঃ আমাৰ গাওঁখন অতি অনুন্নত যদিও আমি ইয়াক বৰ ভাল পাওঁ। আমি গাওঁখন দ্ৰুত উন্নয়নৰ বাবে চৰকাৰৰ শুভদৃষ্টি আশা কৰোঁ।

# আমাৰ নগৰ

**আৰম্ভণি** ঃ আমাৰ নগৰখনৰ নাম বৰপেটা । হৈছে বৰপেটা জিলাৰ সদৰ ঠাই।

**বিৱৰণ** ঃ নগৰখন ঘন বসতিপূৰ্ণ। ইয়াত প্ৰায় বিশ হেজাৰ মানুহে শান্তিৰে বসবাস কৰি আছে। ইয়াত দহখন প্ৰাথমিক বিদ্যালয়, চাৰিখন উচ্চ মাধ্যমিক বিদ্যালয়, তিনিখন কনিষ্ঠ মহাবিদ্যালয় আৰু এখন মহাবিদ্যালয় আছে। বৰপেটাৰ এম. চি. কলেজ অসমৰ এখন লেখতলবলগীয়া মহাবিদ্যালয়। ইয়াত এখন আইন কলেজ আৰু এখন বি.টি কলেজো আছে। টাউনখনত পাঁচখন মছজিদ আৰু সাতখন মন্দিৰ আছে। বৰপেটাৰ নামঘৰ অসম বিখ্যাত। বৰপেটা জিলাৰ পুথিভঁৰালখনো এই নগৰতে অৱস্থিত। পুথিভঁৰালখন বিভিন্ন বিষয়ৰ কিতাপেৰে পৰিপূৰ্ণ। ইয়াত দুখন চৰকাৰী চিকিৎসালয়, এখন ডাক ঘৰ আৰু এখন পশু চিকিৎসালয় আছে। নগৰখনৰ পূৱ অংশত দুখন আৰক্ষী চকী আছে।



বজাৰখন হ'ল নগৰখনৰ ব্যৱসায়ৰ কেন্দ্ৰ। বজাৰখনত দৈনন্দিন জীৱনত প্ৰয়োজনীয় সকলো বস্তু পোৱা যায়।

নগৰখনৰ সৰহসংখ্যক অধিবাসী বৈষ্ণৱপন্থী হিন্দু যদিও ইয়াত অন্যান্য ধৰ্মৰ লোকো বসবাস কৰে।

**সামৰণি** ঃ মই মোৰ নগৰখনক বৰ ভাল পাওঁ। মই ইয়াৰ সৰ্বাঙ্গীন উন্নয়ন কামনা কৰোঁ।

# আমাৰ পঢ়াশালি

**আৰম্ভণি** ঃ আমাৰ পঢ়াশালিখনৰ নাম জ্ঞানদ্বীপ মজলীয়া মডেল একাডেমী। স্কুলখন ১৯৮৪ চনত স্থাপন কৰা হৈছে। ই এখন বেচৰকাৰী বিদ্যালয়। ই কোকৰাঝাৰ টাউনৰ পৰা চাৰি কিলোমিটাৰ দক্ষিণত অৱস্থিত।

**বিৱৰণ** ঃ আমাৰ স্কুলত দুখন বিল্ডিং আছে। প্ৰতিটো বিল্ডিঙত চাৰিটাকৈ কোঠালী আছে। প্ৰতিটো কোঠালিত ছয়টাকৈ খিড়িকী আৰু দুটাকৈ দৰজা আছে। প্ৰতিটো কোঠালীত সুন্দৰ চিলিং আছে। ইয়াৰ দুটা কোঠালী শিক্ষকসকলৰ উমৈহতীয়া কোঠালী হিচাপে ব্যৱহাৰ কৰা হয়। আমাৰ স্কুলৰ সন্মুখত এটি আহল-বহল খেলপথাৰো আছে।

আমাৰ স্কুলত প্ৰায় তিনিশ ছাত্ৰ-ছাত্ৰী আছে। আমাৰ শিক্ষকসকল অতি আদৰ্শবান। তেখেতসকলে আমাক অতি মৰমেৰে শিক্ষাদান কৰে। ইয়াৰ শিক্ষাৰ পৰিবেশ আদৰ্শনীয়। স্কুলখনে ইয়াৰ স্থাপনৰ দিনৰে পৰা বহুত উচ্চ শিক্ষিত নাগৰিকৰ সৃষ্টি কৰি আহিছে।

**সামৰণি** ঃ মই মোৰ বিদ্যালয়খনক অতি ভাল পাওঁ। এনে সুন্দৰ শৈক্ষিক পৰিবেশ থকা স্কুলখনৰ ছাত্ৰ হোৱা বাবে মই গৌৰৱান্বিত।

# ঈদ

**পৰিচয়** ঃ ঈদ হৈছে ইছলাম ধৰ্মাৱলম্বী লোকসকলে পালন কৰা এক ধৰ্মীয় উৎসৱ। এবছৰত ঈদ দুটা, যেনে- ঈদ-উল-ফিতৰ আৰু ঈদ-উল- আজহা বা ঈদোজ্জোহা। ঈদ' শব্দৰ অৰ্থ হ'ল আনন্দ।

**বিৱৰণ** ঃ মুছলমানসকলে আৰবী ৰমজান মাহ জুৰি ৰোজা ৰাখি মাহৰ শেষত আকাশত ওলোৱা ন-জোন চাই তাৰ পিছ দিনা ঈদ-উল-ফিতৰ উৎসৱ পালন কৰে। আনহাতে আৰবী জেলহজ্জ মাহৰ ১০ তাৰিখৰ দিনা

ঈদোজ্জোহা উৎসৱ পালন কৰা হয়।

ঈদৰ দিনা সকলো ইছলামধৰ্মী লোকসকলে ৰাতিপুৱা গা- পা ধুই নতুন কাপোৰ পিন্ধে। দুখীয়াক ফিৎৰা (দান) প্ৰদান কৰে। মিঠাহ, পায়স, আদি নানা ধৰণৰ সুস্বাদু খাদ্য গ্ৰহণ কৰে। সৰুৱে ডাঙৰক সেৱা কৰে। ডাঙৰে সৰুক আশীৰ্বাদ কৰে। ৰাতিপুৱা ৮ বজাৰ পৰা ১০ বজাৰ ভিতৰত ঈদগাহ বা মছজিদ প্ৰাঙ্গনত সমূহীয়া নামাজ পঢ়ে।

ঈদোজ্জোহাৰ দিনা সমূহীয়া নামাজৰ অন্তত ধনী লোকসকলে ভেড়া, ছাগলী, গৰু, ম'হ আদি কোৰবানী (ঈশ্বৰৰ নামত উছৰ্গা) কৰে। কোৰবানী কৰা প্ৰথাটো হজৰত মহম্মদৰ পূৰ্বপুৰুষ হজৰত ইব্ৰাহিম নামৰ পয়গম্বৰৰ পৰা আহিছে। এদিনাখন পয়গম্বৰ ইব্ৰাহিমে নিজৰ শিশু পুত্ৰ ইছমাইলক আল্লাহৰ নামত উৎসৰ্গা কৰিব লাগে বুলি আল্লাহই তেওঁক সপোনযোগে জনায়। আল্লাহৰ আদেশ পাই আল্লাহক সন্তুষ্ট কৰিবলৈ আনন্দমনে পুত্ৰ ইছমাইলক কোৰবানী কৰিবলৈ পথাৰলৈ লৈ যায়। কিন্তু আচৰিত যে কোৰবানী কৰাৰ পিছত কোৰবানী স্থলত পুত্ৰৰ সলনি এটি দুম্বা (ছাগলী জাতীয় জন্তু) পোৱা গ'ল। ইছলাম ধৰ্মৰ প্ৰচাৰক হজৰত মহম্মদে এই প্ৰথাটো সংস্কাৰ কৰি পালন কৰিবলৈ লয় আৰু তেতিয়াৰ পৰা এই প্ৰথাটো চলি আছে।

**সামৰণি ঃ** ঈদ উৎসৱে মিলা-প্ৰীতি, আনন্দ, শান্তি, একতা আৰু ভাতৃত্ববোধ গঢ়াত সহায় কৰে।

## বৰদিন

**পৰিচয় ঃ** বৰদিন হৈছে খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকসকলে পালন কৰা এক ডাঙৰ উৎসৱ। যীশুখ্ৰীষ্টই আজিৰ পৰা দুহেজাৰ বছৰ আগতে বৰ্তমানৰ জেৰুজালেমৰ বেথেলহেম নামে ঠাইত ২৫ ডিচেম্বৰত জন্ম গ্ৰহণ কৰে। যীশু খ্ৰীষ্টৰ জন্মৰ দিনটোৰ স্মৰণত খ্ৰীষ্টানধৰ্মাৱলম্বীসকলে প্ৰতি বছৰে ২৫ ডিচেম্বৰ দিনটোক 'বৰদিন' হিচাপে পালন কৰে।

**বিৱৰণ ঃ** যীশু খ্ৰীষ্টৰ পিতৃ-মাতৃৰ নাম আছিল ক্ৰমে জোছেফ আৰু মেৰী। যীশুৰ জন্মৰ কালছোৱা পৃথিৱী অশান্তি, অধৰ্ম আৰু নানান ধৰণৰ পাপাচাৰেৰে ভৰি পৰিছিল। বিশ্বৰ মানুহে সঠিক পথ হেৰুৱাই পেলাইছিল। তেনে দুৰ্যোগপূৰ্ণ সময়ত যীশু খ্ৰীষ্টই জন্মলাভ কৰি মানৱৰ মুক্তিৰ পথ দেখুৱাইছিল। তেওঁ মানুহক প্ৰেম, দয়া, ভাতৃত্ববোধ, ক্ষমা, পৰোপকাৰ আদি মহান আদৰ্শৰ কথা প্ৰচাৰ কৰিছিল। তেওঁ প্ৰচাৰ কৰা ধৰ্মক তেওঁৰ নাম অনুসাৰেই 'খ্ৰীষ্টান ধৰ্ম' বুলি কোৱা হয়।



কিন্তু সেই সময়ত বহুতো লোকে বিশেষকৈ ইহুদি সম্প্ৰদায়ৰ লোকে যীশু খ্ৰীষ্টৰ প্ৰেমৰ বাণী অগ্ৰাহ্য কৰি তেওঁৰ বিৰোধিতা কৰিছিল আৰু অৱশেষত তেওঁক ক্ৰুছবিদ্ধ কৰি হত্যা কৰিছিল।

**বৰদিনৰ তাৎপৰ্য ঃ** বৰ দিনৰ দিনা খ্ৰীষ্টানসকলে ৰাতিপুৱা প্ৰাৰ্থনা আৰু যীশুৰ গুণ-কীৰ্তন গায়। সকলোৱে মিলিজুলি ভোজ-ভাত খায়। সৰুৱে ডাঙৰক সেৱা কৰে আৰু ডাঙৰে সৰুক আশীৰ্বাদ দিয়ে। সন্ধিয়া ঘৰত প্ৰদীপ জ্বলায়।

এই দিনটো প্ৰেম আৰু ভাতৃত্ববোধৰ প্ৰতীক। যীশুৰ মহান ত্যাগৰ কথা এই উৎসৱে সোঁৱৰাই দিয়ে। কিছুমান ঠাইত দেৱদাৰু গছৰ ডাল এটা কাটি সজাই পৰাই বৰদিনৰ গছ হিচাপে ৰখা হয়। ইয়াৰ লগতে বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰে। সমূহীয়া সংগীতৰ ব্যৱস্থা কৰা হয়। সেই দিনা বিশ্ববাসীৰ উদ্দেশ্যে পোপে প্ৰেম আৰু ধৰ্মৰ বাণী শুনায়।

**সামৰণি ঃ** বৰদিন উৎসৱটো গোটেই মানৱ জাতিৰ বাবে এক মঙ্গলময় বাৰ্তাৰ বাহক। ইয়ে মানুহক সৎ আৰু ঈশ্বৰপৰায়ণ হ'বলৈ শিক্ষা দিয়ে। আমি সকলোৱে বৰদিন উৎসৱ পালনৰ লগে লগে যীশু খ্ৰীষ্টৰ ত্যাগ আৰু ধৰ্মীয় বাণীৰ দ্বাৰা উদ্বুদ্ধ হোৱা উচিত।

## সৰস্বতী পূজা

**আৰম্ভণি ঃ** ভাৰতৰ হিন্দু সম্প্ৰদায়ৰ লোকসকলে পালন কৰা এক ডাঙৰ উৎসৱ হ'ল সৰস্বতী পূজা। প্ৰতিবছৰে মাঘ মাহৰ পঞ্চমী তিথিত এই উৎসৱ পালন কৰা হয়। হিন্দু শাস্ত্ৰমতে সৰস্বতী হৈছে 'জ্ঞান আৰু বিদ্যা'ৰ দেৱী।

**বিৱৰণ ঃ** সৰস্বতী পূজাৰ দিনা হিন্দুসকলে সৰস্বতী দেৱীৰ মূৰ্তি সুন্দৰকৈ সজাই বগা শাৰী পিন্ধোৱাই বগা পদুম ফুলৰ আসনত আৰু বগা ৰাজহাঁহৰ বাহনত স্থাপন কৰে। সৰস্বতী দেৱীৰ এখন হাতত বীণা আৰু আনখন হাতত পুস্তক থাকে।

পূজাৰ দিনা ৰাতিপুৱা মানুহে গা- পা ধুই নতুন কাপোৰ পিন্ধে। পূজাৰ কাৰণে ফুল, বেলপাত, তুলসী আদি গোটাই পবিত্ৰ ভাৱেৰে সৰস্বতী দেৱীৰ চৰণত নিবেদন কৰা হয়। পূজাৰীয়ে শান্তি নিৰ্মালি দান কৰি আশীৰ্বাদ দিয়ে। পূজাৰ পিছত প্ৰসাদ বিতৰণ কৰা হয়।

বিভিন্ন ধৰণৰ সুস্বাদু খাদ্য প্ৰস্তুত কৰি আত্মীয়-স্বজনক খুওৱা হয়। নিমন্ত্ৰিত অতিথিসকলক সাদৰ অভ্যৰ্থনা জনোৱা হয়। দুখীয়াক দান বৰঙণি দিয়া হয়। পূজাৰ পিছদিনা সৰস্বতী দেৱীৰ মূৰ্তি নৈ বা পুখুৰীত বিসৰ্জন দিয়া হয়। কোনো কোনো ঠাইত পূজাৰ দিনা সন্ধিয়া বা পূজাৰ পিছদিনা সাংস্কৃতিক

অনুষ্ঠানৰো আয়োজন কৰে। ল'ৰা-ছোৱালীয়ে ৰং-তামচা, খেল-ধেমালী আদি কৰে।

**সামৰণি ঃ** বিদ্যা আৰু জ্ঞান কামনা কৰি এই সৰস্বতী পূজা কৰা হয় যদিও ইয়াৰ মাজেৰে মিলা-প্ৰীতি, শান্তি, একতা আৰু ভাতৃত্ববোধ আদি গুণৰাজিৰ বিকাশ হয়।

## কলগছ

**পৰিচয় ঃ** কল এবিধ তৃণ জাতীয় গছ। ই এবাৰ ফল দি মৰি যায়। কল এবিধ অন্যতম পুষ্টিকৰ ফল।

**বিৱৰণ ঃ** কলগছৰ মূঢ়া বা আলুৰ পৰা নতুন কলগছ হয়। সাধাৰণতে গ্ৰীষ্মকালত কল গছ ৰোৱা হয়। বালিচহীয়া মাটিত কলগছ ভাল হয়। কলগছ আঠ ফুটৰ পৰা ওঠৰ-বিশ ফুট দীঘল হয়। কলগছ ৰোওঁতে ইয়াৰ গুৰিত ছাই আৰু খলিহৈ প্ৰয়োগ কৰিলে ফলন ভাল হয়। কলগছৰ গুৰিত গোবৰ দিয় অনুচিত। গোবৰে কলগছৰ গুৰিত নানা ৰোগ সংক্ৰমণ হোৱাত সহায় কৰে।কল নানা প্ৰজাতিৰ আছে, যেনে- চেনিচম্পা, মনোহৰ, ভীম কল, আঠিয়া কল, মালভোগ কল, জাহাজী কল ইত্যাদি।

**উপকাৰিতা ঃ** কল এবিধ অতি পুষ্টিকৰ খাদ্য। ই ৰোগীৰ পথ্য হিচাপেও ব্যৱহাৰ কৰা হয়। হিন্দুসকলে কল পূজাৰ উপচাৰ হিচাপে ব্যৱহাৰ কৰে। ইয়াৰ পাত ভোজন পাত্ৰ হিচাপেও ব্যৱহাৰ কৰা হয়। বানপানী আসক্ত দেশত কলগছেৰে ভুৰ বনোৱা হয়। ইয়াৰ শিপাৰ পৰা ঔষধ তৈয়াৰ কৰা হয়। শুকান কলগছ জুইত পুৰি কলখাৰ তৈয়াৰ কৰা হয়। কলখাৰ অসমীয়া লোকসকলৰ বৰ প্ৰিয় খাদ্য। অসমীয়া মানুহে গাখীৰ ভাতৰ লগত কল খাই ভাল পায়।

**সামৰণি ঃ** কল পুষ্টিকৰ হোৱাৰ উপৰিও ই বৰ সোৱাদযুক্ত। এনে এবিধ ভাল ফল গছ আমাৰ সকলোৰে ঘৰত থকা উচিত।

## ধানখেতি

**পৰিচয় ঃ** ধান এবিধ ওষধি তৃণ জাতীয় উদ্ভিদ। ধানৰ পৰা চাউল হয় আৰু চাউলৰ পৰা ভাত আৰু নানা ধৰণৰ খাদ্য সম্ভাৰ প্ৰস্তুত কৰা হয়।

**প্ৰকাৰ ঃ** পৃথিৱীৰ প্ৰায় সকলো দেশতে ধান খেতি হয় যদিও নিৰক্ষীয় অঞ্চলত ধানখেতি বৰ ভাল হয়। আমাৰ দেশত হোৱা ধানবোৰক প্ৰধানকৈ



দুটা প্ৰজাতিত ভাগ কৰিব পাৰি, যেনে- আহু ধান আৰু শালি ধান। আহু ধানতকৈ শালি ধানৰ উৎপাদন ভাল হয়। শালি ধানৰ আকৌ নানা প্ৰকাৰ আছে,যেনে- মালা, পানী শইলা, জহা, আইজং, চেপা, জয়া ইত্যাদি।

**খেতি কৰাৰ পদ্ধতি ঃ** ধান সাধাৰণতে জ'হকালিন শস্য। আমাৰ দেশত ফাগুন আৰু চ'ত মাহত আহু ধানৰ বীজ সিঁচা হয়। বীজ সিঁচাৰ আগতে মাটিডৰা ভালকৈ চহ কৰি ল'ব লাগে। সাধাৰণতে বীজ সিঁচাৰ পঁচিশ দিনমান পিছৰ পৰা ঘাহঁবন চাফা কৰি থাকিব লাগে। আহাৰ আৰু শাওন মাহত আহু ধান চপোৱা হয়।

আনহাতে আমাৰ দেশত আহাৰ মাহৰ পৰা শালি ধানৰ বতৰ আৰম্ভ হয়। শালি ধান ৰুৱৰ বাবে প্ৰথমে বোকা মাটিত কঠিয়া সিঁচিব লাগে। কঠিয়া সিঁচাৰ পৰা বিশৰ পৰা ত্ৰিশ দিনৰ ভিতৰত পথাৰত ৰুই দিব লাগে। সাধাৰণতে অলপ দ মাটিত বা অলপ পানী থকা মাটিত শালি ধানৰ কঠিয়া ৰুব লাগে। শাওন আৰু ভাদ মাহ শালিধানৰ কঠিয়া ৰুৱাৰ উপযুক্ত সময়। শালি ধান আঘোণ আৰু পুহ মাহত পকে।

**উপকাৰিতা ঃ** পৃথিৱীৰ প্ৰায় পঞ্চাশ শতাংশ মানুহৰ প্ৰধান আহাৰ ভাত। ধানেই হৈছে ভাতৰ প্ৰধান উৎস। ধানৰ পৰা চাউল হয় আৰু চাউলৰ পৰা আমি ভাত পাওঁ। ইয়াৰ উপৰিও চাউলৰ পৰা বিবিধ সোৱাদযুক্ত খাদ্যসম্ভাৰ প্ৰস্তুত কৰা হয়, যেনে- চিৰা, মুৰী, পিঠা, সান্দহ ইত্যাদি। ধানৰ পতান বা তুঁহ খেতিত সাৰ হিচাপে ব্যৱহাৰ কৰাৰ উপৰিও কিছুমান মানুহে ইন্ধন হিচাপেও ব্যৱহাৰ কৰে।

**সামৰণি ঃ** বৰ্তমান বিশ্বত জনসংখ্যা বৃদ্ধিৰ লগে লগে ধানৰ চাহিদাও বাঢ়ি আছে। কিন্তু দেখা যায় ধানৰ উৎপাদন ইয়াৰ চাহিদা অনুপাতে বৃদ্ধি পোৱা নাই। বহুতো দেশত উৎপাদন বৃদ্ধিৰ আশাত খেতিত নানা ধৰণৰ ৰাসায়নিক সাৰ প্ৰয়োগ কৰাৰ ফলত খেতিৰ উৰ্বৰা শক্তি নষ্ট হৈছে। সেয়ে আমি ধান উৎপাদনৰ প্ৰধান উৎস মাটিৰ গুণা-গুণ ঠিক ৰাখি ইয়াৰ উৎপাদন বৃদ্ধি কৰাৰ প্ৰতি সচেষ্ট হোৱা উচিত।

## মহাত্মা গান্ধী
## বা
## এজন মহান ব্যক্তিৰ জীৱনী
## বা
## মোৰ এজন আদৰ্শনীয় ব্যক্তি

**জন্ম আৰু পৰিচয়ঃ** আজিলৈ বিশ্বত জন্ম গ্ৰহণ কৰা মহান মানৱতাবাদী নেতাসকলৰ ভিতৰত এজন অন্যতম নেতা আছিল মহাত্মা গান্ধী। তেওঁ একেধাৰে এজন স্বাধীনতা বিপ্লৱী, হিন্দু-মুছলমানৰ সমন্বয়কাৰী, সমাজ সংস্কাৰক, লেখক, দাৰ্শনিক আৰু সৰ্বোপৰি আধুনিক ভাৰতীয় জাতিৰ পিতৃ। মহাত্মা গান্ধীৰ আচল নাম আছিল মোহনদাস কৰমচান্দ গান্ধী। তেওঁ ১৮৬৯ চনৰ ২অক্টোবৰ তাৰিখে গুজৰাটৰ পোৰবন্দৰত জন্মগ্ৰহণ কৰিছিল। তেওঁৰ দেউতাকৰ নাম আছিল কৰমচান্দ গান্ধী আৰু মাকৰ নাম আছিল পুতুলী বাঈ।

**শিক্ষা আৰু কৰ্ম জীৱন ঃ** গান্ধীয়ে গুজৰাটৰ ৰাজকোটৰ পৰা প্ৰাথমিক শিক্ষা লাভ কৰি ইংলণ্ডলৈ যায় আৰু এজন উকিল হৈ আহে। তেওঁ ভাৰতৰ বম্বে হাই কোৰ্টত প্ৰথমে উকালতি আৰম্ভ কৰে যদিও পিছলৈ তেওঁ উকালতি ব্যৱসায়ৰ উদ্দেশ্যে দক্ষিণ আফ্ৰিকালৈ যায়। দক্ষিণ আফ্ৰিকাত থকা সময়খিনিত তেওঁ সেই সময়ত উপনিবেশিক শাসকসকলে থলুৱা আফ্ৰিকীয় আৰু প্ৰৱাসী ভাৰতীয় সকলৰ ওপৰত কৰা দমনমূলক অন্যায় নীতিৰ বিৰুদ্ধে এলানি আন্দোলনৰ গুৰি ধৰি সফলতা আৰু জনপ্ৰিয়তা অৰ্জন কৰে।

১৯১৫ চনত তেওঁ ভাৰতলৈ ঘূৰি আহি ভাৰতীয় জাতীয় কংগ্ৰেছত যোগদান কৰি ইয়াৰ নেতৃত্ব গ্ৰহণ কৰে। তেওঁ নেতৃত্ব বহন কৰি ইংৰাজ সকলক ভাৰতৰ পৰা খেদিবলৈ আৰু বিদেশী শাসনৰ পৰা ভাৰতক মুক্ত কৰিবলৈ এলানি আন্দোলন পৰিচালনা কৰে আৰু অৱশেষত ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষক স্বাধীন কৰে।

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ এবছৰ পিছত ১৯৪৮ চনৰ ৩০জানুৱাৰীত নাথুৰাম গড্‌চ নামৰ এজন আততায়ীয়ে তেখেতক গুলিয়াই হত্যা কৰে।

**তেখেত মোৰ আদৰ্শ ব্যক্তি হোৱাৰ কাৰণ ঃ** মহাত্মা গান্ধীক মই মোৰ এজন আদৰ্শনীয় ব্যক্তি হিচাপে গ্ৰহণ কৰিছোঁ। ইয়াৰ কাৰণ —তেখেত এজন মানৱ দৰদী মহান নেতা আছিল। তেওঁ সদায় সহজ-সৰল জীৱন যাপন কৰিছিল। তেওঁ সমাজৰ পৰা অস্পৃশ্যতা দূৰ কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল। হিন্দু আৰু মুছলমানৰ মাজত সংহতি স্থাপন কৰাৰ বাবেও তেওঁ যৎপৰোনাস্তি চেষ্টা কৰিছিল।

**সামৰণি ঃ** মহাত্মা গান্ধীৰ জীৱন অধ্যয়ন কৰি আমি বহুত আদৰ্শ শিকিব পাৰোঁ। আমি সকলোৱে তেওঁৰ জীৱনৰ পৰা শিক্ষা লাভ কৰা উচিত।

## মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ

**জন্ম আৰু পৰিচয় ঃ** শ্ৰীমন্ত শংকৰদেৱ আছিল এক শৰণ নাম ধৰ্ম (নৱবৈষ্ণৱ



ধৰ্ম) ৰ প্ৰৱৰ্তক, অসমীয়া কলা-সংস্কৃতিৰ জনক, সমাজ সংস্কাৰক আৰু এজন মহান সাহিত্যিক। শংকৰদেৱৰ জন্ম হয় ১৪৪৯ চনৰ আহিন মাহৰ শুক্লা দশমী তিথিত অসমৰ নগাওঁ জিলাৰ বৰদোৱাৰ আলিপুখুৰী নামে ঠাইত। তেওঁৰ পিতৃৰ নাম কুসুম্বৰ শিৰোমণি ভূঞা আৰু মাকৰ নাম আছিল সত্যসন্ধ্যা।

**শিক্ষা ঃ** তেওঁৰ জন্মৰ কেইবছৰমান পিছত মাক-দেউতাক ঢুকুৱাত বুঢ়ীমাক খেৰসুতিয়ে শংকৰদেৱক তুলি-তালি ডাঙৰ-দীঘল কৰে। বাৰ বছৰ বয়সত তেওঁ মহেন্দ্ৰ কন্দলি নামৰ এজন পণ্ডিতৰ টোলত ভৰ্তি হয়। অতি কম সময়ৰ ভিতৰতে তেওঁ সংস্কৃত শাস্ত্ৰত পাৰ্গত হৈ উঠে।

**বিয়া আৰু তীৰ্থ ভ্ৰমণ ঃ** একৈশ বছৰ বয়সত তেওঁ সূৰ্যৱতী নামৰ এগৰাকী সুন্দৰী নাৰীক বিয়া কৰায় আৰু তিনি বছৰ পিছত এটি কন্যা সন্তানৰ জন্ম দি সূৰ্যৱতী স্বৰ্গগামী হয়। পত্নী বিয়োগ হোৱাত তেওঁৰ মন ভাগি পৰে আৰু সংসাৰ বিৰাগী হৈ ১৪৮১ চনত ১৭ জন সঙ্গীৰ সৈতে তীৰ্থ ভ্ৰমণ কৰিবলৈ ওলায়। এই ভ্ৰমণ কালত তেওঁ উত্তৰ ভাৰতৰ প্ৰায়বোৰ তীৰ্থস্থান পৰিদৰ্শন কৰে আৰু সেই সময়ৰ হিন্দু ধৰ্মৰ বহুতো ধৰ্ম গুৰুৰ সৈতে মত বিনিময় কৰি আধ্যাত্মিক জ্ঞানত পুষ্ট হৈ বাৰ বছৰ পিছত অসমলৈ উভতি আহে। ঘৰলৈ উভতি আহি কালিন্দী নামৰ ছোৱালী এগৰাকীক বিয়া কৰায়।

**ধৰ্ম প্ৰচাৰ ঃ** সেই সময়ত অসমত সামাজিক আৰু ধৰ্মীয় জীৱনত নানান খেলিমেলি দেখি হিন্দু ধৰ্ম সংস্কাৰ কৰাৰ মানসেৰে শ্ৰীমদ্ভাগৱত গীতাৰ ভিত্তিত এক নতুন ধৰ্মমতৰ পাতনি মেলে। সেই ধৰ্মক 'নৱবৈষ্ণৱ ধৰ্ম' বুলি কোৱা হয়। 'এক দেৱ, এক সেৱ, এক বিনে নাই কেৱ' - হৈছে তেওঁৰ ধৰ্মৰ মূলমন্ত্ৰ। শংকৰদেৱে ধৰ্ম প্ৰচাৰৰ অৰ্থে ঠায়ে ঠায়ে সত্ৰ, থান, নামঘৰ, ভাওনাঘৰ আদি স্থাপন কৰে আৰু অসমীয়া সমাজক খোল, তাল, ডবা আদিৰ ব্যৱহাৰ শিকায়।

**সাহিত্য ৰচনা ঃ** শংকৰদেৱে তেওঁৰ ধৰ্মীয় তত্ত্ব সৰ্বসাধাৰণৰ মাজত প্ৰচাৰ কৰাৰ মাধ্যম হিচাপে বহুতো গ্ৰন্থও ৰচনা কৰে। তেওঁ বৰগীত, নাটক, ভটিমা, তত্ত্বমূলক গ্ৰন্থ আদি বিবিধ সাহিত্য ৰচনা কৰে। 'কীৰ্তন ঘোষা' তেওঁৰ শ্ৰেষ্ঠ ৰচনা। এইখন গ্ৰন্থক বৈষ্ণৱ ধৰ্মৰ পৱিত্ৰ পুথি বুলি গণ্য কৰা হয়। শংকৰদেৱে ব্ৰজাৱলী নামৰ এক কৃত্ৰিম ভাষাত তেওঁৰ গ্ৰন্থবোৰ ৰচনা কৰিছিল। ব্ৰজাৱলী ভাষাৰ মূল ভেটি হৈছে মৈথেলী।

**সামৰণি ঃ** শংকৰদেৱে অসমীয়া জাতীয় জীৱনলৈ অকল এক নতুন ধৰ্ম দি যোৱাই নহয়, তেওঁ অসমীয়া সমাজ সংস্কৃতিলৈয়ো নানান অৱদান আগবঢ়াই অসমীয়া জাতিক এক স্বকীয়তা প্ৰদান কৰি গৈছে। এইজন মহাপুৰুষে ১৫৬৮ চনত এশ ঊনৈশ বছৰ বয়সত কোচ বিহাৰৰ ভেলা মধুপুৰত ইহলীলা সম্বৰণ কৰে।

# অসমৰ বানপানী

**আৰম্ভণি** ঃ খাল-বিল, নদ-নদী আদিয়ে ধাৰণ কৰিব নোৱাৰাকৈ অতিৰিক্ত বাঢ়নী পানীয়েই বানপানী। বানপানী হৈছে অসমৰ এক প্ৰাকৃতিক বিপৰ্যয়। প্ৰতিবছৰেইনদী মাতৃক অসমৰ বুকুলৈ বানপনীয়ে প্ৰলয়ঙ্কৰী সংহাৰি ৰূপ লৈ আৱিৰ্ভাব হয়।

**বানপানীৰ কাৰণ** ঃ অসমৰ বানপানীৰ বাবে বহুতো উৎস দায়ী, যথা ঃ

প্ৰথমতে, অসম হৈছে পাহৰ আৰু পৰ্বত, নদী আৰু উপনদী, জান আৰু জুৰিৰ দেশ। ইয়াৰ ওচৰে-পাঁজৰে থকা পাহাৰ আৰু পৰ্বত (বিশেষকৈ হিমালয় পৰ্বত) সমূহত জমা হৈ থকা বৰফবোৰ গ্ৰীষ্ম ঋতুত সূৰ্যৰ তাপত গলি অসমৰ ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহ প্লাৱিত কৰি বানপানীৰ সৃষ্টি কৰে।

দ্বিতীয়তে, গ্ৰীষ্ম কালত অসমত যথেষ্ট পৰিমাণে বৰষুণ হয়, যাৰ ফলত অসমৰ বাট-পথ, গাওঁ-ভূই প্লাৱিত হৈ বানপানীৰ সৃষ্টি হয়।

তৃতীয়তে, চৰকাৰে নিৰ্মাণ কৰা নলা-নৰ্দমা, দলং, কালভাৰ্ট, নদীৰ মাথাউৰি আদিত বহুতো আসোঁৱাহ থকাৰ বাবে বাৰিষা কালত পানীৰ হেঁচাত ভাঙি-ছিঙি নদী-উপনদীৰ পানী গাওঁ-ভূই, শস্য পথাৰ আদিত সোমাই বানপানীৰ সৃষ্টি কৰে।

**বানপানীৰ প্ৰভাৱ** ঃ বানপানীৰ প্ৰভাৱ অসমবাসীৰ কাৰণে সুদূৰ প্ৰসাৰী। ই মানুহৰ খেতি-বাতি, পুখুৰী আদি নষ্ট কৰাৰ উপৰিও হাজাৰ হাজাৰ ঘৰ-বাৰী, ভিটা-মাটি উচ্ছন্ন কৰে। বহু পৰিয়াল গৃহহীন হয়। বহু মানুহক জীৱন্তে উঠাই লৈ গৈ সলিল সমাধি ঘটায়। ই ৰাস্তা-ঘাট, সাঁকো, দলং, আদিৰ ক্ষতি সাধন কৰি যোগাযোগ বিচ্ছিন্ন কৰে।

**বানপানী ৰোধৰ উপায়** ঃ বানপানী ৰোধৰ বাবে আমি তলত দিয়া উপায়বোৰ গ্ৰহণ কৰিব পাৰো।

প্ৰথমতে, মহাবাহু ব্ৰহ্মপুত্ৰক বৈজ্ঞানিকভাৱে নিয়ন্ত্ৰণ কৰি বা দুয়োপাৰে শক্তিশালী মাথাউৰি বান্ধি ইয়াৰ জলশক্তিক অন্য কামত ব্যৱহাৰ কৰিব পাৰিলে বানপানীৰ প্ৰাৱল্যৰ পৰা নিশ্চয় অসমবাসী সকাহ পাব।

দ্বিতীয়তে, ব্ৰহ্মপুত্ৰ নদীৰ সকলো উপনদী সমূহকো সুপৰিকল্পিতভাবে নিয়ন্ত্ৰণ কৰি স্থায়ী ভাৱে মাথাউৰি নিৰ্মাণ কৰাৰ বিভিন্ন আঁচনি গ্ৰহণ কৰিব লাগে।

তৃতীয়তে, প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ বাবে অধিক গছ-গছনি ৰুব লাগে আৰু যধে-মধে গছ-গছনি কটা ৰোধ কৰিব লাগে।



চতুৰ্থতে, সুপৰিকল্পিতভাৱে আলিবাট, কালভাৰ্ট, দলং আদি নিৰ্মাণ কৰিব লাগে যাতে অতিৰিক্ত পানীৰ প্ৰাৱল্য প্ৰতিৰোধ কৰিব পাৰে।

**সামৰণি** ঃ অসমৰ বানপানী যদি নিয়ন্ত্ৰণ কৰিব পৰা যায়, তেন্তে অসম তথা ভাৰতৰ অৰ্থনীতি নিশ্চয় টনকিয়াল হ'ব আৰু অসম ভাৰতীয় ৰাজ্যসমূহৰ ভিতৰত এক লেখতলবলগীয়া ৰাজ্যত পৰিণত হ'ব।

# অসমৰ জাতীয় উৎসৱ—বিহু

**আৰম্ভণি** ঃ বিহু হ'ল ভাৰতৰ উত্তৰপূৰ্বাঞ্চলত থকা সীমামূৰীয়া ৰাজ্য অসমৰ জাতীয় উৎসৱ। ই অসমী আইৰ বাপতি সাহোন। বিহু তিনিটা, যথা ঃ ৰঙালী বিহু, কঙালী বিহু আৰু ভোগালী বিহু।

**ৰঙালী বিহু** ঃ ৰঙালী বিহু চ'ত মাহৰ শেষৰ দিনাখন আৰম্ভ হৈ বহাগ মাহৰ সাত তাৰিখলৈ চলে । গৰু বিহুৰ দ্বাৰা এই বিহু আৰম্ভ হয়। এই দিনা গৰুক নৈ বা পুখুৰীত গা-পা ধুৱাই গৰুৰ শিং, মূৰ, কাণ আদিত তেল ঘঁহি ভক্তি আৰু শ্ৰদ্ধাৰে লাউ, বেঙেনা আদি খুৱাই নতুন বছৰটোত ডাঙৰ-দীঘল হ'বলৈ শুভ কামনা কৰা হয়। পিছ দিনাৰ পৰা মানুহ বিহু আৰম্ভ হয়। মানুহে নতুন কাপোৰ লয়। ডেকা ডেকেৰীহঁতে মুকলি পথাৰত নাচে আৰু বিহু গীত গায়। এই বিহুটোৱে জীৱনৰ যৌৱন কালটোক প্ৰতিনিধিত্ব কৰে। সেয়ে ইয়াক বসন্ত উৎসৱ বুলিও কোৱা হয়। এই বিহুত মানুহে বহুত ৰং-ধেমালি আৰু স্ফূৰ্তি কৰে বাবে ইয়াক **ৰঙালী বিহু** বুলিও কোৱা হয়।

**কঙালী বিহু** ঃ কঙালী বিহু আহিন মাহৰ শেষ দিনাখন আৰম্ভ হৈ কাতি মাহৰ তৃতীয় দিনালৈকে চলি থাকে। এই সময়ত মানুহৰ শস্য- ভঁৰাল উদং হৈ থাকে আৰু খাদ্যৰ আকাল হয় বাবে ইয়াক **কঙালি বিহু** বুলি কোৱা হয়। এই বিহুত চোতালতে কল পুলি আৰু তুলসী ৰুই চাকি-বন্তি জ্বলাই সন্ধিয়া ঘৰে ঘৰে নাম পদ গাই মাহ-প্ৰসাদ খোৱা হয়। সন্ধিয়া পথাৰত বন্তি জ্বলাই লখিমী দেৱীৰ শুভ আগমন আহ্বান কৰা হয়।

**ভোগালী বিহু** ঃ এই বিহু পুহ মাহৰ শেষ দিনাখন আৰম্ভ হৈ মাঘ মাহৰ সাত তাৰিখলৈ চলি থাকে। এই সময়ত কৃষকৰ শস্য-ভঁৰাল ধনে-ধানে পৰিপূৰ্ণ হৈ থাকে । প্ৰতি ঘৰত পিঠা-পনা, লাড়ু, খৈ, মুৰি, চিৰা আদি বনোৱা হয় আৰু আত্মীয়-কুটুম্বক মাতি খাবলৈ দিয়া হয়। এই সময়ত খাদ্যৰ কোনো অভাৱ নহয় আৰু মানুহে যথেষ্ট ভোগ কৰিব পাৰে বাবে এই বিহুক **ভোগালী বিহু** বুলি কোৱা হয়। বিহুৰ আগদিনাক উৰুকা বোলে। উৰুকাৰ দিনা সকলোৱে মিলিজুলি লগভাত খায়। বিহুৰ দিনা সূৰ্যোদয়ৰ আগতে সকলোৱে গা-পা

ধুই ধানৰ নৰাৰে সজা ভেলা ঘৰত জুই দি অগ্নি দেৱতাৰ পূজা কৰে। আবেলি সময়ত মুকলি পথাৰত ম'হ যুঁজ, কণী যুঁজ, কুকুৰা যুঁজ, কড়ি খেল, ধোপ খেল আদি অনুষ্ঠিত হয়।

**সামৰণি** ঃ বিহু হৈছে প্ৰেম, ভাতৃত্ববোধ, মৰম, চেনেহ, শান্তি আৰু একতাৰ প্ৰতীক। অসমীয়াসকলে এই বিহুক লৈ বিশ্ব দৰবাৰত গৌৰৱ কৰে।

## অসমৰ বয়ন শিল্প

সাধাৰণ হাতে গঢ়া সা-সঁজুলিৰ সহায়ত নিজ ঘৰৰ পৰিসৰৰ ভিতৰত থলুৱা কেঁচা সমগ্ৰীৰে যিবোৰ উদ্যোগ গঢ়ি উঠে সেইবোৰ উদ্যোগকে কুটিৰ উদ্যোগ বা কুটিৰ শিল্প বুলি কোৱা হয়।

প্ৰাচীন কালৰ পৰাই ভাৰত কুটিৰ শিল্পত চহকী। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য অসমো কুটিৰ শিল্পত আগবঢ়া। আনকি কেইবাটাও ক্ষেত্ৰত ই অন্যান্য ৰাজ্যতকৈয়ো বেছি চহকী। অসমত থকা কুটিৰ শিল্পসমূহৰ ভিতৰত বয়ন শিল্প, বাহঁ-বেতৰ শিল্প, ভাস্কৰ্য শিল্প, মৃৎ শিল্প, হাতীদাঁতৰ শিল্প, কাহঁ-পিতল শিল্প আদিয়েই প্ৰধান। ইয়াত অসমৰ বয়ন শিল্পৰ বিষয়ে চমুকৈ আলোচনা কৰিবলৈ লোৱা হৈছে।

বয়ন শিল্পত বিশ্বৰ ভিতৰতে অসমৰ এক সুকীয়া আসন আছে। অসমৰ জীয়াৰী -বোৱাঁৰী সকলোৰে বয়ন শিল্পত পাকৈত। অসমৰ ছোৱালীয়ে কাপোৰ ব'ব নজনাটো এসময়ত বৰ লাজৰ কথা বুলি বিবেচনা কৰা হৈছিল। অসমীয়া ছোৱালীয়ে নিজে যঁতৰৰ দ্বাৰা সূতা কাটি সেই সূতাত নিজেই থলুৱা পদ্ধতিত ৰং দি কাপোৰ ব 'ব জানে। অসমৰ পাট- মুগা, এৰি আদি কাপোৰ অকল ভাৰততেই নহয় সমগ্ৰ বিশ্বতে সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। অসমীয়া তিৰোতাই তৈয়াৰ কৰা পাট-মুগাৰ কাপোৰে এসময়ত মোগল হেৰেমসমূহত আলোড়নৰ সৃষ্টি কৰিছিল। প্ৰভু কৃষ্ণৰ নাতিয়েক অনিৰুদ্ধ কোঁৱৰে অসমীয়া সাজ পৰিধান কৰা উষাদেৱীক চাই মুগ্ধ হৈছিল। মহাপুৰুষ শংকৰদেৱৰ তত্বাৱধানত তৈয়াৰ কৰা বৃন্দাবনী বস্ত্ৰখনৰ কথা আজিও বিশ্বৰ সকলোৰে জানে। ইয়াৰ আৰ্হি বিশ্বৰ কেইবাখনো দেশৰ আঠখন যাদুঘৰত সংৰক্ষিত হৈ আছে। অসমীয়া তিৰোতাই আহোম যুগত এক প্ৰকাৰৰ কাপোৰ এৰাতিৰ ভিতৰতে তৈয়াৰ কৰি উলিয়াইছিল যাক 'কবচ' বোলা হৈছিল। জন বিশ্বাসত কোৱা হৈছিল যে ঘৈনীয়েকে নিজ হাতে তৈয়াৰ কৰি দিয়া এনে বস্ত্ৰ পৰিধান কৰি গিৰিয়েকে যুদ্ধলৈ গ'লে যুদ্ধত বিজয়ী হয়। অসমৰ শিপিনীয়ে তৈয়াৰ কৰা ফুলাম কাপোৰ দেখি জাতিৰ পিতা মহাত্মা গান্ধীয়ে মন্তব্য কৰি



কৈছিল, 'অসমীয়া তিৰোতাই কাপোৰত সপোন ৰচিব পাৰে।'

এসময়ত অসম বয়ন শিল্পত চহকী আছিল যদিও বৰ্তমান এই শিল্প বহুত প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। ইয়াৰ ঘাই কাৰণ হৈছে- আধুনিক বিজ্ঞানৰ আৱিষ্কৃত বৃহৎ যন্ত্ৰ-পাতিৰ সহায়ত তৈয়াৰ হোৱা কাপোৰৰ প্ৰতিযোগিতাৰ লগত ই তিষ্টিব পৰা নাই। বৃহৎ কল-কাৰখানাত উৎপাদিত হোৱা কাপোৰৰ তুলনাত হাতেৰে বোৱা কাপোৰৰ খৰচ বেছি হয়। ফলত ইয়াৰ চাহিদা কমি গৈছে।

বয়ন শিল্প অসমৰ এক আচুতীয়া শিল্প যদিও এই শিল্পক জীয়াই ৰাখিবলৈ হ'লে চৰকাৰী পৃষ্ঠপোষকতাৰ প্ৰয়োজন। চৰকাৰ আগবাঢ়ি আহিলে আৰু এই শিল্পৰ বিশেষত্বৰ বিষয়ে অসমীয়া সকল সচেতন হ'লে নিশ্চয় এই শিল্প পুনৰ ঠণ ধৰি উঠিব আৰু বিশ্ব দৰবাৰত অসমীয়া শিপিনীৰ যশ-কীৰ্তি পুনৰ প্ৰতিষ্ঠা হ'ব।

০ ০ ০

## অধ্যায়- ৭

# সাধুকথা

## এটা ভালুক আৰু দুজন বন্ধু

এসময়ত দ্বীপ আৰু ৰজিত নামৰ দুজন ডেকা ল'ৰাৰ মাজত বন্ধুত্ব হৈছিল। সিহঁত একেখন গাওঁতে বসবাস কৰিছিল। এদিনাখন দুই বন্ধুয়ে দূৰৱৰ্তী বজাৰ এখনলৈ গৈ আছিল। বজাৰখনলৈ যাওঁতে এখন হাবিৰ মাজেদি লুংলুঙীয়া বাটেৰে যাব লাগে। সিহঁতে হাবিৰ মাজভাগ পোৱাৰ লগে লগে বিপৰীত ফালৰ পৰা এটি ভালুক সিহঁতৰ পিনে আহি থকা দেখা পালে। ভালুকটো দেখাৰ লগে লগে দুয়ো বন্ধু ভয়ত উধাতু খালে। দ্বীপে লগে লগে দৌৰি ওচৰতে থকা সৰল গছ এজাপাৰ ওপৰত উঠিল। ৰজিতে গছ বগাব নাজানে। তেওঁ বিবুদ্ধিত পৰিল। অজিতে জানে যে ভালুকে মৰা মানুহ নাখায়। সেয়ে তেওঁ বাটৰ কাষতে চকু মুদি মৃত মানুহৰ দৰে নিশ্চল হৈ পৰি থাকিল। অলপ পিচতে ভালুকটো অজিতৰ কাষলৈ আহি নাক, মুখ আৰু কাণ শুঙি গুচি গ'ল।

ভালুকটো গুচি যোৱাত দ্বীপ গছৰ পৰা নামি আহি বন্ধু অজিতক সুধিলে, 'হে বন্ধু, ভালুকটোৱে তোমাক কাণে কাণে কি ক'লে?'

তেতিয়া দ্বীপে উত্তৰ দিলে, ''যি বন্ধুৱে বিপদত এৰি যায় তেনে বন্ধুৰ পৰা আঁতৰত থাকিবা।''

দ্বীপৰ কথা শুনি অজিতে বৰ লাজ পালে।

**উপদেশ ঃ** বিপদত এৰি যোৱা বন্ধুৰ পৰা আঁতৰি থাকিব লাগে।

## দুজনী মূৰ্খ ছাগলী

এসময়ত ভৰলু নদীৰ দুয়োপাৰে থকা দুখন গাওঁত দুজন কৃষকৰ দুজনী ছাগলী আছিল। নৈখনৰ ওপৰত এখন সাঁকো আছিল। এদিনাখন দুয়োজনী ছাগলী দুফালৰ পৰা নৈখন পাৰ হ'ব বুলি সাঁকোত উঠিল। সাঁকোখন সংকীৰ্ণ আছিল বাবে পৰস্পৰ বিপৰীত ফালৰ পৰা অহা দুয়োজনী ছাগলী একে সময়তে পাৰ হ'ব পৰাৰ কোনো সুবিধা নাছিল। ফলত দুয়োজনী ছাগলী সাঁকোখনৰ মাজত মুখামুখি হ'ল। ছাগলী দুয়োজনীৰ কোনোটোৱে কাকো বাট এৰি নিদেয়ে। ইটোৱে কয় আনটো পিছুৱাই যাব লাগে আৰু আনটোৱে কয় সিটো পিছুৱাই যাব লাগে। এই বিষয় লৈ দুয়োৰে মাজত কাজিয়া লাগিল আৰু যুঁজ আৰম্ভ হ'ল। যুঁজ কৰি থাকোতে হঠাৎ দুয়োটা ছাগলীয়েই সাঁকোৰ পৰা তলৰ নৈখনত পৰি গ'ল।

নৈ খন আছিল অতি গভীৰ। নদীখনৰ পৰা সিহঁত দুয়োটাই পাৰলৈ উঠি আহিবলৈ অশেষ চেষ্টা কৰিও বিফল হৈ অৱশেষত পানীত ডুবি মৰিল।

**উপদেশে ঃ** অনাহকত যুঁজ-বাগৰ কৰিব নালাগে।

## এজনী বুঢ়ী আৰু এটি শিয়াল

এসময়ত দেৱপুৰ নামৰ এখন গাওঁত এজনী বুঢ়ী অকশৰীয়াকৈ বসবাস কৰিছিল। তাইৰ কোনো সন্তান নাছিল। বহু বছৰ আগতে গিৰিয়েকজন ঢুকুৱাত তাই কুকুৰা পালন কৰি জীৱিকা নিৰ্বাহ কৰিছিল। কিন্তু প্ৰায়েই ওচৰৰ হাবিৰ পৰা এটি শিয়াল আহি বুঢ়ীৰ কুকুৰা পোৱালীবোৰ চুৰ কৰি খাইছিল। বুঢ়ীয়ে চেষ্টা কৰিও শিয়ালটোৰ পৰা হাত সাৰিব পৰা নাছিল। তাই শিয়ালটোক এশিকনি দিয়াৰ চেলু বিচাৰি আছিল।

এদিনাখন বুঢ়ীয়ে ঢেকীত ধান খুন্দিয়াই থকা অৱস্থাত সেই শিয়ালটো ফোঁপাই-জোপাই বুঢ়ীৰ কাষত উপস্থিত হৈ ক'লে, ''বুঢ়ী আই, এজন চিকাৰীয়ে মোক চিকাৰ কৰিবলৈ খেদি আহি আছে। গতিকে মোক দয়া কৰি লুকাবলৈ এটুকুৰা ঠাই দিয়ক।''

বুঢ়ীয়ে শিয়ালটোক টঙী ঘৰৰ ভিতৰত লুকাই থাকিবলৈ দিলে।

অলপ পিছত চিকাৰীজন আহি শিয়ালটোৰ বিষয়ে সুধিলত বুঢ়ীয়ে ডাঙৰ ডাঙৰ সুৰত ক'লে, ''নাই, এই পিনে কোনো শিয়াল অহা নাই।'' কথাখিনিকৈ চিকাৰীজনক টঙী ঘৰটোলৈ আঙুলিয়াই দিলে।

চিকাৰীজনে বুঢ়ীৰ ইংগিত বুজি পাই টঙী ঘৰলৈ সোমাই গৈ শিয়ালটোক ধৰিলে। চিকাৰীজনে শিয়ালটোক লৈ যোৱাৰ সময়ত শিয়ালটোৱে বুঢ়ীক ক'লে, ''বুঢ়ী আই, আপুনি মোক বিশ্বাসঘাতকতা কৰি ধ'ৰাই দিলে।''

বুঢ়ীয়ে ক'লে, ''তুমি যে মোৰ কুকুৰা পোৱালিবোৰ ৰাতি ৰাতি চুৰ কৰি খাইছা তোমাৰ মনত আছেনে? আজি তুমি উপযুক্ত শাস্তি পালা। মনত

ৰাখিবা- এশ গৰু মাৰিলে বাঘৰো মৰণ ।”

**উপদেশ ঃ** যেনে কাম তেনে ফল।

# এটি ধূৰ্ত শিয়াল আৰু এজনী কাউৰী

এবাৰ দেশখনত বৰ দুৰ্ভিক্ষই দেখা দিছিল। একেৰাহে বহুদনি বৰষুণ নোহোৱাৰ ফলত গছ-গছনি মৰহি হৈছিল। হাবিৰ জীৱ-জন্তুবোৰেও খাদ্যৰ অভাৱত পৰি মৃত্যু মুখত পৰিবলৈ আৰম্ভ কৰিছিল। এনে দুভিক্ষৰ দিনত এজনী ভুকাতুৰ কাউৰীয়ে ক'ৰবাৰ পৰা এটুকুৰা মাংস লৈ উৰি আহি এটি গছৰ ওপৰত বহিল। ঠিক সেই সময়ত গছজোপাৰ তলেদি এটি শিয়াল গৈ আছিল। কাউৰীৰ মুখত মাংসৰ টুকুৰাটো দেখি শিয়ালটোৰ জিভাত পানী উঠিল। সি মাংস টুকুৰাটো কিদৰেনো নিজৰ বাবে পাব পাৰে - তাৰ চিন্তা কৰি কাউৰীটোৰ পিনে চাই ক'লে, “হে কাউৰী বাই, আপুনি ঠিক আপোনাৰ আইতাৰ দৰেই সুন্দৰী। আপোনাৰ আইতা জীয়াই থাকোতে আমাক অতি সুৱদী সুৰত গীত গাই শুনাইছিল। কিন্তু দুখৰ বিষয় যে আপুনি বোবা।”

শিয়ালটোৰ মুখত আইতাৰএনে প্ৰশংসা শুনি আৰু তাই যে বোবা নহয়- তাৰ প্ৰমাণ দিবলৈ অভিমানী কাউৰীজনীয়ে মুখ মেলি ‘কা কা’ শব্দ কৰি উঠিল। কাউৰীজনীয়ে মুখ মেলাৰ লগে লগেই মুখৰ পৰা মাংসৰ টুকুৰাটো তললৈ সৰি পৰিল।

ধূৰ্ত শিয়ালটোৱে মাংসৰ টুকুৰাটো বুটলি লৈ হাবিৰ মাজলৈ সোমাই গৈ আনন্দ মনেৰে খালে।

কাউৰীটোৱে বেজাৰ হৈ বহি থাকিল ।

**উপদেশ ঃ** মিছা প্ৰশংসাত ভোল যাব নালাগে।

# এজনী বুধিয়ক কাউৰী

এবাৰ এজনী কাউৰীয়ে তৃষ্ণা নিবাৰণৰ বাবে পানী বিচাৰি চাৰিওপিনে চলাথ কৰিলে। কিন্তু ক'তো পানী নাপাই বৰ হতাশ হ'ল। অৱশেষত কাউৰীজনী পহাৰৰ ওপৰত উঠি দূৰৈত এটি জুপুৰি ঘৰ দেখা পালে। কাউৰীজনীয়ে ভাৱিলে, নিশ্চয় তাত মানুহ আছে। গতিকে তাত পানী পোৱাটো সম্ভৱ। এই ভাবি সি তাকৈলে উৰি গ'ল। তাই তাত এজনী বুঢ়ী মানুহৰ ঘৰৰ আগচোতালত এটি কলহত অলপ পানী দেখা পালে। কিন্তু পানী খিনি কলহটোৰ তলিত থকা বাবে সি ঠোঁটেৰে ঢুকি নাপালে। উপায়হীন হৈ তাই ইফালে-সিফালে চাওঁতে ওচৰতে থকা শিলগুটিৰ দ'ম এটিলৈ চকু পৰিল। লগে লগেই তাইৰ মনলৈ এটি বুদ্ধিৰ উদয় হ'ল।

তেতিয়া কাউৰীটোৱে শিলগুটিৰ দ'মটোৰ পৰা এটা এটাকৈ শিলগুটি ঠোঁটেৰে কলহটোৰ ভিতৰত পেলাবলৈ ধৰিলে। এনেদৰে কিছু শিলগুটি কহলটোৰ ভিতৰত পোলোৱাৰ পিছত কলহটোৰ পানী তলৰ পৰা ওপৰলৈ উঠি আহিল। ঠোঁটেৰে ঢুকি পোৱাত কাউৰীটোৱে তৃষ্ণা পলুৱাই পানী খাই উৰি গুচি গ'ল।

**উপদেশ ঃ** বলেৰে নোৱাৰা কাম বুদ্ধিৰে কৰিব পাৰি।

# এজনী লুভীয়া কুকুৰ

এদিনাখন চ'ত মাহৰ দুপৰীয়া সময়ত এজনী ভোকাতুৰ কুকুৰে এগৰাকী গৃস্থৰ ঘৰৰ পৰা হাঁহৰ মাংস এটুকুৰা চুৰ কৰি হাবিলৈ লৰ দিলে। হাবিটোলৈ যোৱা বাটত এটি নিজৰা আছিল। নিজৰাটোৰ ওপৰত এটি সাঁকো আছিল। কুকুৰটো সাঁকোৰ ওপৰত উঠি তললৈ চোৱাত তলৰ ফটফটীয়া পানীত নিজৰ প্ৰতিবিম্বটো দেখি সেইটো আন এটি কুকুৰ বুলি ভাবিলে।

কুকুৰটোৱে তেতিয়া সেই কুকুৰটোৰ মুখৰ মাংস কাঢ়ি খাবলৈ কুকুৰটোৰ পিনে চোঁচা লৈ ‘ভুক ভুক’ কৰা আৰম্ভ কৰিলে। সি ‘ভুক ভুক’ কৰিবলৈ লোৱাৰ লগে লগেই তাৰ মুখৰ মাংস টুকুৰা দ নিজৰাটোত পৰি গ'ল। কুকুৰটোৱে বেজাৰ মনেৰে গুচি গ'ল।

**উপদেশ ঃ** অতি লোভ বেয়া।

# কাউৰীৰ ভেম

এসময়ত এখন হাবিত বহুতো চৰাই যেনে ঃ কাউৰী, চিলনী, শগুন, টিপচী, দহিকতৰা, মৰা (ময়ুৰ) আদি একেলগে বাস কৰিছিল। সেই চৰাইবোৰৰ ভিতৰত ম'ৰা (ময়ুৰ) চৰাই দেখিবলৈ বৰ ধুনীয়া আছিল আৰু আটাইবোৰ চৰাইয়ে ম'ৰা চৰাইক ইয়াৰ সৌন্দৰ্যৰ বাবে প্ৰশংসা কৰিছিল।

এদিনাখন এটি কাউৰীয়ে ভাবিলে, ‘ময়ো যদি ম'ৰা চৰাইৰ দৰে সুন্দৰ হ'ব পাৰোঁ তেন্তে মোকো সকলোৱে প্ৰশংসা কৰিব।’ এনেতে সি হাবিৰ চুকৰ এটি গছৰ তলত ম'ৰা চৰাইৰ বহুতো পাখি পৰি থকা দেখা পালে।

তেতিয়া সি সেই পাখিবোৰ অতি আনন্দৰে নিজৰ গাত গুজি লৈ ম'ৰা চৰাইৰ জাকৰ মাজলৈ গ'ল।

ম'ৰা চৰাইবোৰে কাউৰীটোক তেনে ৰূপত দেখি সকলোৰে ঘেৰি ধৰি ঠোঁটেৰে তাক খুচিবলৈ ধৰিলে। এনেদৰে খোচাৰ ফলত কাউৰীয়ে নিজে গুজি লোৱা ম'ৰা চৰাইৰ পাখিবোৰ সৰি পৰাৰ লগতে নিজৰো বহুত পাখি সৰি পৰিল।

ম'ৰা চৰাইবোৰৰ খুচনিত কাউৰীটো আধামৰা হৈ সি কাউৰীৰ জাকৰ মাজলৈ গ'ল। তেতিয়া নিজৰ জাকৰ কাউৰীবোৰে ছাল-বাকলি নথকা কাউৰীটোক কিবা অদ্ভূদ প্ৰাণী বুলি ভাৱি তাক ঠোঁটেৰে খুটি খুটি কাউৰীৰ জাকৰ পৰা উলিয়াই দিলে। কাউৰীটো বেজাৰত বহু দূৰলৈ উৰি গুচি গ'ল

**উপদেশ ঃ** কৃত্ৰিমতা সদায় বেয়া।

## সিংহ আৰু নিগনি

এদিনাখন চ'ত মাহৰ নিদাঘ দুপৰীয়াত এটি গছৰ তলত এজনী সিংহ শুই টোপনিয়াই আছিল। এনেতে এটি নিগনি লৰি আহি সিংহটোৰ গাত উঠিল। লগে লগে সিংহটো টোপনিৰ পৰা সাৰ পাই খঙত গোঁজৰণি মাৰি নিগনিটোক মাৰিবলৈ উদ্ধত হ'ল। তেতিয়া নিগনিটোৱে কাকুতি- মিনতি কৰি ক'লে, "মহাৰাজ, মই সামান্য প্ৰাণী। মোক হত্যা কৰি আপোনাৰ কোনো লাভ নহ'ব। দয়া কৰি আজি মোক ক্ষমা কৰি দিয়ক। কোনোবা এদিন হয়তো মই আপোনাক উপকাৰ কৰিম।"

সিংহটোৱে তাচ্ছিল্যৰ হাঁহি মাৰি ক'লে, "ইমান সামান্য প্ৰাণী হৈ তইনো মোক কি উপকাৰ কৰিবি? যা, তোক আজিৰ কাৰণে ৰেহাই দিলোঁ। চাই চিতি ফুৰিবি।"

ইয়াৰ কিছুদিন পিছত সেই সিংহটো এজন চিকাৰীৰ জালত আবদ্ধ হ'ল। সিংহটোৱে অশেষ চেষ্টা কৰিও জালৰ পৰা মুক্ত হ'ব নোৱাৰি অৱশেষত সি মুমূৰ্ষ অৱস্থা পালে। এনেতে ক'ৰবাৰ পৰা সেই নিগনিটো আহি তাইৰ তীক্ষ্ণ দাঁতেৰে জালখন কুটি সিংহটোক উদ্ধাৰ কৰিলে।

**উপদেশ ঃ** সৰুৱেও ডাঙৰক উপকাৰ কৰিব পাৰে।

## এটি শিয়াল আৰু এজনী ছাগলী

এসময়ত এখন হাবিত এটি ছাগলী আৰু এটি শিয়াল বাস কৰিছিল। শিয়ালটোৱে ফুচুলিয়াই ফুচুলিয়াই ছাগলীটোৰ লগত সখী পাতিলে। এদিনাখন শিয়ালটোৱে ছাগলীটোকনো কেনেকৈ খাব পাৰি তাৰ উপায় চিন্তা কৰি ছাগলীটোক জুৰিৰ সিপাৰে থকা হাবিলৈ ফুৰিবলৈ যোৱাৰ প্ৰস্তাৱ দিলে। সখীৰ কথাত ছাগলীটো মান্তি হ'ল।

জুৰিৰ ওপৰত এখন সাঁকো আছিল। দুয়ো জুৰিৰ ওপৰত থকা সাঁকোটো পাৰ হ'বলৈ আগবাঢ়িল। ছাগলীটো আগত আৰু শিয়ালটো পিছে পিছে গৈ থাকিল। যেতিয়া সিহঁতে সাঁকোটোৰ মাজভাগ পালে তেতিয়া পিছপিনৰ পৰা শিয়ালটোৱে ছাগলীটোক খুন্দা মাৰি জুৰিটোত পেলাই দিলে।

জুৰিটোৰ ওচৰতে কেইজনমান খেতিয়কে কাম কৰি আছিল। সিহঁতে ছাগলীজনীৰ এনে অৱস্থা দেখি পানীৰ পৰা তুলি আনি ছাগলীটো মাৰি তাৰ মাংসৰে ভোজ ভাতৰ আয়োজন কৰিলে।

ৰন্ধা মাংসৰ লোভ সামৰিব নোৱাৰি শিয়ালে খেতিয়কসকলৰ ওচৰলৈ গৈ ক'লে, " ককাইহঁত, মোৰ বাবেই আপোনালোকে ছাগলীটো পালে। গতিকে মোকো অলপ মাংস দিয়ক।"

তেতিয়া এজন খেতিয়কে এটুকুৰা মাংস মাটিৰ কেটলিৰ তলীত দি শিয়ালটোক খাবলৈ দিলে। শিয়ালটোৱে মাংস টুকুৰা খাবৰ বাবে টেকেলিৰ ভিতৰত মুৰটো সুমুৰাই দিয়াত সুযোগ বুজি খেতিয়কসকলে শিয়ালটোক কোবাই কোবাই মাৰি পেলালে।

**উপদেশ ঃ** কুবুদ্ধিৰ ফল সদায় বেয়া হয়।

## এটি বান্দৰ আৰু দুজনী মেকুৰী

এবাৰ এখন হাবিত দুজনী মেকুৰী বাস কৰিছিল। এদিনাখন মেকুৰী দুজনীয়ে মানুহ এঘৰৰ পৰা কেইটামান পিঠা চুৰ কৰি ভগাই লওঁতে দুজনীৰ মাজত কাজিয়া লাগিল। কাজিয়াটোৰ মীমাংসা কৰিবলৈ সিহঁতে অৱশেষত এটা বান্দৰৰ ওচৰলৈ গ'ল। বান্দৰটোৱে তৰ্জ্জু এখন আনি পিঠাবোৰ তৰ্জ্জুখনৰ দুয়োপিনে দি জুখিবলৈ ধৰিলে। যিফালে গধুৰ হয় সেই ফালৰ পৰা বান্দৰটোৱে একামোৰকৈ খাই যায়। দুয়োপিনে সমান নোহোৱালৈ বান্দৰটোৱে খাই থাকিল আৰু এটা সময়ত আটাইবোৰ পিঠা বান্দৰটোৱে খাই শেষ কৰিলে।

মেকুৰী দুটাই বেজাৰ মনেৰে গুচি গ'ল।

**উপদেশ ঃ** ভাগ-বন্টন লৈ কাজিয়া কৰিব নালাগে।

# সোণৰ কণী পৰা হাঁহ

এখন গাঁৱত দুখীৰাম নামেৰে এজন অতি দুখীয়া লোক আছিল। তেওঁ এবাৰ এজনী হাঁহ কিনি আনিছিল। হাঁহজনীয়ে প্ৰতিদিন একোটাকৈ সোণৰ কণী পাৰিছিল। কণী বিক্ৰি কৰি তেওঁ বহুত পইচা পাইছিল। এদিনাখন তেওঁ হাঁহজনীৰ পেটত নিশ্চয় বহুত সোণৰ কণী আছে বুলি ভাৱি মনে মনে ক'লে, 'যদি মই আটাইবোৰ কণী একেলগে পাব পাৰোঁ তেন্তে এদিনতে মই ধনী হ'ব পাৰিম।'

কথাটো ভাৱি তেওঁ এদিন ৰাতিপুৱা হাঁহটোৰ পেট ফালি পেলালে। কিন্তু তেওঁ হাঁহটোৰ পেটত এটাও কণী নাপালে। হাঁহটোও মৰি গ'ল।

তেওঁ তেতিয়া বেজাৰত কান্দিবলৈ ধৰিলে ।

**উপদেশ ঃ** অতি লোভ বেয়া।

**000**



প্ৰাথমিক ব্যাকৰণ আৰু ৰচনা - ২য়, ৩য়, ৪ৰ্থ, ৫ম শ্ৰেণী